● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

তেন্তে মোক কওক, প্ৰেমে মানুহ এজনক মূৰ্খ কৰি তোলে নে কেৱল মূৰ্খ বিলাকহে প্ৰেমত পৰে।

অৰহান পামুক
*তুৰ্কীৰ ঔপন্যাসিক*



www.dainikagradoot.in

৭ অধিক জটিল পৰিস্থিতি পাকিস্তানত
১৫ মালয়েছিয়া অপেনত পৰাস্ত ছিন্ধু
৪ আইনৰ শাসন আৰু 'ছেকুলাৰিজিম'ৰ ভূত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৬২তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ১৭ আহাৰ ১৪২৯ ভাস্কৰাব্দ ২ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 2 July 2022 মূল্য ঃ ৯.০০ টকা

■ জনজাতি সংগঠনৰ বাধা আঁতৰ কৰিবলৈ শীঘ্ৰে বৈঠক ■ মৰাণ-অবিভক্ত গোৱালপাৰাৰ কোচ ৰাজবংশীৰ ক্ষেত্ৰত আপত্তি নাই ■ চুতীয়া-আহোম-মটক-চাহ জনগোষ্ঠীক লৈ বিৰোধ

## জনজাতিকৰণ ঃ পাঁচ জনগোষ্ঠীক লৈ নাই সহমত জনজাতি সংগঠনৰ



*চুতীয়াক জনজাতিৰ মৰ্যাদা প্ৰদানৰ সমৰ্থনত ১৯৮১তে ট্ৰাইবেল সংঘৰ প্ৰস্তাৱ গ্ৰহণৰ প্ৰতিলিপি।*

**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ১ জুলাই ঃ** আগন্তুক ২০২৪ৰ লোকসভাৰ নিৰ্বাচনৰ আগতে ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোক লৈ পুনৰ কেন্দ্ৰীয় চৰকাৰে তৎপৰতা আৰম্ভ কৰাৰ সময়তে ইয়াৰে পাঁচটাকৈ জনগোষ্ঠীৰ ক্ষেত্ৰত ট্ৰাইবেল সংঘকে ধৰি জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে সহমতত উপনীত হ'ব পৰা নাই। এই সন্দৰ্ভত গঠন হোৱা মন্ত্ৰীগোটৰ স'তে জনজাতীয় সংগঠনসমূহৰ বিগত সময়ত অনুষ্ঠিত বৈঠকত জনজাতিকৰণৰ দাবীদাৰ কোচ ৰাজবংশী, চুতীয়া, মৰাণ, আহোম, চাহ জনগোষ্ঠী আৰু মটক জনগোষ্ঠীৰ ভিতৰত কেৱল মৰাণ জনগোষ্ঠীৰ ক্ষেত্ৰতহে কোনো আপত্তি নাই বুলি জনগোষ্ঠীয় সংগঠনসমূহে স্পষ্ট কৰাৰ বিষয়ে দিছপুৰৰ উচ্চস্তৰীয় সূত্ৰই সদৰী কৰিছে। উল্লেখ্য যে যোৱা প্ৰায় দুটা দশক ধৰি ৰাজ্যৰ প্ৰতিটো নিৰ্বাচনতে অন্যতম গুৰুত্বপূৰ্ণ ইছ্যুৰূপে বিবেচিত হৈ অহা ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো তথা এই *১০ পৃষ্ঠাত চাওক*

■ 'ডিজিটেল তিনিচুকীয়া' ৱেবছাইটৰ গৰাকী জালত পৰাৰ পাছতে উন্মোচিত হৈছে ন ন তথ্য ■ ক'ভিডে কোঙা কৰি যোৱা অসমীয়া ছপা উদ্যোগটোলৈ আৰু এক অশনি সংকেত

## ইণ্টাৰনেটত বিনামূল্যে ১০ হেজাৰ গ্ৰন্থ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ জুলাই ঃ** প্ৰতিষ্ঠিত ন-পুৰণি লেখকৰ ছপা আকাৰে প্ৰকাশিত ১০ হেজাৰৰো অধিক অসমীয়া গ্ৰন্থ এক দুষ্ট চক্ৰই পিডিএফ আকাৰে ইণ্টাৰনেটত বিনামূল্যে উপলব্ধ কৰা ঘটনাই ক'ভিডে কোঙা কৰি যোৱা ৰাজ্যৰ ছপা উদ্যোগটোলৈ কঢ়িয়াই আনিছে অশনি সংকেত। লেখক আৰু প্ৰকাশকৰ মাজত স্বত্বৰ ম্যাদ উকলি নোযোৱা পৰ্যন্ত যিকোনো ছপা গ্ৰন্থ পিডিএফযোগে বিতৰণ বা বিক্ৰী অবৈধ তথা আইনমতে দণ্ডনীয় অপৰাধ যদিও অসমত এনে অপৰাধে গঢ় লৈ উঠিছে। এনে অপৰাধত শেহতীয়াকৈ



মহানগৰ আৰক্ষীয়ে 'ডিজিটেল তিনিচুকীয়া' নামৰ এটা ৱেবছাইটৰ গৰাকী মণ্টু ডেকা নামৰ এজনক গ্ৰেপ্তাৰ কৰাৰ পাছতে ন ন তথ্য পোহৰলৈ আহিছে। উল্লেখ্য যে ধৃত মণ্টুৰ 'ডিজিটেল তিনিচুকীয়া' শীৰ্ষক ৱেবছাইটত উপলব্ধ হৈ আছে বিভিন্ন লেখকৰ প্ৰায় সাত হেজাৰ গ্ৰন্থ। সংশ্লিষ্ট প্ৰকাশন গোষ্ঠীয়ে গ্ৰন্থসমূহ প্ৰকাশ কৰি বজাৰত মুকলি কৰি দিয়াৰ পাছতে দুষ্ট চক্ৰটো গ্ৰন্থসমূহৰ পিডিএফ বনাই সংশ্লিষ্ট ৱেবছাইটত উপলব্ধ কৰে। ফলত যিকোনো লোকে এই পিডিএফ ডাউনলোড কৰি অধ্যয়নৰ সুবিধা লাভ কৰে। অৱশ্যে মূল্যবান একাংশ গ্ৰন্থৰ *১০ পৃষ্ঠাত চাওক*

■ লোকসভা নিৰ্বাচনৰ ৰণকৌশল হিচাপে লোকসভা প্ৰৱাস যোজনাত অন্তৰ্ভুক্ত এই সিদ্ধান্ত
■ অসমত ৫০ লাখ নিশ্চিত ভোটাৰ সৃষ্টিৰ লক্ষ্য ■ অৰুণোদয়ক মূল আধাৰ কৰি অভিযান

# হিতাধিকাৰীক বিজেপিৰ সদস্যভৰ্তিৰ প্ৰস্তুতি

■ সদস্যভৰ্তি কৰিবলৈ হিতাধিকাৰীৰ ঘৰে ঘৰে যাব দলীয় কৰ্মকৰ্তা-নেতা ■ তালিকা প্ৰস্তুত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ জুলাই ঃ** হিতাধিকাৰী ভিত্তিক আঁচনিত চৰকাৰে সৰ্বাধিক গুৰুত্ব আৰোপ কৰা বুলি বিৰোধী দলসমূহৰ লগতে বিভিন্ন মহলত চৰ্চা চলি আহিছে। অৱশ্যে তালৈ গুৰুত্ব দিয়া নাই কেন্দ্ৰীয় চৰকাৰে। এনেধৰণৰ আঁচনি নিজাববীয়াকৈ গ্ৰহণ আৰু ৰূপায়ণত অসম চৰকাৰো পিছ পৰি ৰোৱা নাই। ৰাজ্য চৰকাৰে পূৰ্বৰে পৰা ৰূপায়ণ কৰি অহা আঁচনিসমূহৰ লগতে হিতাধিকাৰী ভিত্তিক নতুন নতুন আঁচনি সঘনে ঘোষণা কৰি আহিছে। চৰকাৰৰ এনে আঁচনিবোৰে হিতাধিকাৰীসকলৰ মুখত হাঁহি বিৰিঙাইছে। সেই হাঁহিৰ প্ৰতিদানস্বৰূপে তেওঁলোক হ'ব লাগিব ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ৰ সদস্য। আগন্তুক ২০২৪ত দেশত অনুষ্ঠিত হ'বলগীয়া সাধাৰণ নিৰ্বাচনৰ ৰণকৌশলৰ অংশৰূপে শাসক দলটোৱে তথা চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। 'লোকসভা প্ৰৱাস যোজনা' কাৰ্যসূচীত হিতাধিকাৰীক দলৰ সদস্য কৰাৰ সিদ্ধান্ত বিজেপিয়ে অন্তৰ্ভুক্ত কৰাৰ লগতে তাৰ প্ৰাথমিক কাম-কাজো আৰম্ভ কৰিছে। লোকসভা প্ৰৱাস যোজনাত যিবোৰ নিৰ্বাচনী ৰণকৌশল অন্তৰ্ভুক্ত কৰা হৈছে তাৰ অন্যতম হিচাপে হিতাধিকাৰীসকলক দলৰ সদস্যভৰ্তি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ বাবে সকলো আঁচনিৰ হিতাধিকাৰীৰ ওচৰলৈ যাব দলৰ কৰ্মকৰ্তা। তেওঁলোকক সাক্ষাৎ কৰি যোগাযোগ ৰক্ষা কৰিব পৰা তথ্যপাতিও সংগ্ৰহ কৰা হ'ব। *১০ পৃষ্ঠাত চাওক*



*মহানগৰীত ৰথযাত্ৰাৰ ভিৰ, শুকুৰবাৰে।*

## গাভৰু নৈৰ পানীয়ে বিধ্বস্ত কৰিলে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ অংশ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১ জুলাই ঃ** যোৱা নিশা দুই বজাত গাভৰু নৈৰ বাঢ়নী পানীয়ে তেজপুৰৰ নিকটৱৰ্তী বিহগুৰি মৌজাৰ গাভৰু শিৱ মন্দিৰৰ সমীপত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ এটা অংশ খহাই পেলায়। লগতে তেজপুৰ ৰাজহ চক্ৰ অন্তৰ্গত নিৰাই আটি আৰু ঠেলামৰা ৰাজহ *১০ পৃষ্ঠাত চাওক*

## ১০ জুলাইত ঈদ-উল-আজহা, সদৰী কৰিলে হিলাল কমিটীয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ১ জুলাই ঃ** অহা ১০ জুলাইত ইছলামধৰ্মী লোকসকলৰ পৱিত্ৰ ঈদ-উল-আজহা। আজি এক বিবৃতিযোগে কেন্দ্ৰীয় হিলাল কমিটী অসমৰ সভাপতি মৌলনা ফখৰুদ্দিন আহমেদ কাছিমী আৰু সম্পাদকপ্ৰধান আলহাজ ইমদাদ হুছেইনে এই *আঠ পৃষ্ঠাত চাওক*

■ ৰুজু হোৱা সকলো গোচৰ দিল্লীলৈ স্থানান্তৰৰ আবেদন নাকচ
■ নিৰাপত্তাৰ কাৰণে ভাবুকি, দেশবাসীক ক্ষমা খুজিবলৈও নিৰ্দেশ

## নূপুৰ শৰ্মাৰ বক্তব্যই দেশজুৰি জুই জ্বলাইছে, ভৰ্ৎসনা সৰ্বোচ্চ ন্যায়ালয়ৰ

**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১ জুলাই ঃ** পয়গম্বৰ হজৰত মহম্মদক লৈ আপত্তিজনক মন্তব্য কৰা বিজেপিৰ নিলম্বিত নেত্ৰী তথা মুখপাত্ৰ নূপুৰ শৰ্মা দেশৰ সৰ্বোচ্চ ন্যায়ালয়ৰ দ্বাৰাও আজি ভৰ্ৎসনাৰ পাত্ৰী হয়। কেৱল এয়াই নহয়, তেওঁৰ বক্তব্যৰ ফলত চৌদিশে সৃষ্টি হোৱা



অশান্তিৰ বাবে নূপুৰ শৰ্মাক দেশবাসীৰ আগত ক্ষমা বিচাৰিবলৈও ন্যায়ালয়ে পৰামৰ্শ দিয়ে। পয়গম্বৰক লৈ কৰা বিৰূপ মন্তব্যৰ বাবে বিজেপিৰ প্ৰাক্তন নেত্ৰীগৰাকীৰ বিৰুদ্ধে দেশৰ বিভিন্ন প্ৰান্তত গোচৰ ৰুজু হৈছে। সেই সকলো গোচৰ দিল্লীলৈ স্থানান্তৰৰ আবেদন জনাই নূপুৰ শৰ্মাই অধিবক্তাৰ *১০ পৃষ্ঠাত চাওক*

## দিছপুৰতে জেহাদী সদস্যৰ অভিযোগত এজনক গ্ৰেপ্তাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ জুলাই ঃ** ৰাজধানী দিছপুৰৰ মাজমজিয়াৰ পৰা আজি জেহাদী সদস্যৰ অভিযোগত এজন লোকক আৰক্ষী আৰু অপৰাধ শাখাই অভিযান *১০ পৃষ্ঠাত চাওক*

■ কৰিমগঞ্জ-শিলচৰৰ বানপীড়িত অঞ্চল পৰিদৰ্শন কৰিলে ড° শৰ্মাই

## বানত মৃত পৰিয়ালক সাহায্য প্ৰদান, ভগ্ন বান্ধ পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

### সোণবিলত অতিথি গৃহ-ওপঙা সৌৰশক্তি প্ৰকল্প নিৰ্মাণ কৰিব চৰকাৰে

**বিশেষ সংবাদদাতা**

**শিলচৰ, ১ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অভাৱনীয় বানত বিপৰ্যস্ত হৈ পৰা কৰিমগঞ্জ জিলাৰ বানপীড়িত অঞ্চলসমূহ আজি পৰিদৰ্শন কৰে আৰু চৰকাৰে যাতে অতি সোনকালে পুনৰসংস্থাপন আৰু পুনৰ্নিৰ্মাণ সম্ভৱ কৰি তুলিব পাৰে তাৰ বাবে ক্ষতিগ্ৰস্ত গৃহ আৰু পুখুৰীসমূহৰ *১০ পৃষ্ঠাত চাওক*



## নগাঁৱত বাঢ়নী পানীত উটি যোৱা ছাত্ৰীৰ মৃতদেহ উদ্ধাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১ জুলাই ঃ** নগাঁও চহৰৰ সমীপৱৰ্তী শিয়ালমাৰীত কালি সন্ধিয়া এটা বান শিবিৰৰ পৰা শিয়ালমাৰীৰ ঘৰলৈ যোৱাৰ পথত বাঢ়নী পানীত পৰি সন্ধানহীন হোৱা জেচমিনা বেগম (১৪) নামৰ ছাত্ৰীগৰাকীৰ *১০ পৃষ্ঠাত চাওক*




| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৬° |
| ডিব্ৰুগড় | ৩১° | ২৫° |
| দিল্লী | ৩১° | ২৮° |
| কলকাতা | ৩১° | ২৭° |
| মুম্বাই | ২৭° | ২৬° |
| চেন্নাই | ৩৬° | ২৮° |
| বাংগালুৰু | ২৮° | ২০° |
| শ্বিলং | ২৪° | ১৯° |

*১ জুলাই, ২০২২*

মণিপুৰৰ ভূমিস্খলনত উদ্ধাৰ অভিযান অব্যাহত ঃ আজি ঘটনাস্থলীলৈ মন্ত্ৰী পীযুষ হাজৰিকা

## জোৱানসহ অসমৰ পাঁচজনৰ মৃতদেহ উদ্ধাৰ

### এজন অভিযন্তাৰ লগতে কমেও ১৪ জন অসমৰ শ্ৰমিকৰ সন্ধান নাই



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ জুলাই ঃ** মণিপুৰৰ ননে জিলাৰ টুপুলত পৰহি নিশা সংঘটিত ভয়াৱহ ভূমিস্খলনৰ ঘটনাত প্ৰকৃততে কিমান লোক হতাহত হৈছে তাৰ তথ্য দুদিন পাছতো স্পষ্ট হোৱা নাই। কমেও এক কিলোমিটাৰ অঞ্চলজুৰি সংঘটিত ভূমিস্খলনৰ বিশালতা আৰু ভয়াৱহতা ইমানেই বেছি আছিল যে তাৰ কল্পনা কৰাও বহুতৰে সম্ভৱ নহয়। ৰেলৱেৰ নিৰ্মাণ কাৰ্য চলি থকাৰ সময়তে সেনাৰ ১০৭ টেৰিটৰিয়েল *আঠ পৃষ্ঠাত চাওক*

■ ছজনীয়া আলফা দলৰ স'তে তুমুল সংঘৰ্ষ ঃ গ্ৰেণেড বিস্ফোৰণৰ পাছতে গুলিচালনা

## কাকপথাৰৰ দপথাৰত নিৰাপত্তাৰক্ষীৰ গুলিত নিহত দুৰ্ধৰ্ষ আলফা জ্ঞান

### নেতা ৰূপম অসমসহ চাৰিজন আহত হোৱা বুলি আৰক্ষীৰ দাবী



**ডুমডুমা, ১ জুলাই ঃ** আলফা (স্বাধীন)ৰ কাৰ্যকলাপ বৃদ্ধি পোৱা বুলি বিভিন্ন পৰ্যায়ত তথ্য উদঘাটন হোৱাৰ সময়তে আজি তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী কাকপথাৰ অঞ্চলত নিৰাপত্তা বাহিনীৰে তুমুল সংঘৰ্ষত এজন আলফা সদস্য নিহত হয়। ঘটনাটো সংঘটিত হয় কাকপথাৰৰ দপথাৰত। কাকপথাৰ থানাৰ অন্তৰ্গত দপথাৰ নিবাসী ভোলা চাংমা ওৰফে বাবা চাংমা নামৰ *১০ পৃষ্ঠাত চাওক*

## অজাপৰ ভ্ৰাতৃ সংগঠন জাতীয় যুৱ শক্তিৰ ৰাজ্যিক অভিৱৰ্তন

### লাকীমণিক সভানেত্ৰীৰূপে লৈ কেন্দ্ৰীয় সমিতি গঠন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ জুলাই ঃ** 'মোৰ মাটিত মোৰ অধিকাৰ তথা ভাষা-কৃষ্টি-সংস্কৃতি ৰক্ষা কৰাটো জন্মস্বত্ব অধিকাৰ আৰু ইয়াক কোনেও কাঢ়ি নিব নোৱাৰে। বিভাজনকামী শক্তিয়ে আজি অসমখনক কেৱল মাত্ৰ ৰাজনৈতিক স্বাৰ্থত, ভোটৰ অংকত সদায় শোষণ-বঞ্চনা, বিশ্বাসঘাতকতা কৰি আহিছে। এইবোৰ নাইকিয়া *১০ পৃষ্ঠাত চাওক*

প্ৰাথমিক শিক্ষা বিষয়াই দাখিল কৰিব লাগিব প্ৰতিবেদন

## বীমা-সাংবাদিকতা-আন বৃত্তিত জড়িত শিক্ষকৰ বিৰুদ্ধে ব্যৱস্থা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ জুলাই ঃ** জীৱন বীমাৰ এজেণ্ট, সাংবাদিক অথবা আন কোনো বৃত্তিত জড়িত চৰকাৰী আৰু প্ৰাদেশিকীকৃত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে ৰাজ্যৰ প্ৰাথমিক শিক্ষা সঞ্চালকে। সেই উদ্দেশ্যে তেনে শিক্ষকৰ তথ্য বিচাৰি প্ৰাথমিক শিক্ষা বিভাগৰ অতিৰিক্ত সঞ্চালক নৃপেন দাসে সকলো জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ প্ৰেৰণ কৰিছে *১০ পৃষ্ঠাত চাওক*

## বানপানীত এদিনতে পুনৰ ১৪ জনৰ মৃত্যু

### ক্ষয়-ক্ষতিৰ বুজ লৈছে কেন্দ্ৰীয় দলে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ জুলাই ঃ** অভাৱনীয়ভাৱে ৰাজ্যৰ চলিত বানত আজি এদিনতে ১৪ জন লোকে প্ৰাণ হেৰুৱায়। ইয়াকে ধৰি এইবাৰৰ বানত এতিয়ালৈকে প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১৭৩ জনলৈ বৃদ্ধি হয়। আজিও ৩০ খন জিলাৰ ২,৪৫০ খন *১০ পৃষ্ঠাত চাওক*

**চেঙা তেল**



*তুমি গুচি যোৱা বুলিহে ভাবিছিলো! আকৌ আহি ওলালা যে, আমাক ঘৰতে বন্দী কৰি থবা নেকি!*

■ মহাৰাষ্ট্ৰত চৰকাৰ ভাঙিবলৈ মহানগৰীৰ পঞ্চতাৰকাত আঠদিন কটাই গ'ল বিদ্ৰোহীয়ে

## গুৱাহাটীৰ হোটেলক ৭০ লাখ শিণ্ডে বাহিনীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ জুলাই ঃ** অসমবাসী অভাৱনীয় বানত ককবকাই থকাৰ সময়তে মহাৰাষ্ট্ৰৰ বিসম্বাদী ৰাজনীতিৰ কেন্দ্ৰবিন্দুত পৰিণত হৈছিল গুৱাহাটী। মহাৰাষ্ট্ৰৰ নৱনিযুক্ত মুখ্যমন্ত্ৰী তথা তদানীন্তন শিৱসেনাৰ বিসম্বাদী গোটৰ নেতা একনাথ শিণ্ডেৰ নেতৃত্বত বিধায়কৰ



বৃহৎ দল এটাই মহানগৰীৰ পঞ্চতাৰকা হোটেল ৰেডিছন ব্লুত আঠদিন বাহৰ পাতিছিল। তেওঁলোকৰ হোটেলৰ ব্যয় বহনৰ দায়িত্ব কোনে লৈছিল বুলি সৃষ্টি হোৱা বিতৰ্ক আজিও অব্যাহত আছে। এনে সময়তে পোহৰলৈ আহিছে যে হোটেলৰ ৭০ টা কোঠা সংৰক্ষণ তথা ব্যৱহাৰৰ বিনিময়ত *১০ পৃষ্ঠাত চাওক*

■ ১৫ দিনধৰি বন্যাৰ্তক সাহায্য প্ৰদানত ব্যস্ত কবি প্ৰণৱ কুমাৰ বৰ্মন

## মানুহেই মোৰ শ্ৰেষ্ঠ কবিতা!

**বিশেষ সংবাদদাতা**

**নলবাৰী, ১ জুলাই ঃ** 'এই সময়ত মানুহ দুৰ্যোগত আছে থকাৰ সমস্যা, খোৱাৰ সমস্যা, পিন্ধাৰ সমস্যা, চিকিৎসাৰ সমস্যা— মুঠতে চাৰিওফালে কেৱল হাহাকাৰ। বন্ধ হোৱাৰ উপক্ৰম উশাহৰ কবিতা। মানুহৰ এনে অৱস্থাত নিৰ্দিষ্ট দূৰত্বত থাকি কবিতা লিখি *১০ পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত
গুৱাহাটী, ২ জুলাই, ২০২২ শনিবাৰ পৃষ্ঠা তিনি

# বাগ্‌সাৰ শালবাৰীত লাভ জেহাদৰ বলি হিন্দু যুৱতী

**আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ বিবাহিত নুৰুল হক নামৰ এজন যুৱকক**

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১ জুলাই ঃ** অসমৰ চুকে-কোণে সময়ে সময়ে লাভ জেহাদৰ বলি হৈ আহিছে বহু হিন্দু কিশোৰী, যুৱতী-মহিলা। এইবাৰ বাগ্‌সাৰ শালবাৰীত এজন বিৱাহিত যুৱকৰ লাভ জেহাদৰ বলি হৈছে এগৰাকী হিন্দু যুৱতী। বাগ্‌সাৰ শালবাৰীৰ গোৱৰ্ধনাৰ এটা পুত্ৰ সন্তানৰ ছয় পৃষ্ঠাত চাওক

# হাউলীত আৰক্ষীৰ অভিযান ড্ৰাগছসহ দুজনক আটক



অগ্ৰদূত বাৰ্তা

**হাউলী, ১ জুলাই ঃ** হাউলী আৰক্ষীয়ে খন্দকাৰপাৰা বজাৰত আজি অভিযান চলাই ড্ৰাগছ ব্যৱসায়ৰ লগত জড়িত এক দম্পতী আটক কৰে। প্ৰাপ্ত তথ্য অনুসৰি, যোৱা নিশা হাউলী আৰক্ষীয়ে এজন ড্ৰাইভাৰ আটক কৰি সোধ-পোছ কৰে। আটকাধীন ড্ৰাইভাৰৰ স্বীকাৰোক্তিৰ ভিত্তিত হাউলী আৰক্ষীয়ে আজি হাউলীৰ খন্দকাৰপাৰাত এক অভিযান চলায়। অভিযানত হাউলী আৰক্ষীয়ে আটক কৰে ড্ৰাগছ ব্যৱসায়ী এক ছয় পৃষ্ঠাত চাওক

## উপ-পথেৰেই যাতায়াত অব্যাহত আছে বছৰ বছৰ ধৰি ঃ নগাঁও-নলতলী পথত যমৰ-যাতনা ৰাইজৰ

# ছবছৰে সম্পূৰ্ণ নহ'ল তিৰমুনি দলঙৰ সংযোগী পথ

বিশেষ সংবাদদাতা

**নগাঁও, ১ জুলাই ঃ** ৰাজ্যৰ গড়কাপ্তানী (লোক নিৰ্মাণ) বিভাগৰ নগাঁও ৰাজ্যিক পথ সংমণ্ডলৰ অকৰ্মণ্যতাৰ স্বাক্ষৰ বহন কৰিছে নগাঁও-নলতলী সংযোগী ৰাজ্যিক ঘাইপথৰ এখন দলঙে। কিয়নো ৰাজ্যিক ঘাইপথটোৰ তিৰমুনি নামৰ ঠাইডোখৰত এখন পকী দলং ছয় বছৰৰ পূৰ্বেই নিৰ্মাণ কৰি কাম সম্পূৰ্ণ কৰিছিল যদিও দলংখনৰ দুই মূৰৰ সংযোগী পথ নিৰ্মাণ নকৰাত ই ভালুকৰ সাঙীতহে পৰিণত হৈছে। উল্লেখ্য যে গড়কাপ্তানী নগাঁও ৰাজ্যিক পথ সংমণ্ডলৰ অধীনস্থ নগাঁও-লাওখোৱা-নলতলী সংযোগী গড়কাপ্তানী পথটোক ৰাজ্যিক ঘাইপথলৈ উন্নীত কৰি পথটো আটকধুনীয়াকৈ নিৰ্মাণ কৰা হৈছিল। কে'বা বছৰ পূৰ্বে নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱা এই পথটো এতিয়া শোণিতপুৰ জিলা তথা উত্তৰ অসমলৈ বুলি বিকল্প আৰু চমু পথ হিচাপে বিবেচিত হৈছে। কলিয়াবৰ হৈ তেজপুৰ নগৈ অসংখ্য ছয় পৃষ্ঠাত চাওক



# ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকাৰীৰ অদূৰদৰ্শিতা-হেমাহিত পুনৰ বন্ধ হোৱাৰ দিশে ঘাইপথ



বিশেষ সংবাদদাতা

**মঙলদৈ, ১ জুলাই ঃ** ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকাৰীয়ে মঙলদৈস্থ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এই ভৰ বাৰিষা এটা কালভাৰ্ট নিৰ্মাণৰ হঠকাৰী সিদ্ধান্তৰ প্ৰতিবাদত দৰঙৰ বিভিন্ন দল-সংগঠন মুখৰ হৈ পৰা দেখা গৈছে। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ হেমাহিৰ বাবেই পুনৰ বন্ধ হোৱাৰ দিশে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ। খৰালি শুই থকা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকাৰীয়ে ছয় পৃষ্ঠাত চাওক

# আঠিয়াবাৰীত গৰ্ভৱতী মহিলাৰ আত্মহত্যা

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১ জলাই ঃ** মুছলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত আঠিয়াবাৰীত চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। যোৱা নিশা চিপ লোৱা অৱস্থাত উদ্ধাৰ হয় সাতমহীয়া অন্তঃসত্ত্বা এগৰাকী মহিলাৰ মৃতদেহ। মৃত মহিলাগৰাকীৰ নাম সুমিতা বৰ্মন। ডেৰ বছৰ পূৰ্বে আঠিয়াবাৰী বায়নচুপাত সঞ্জয় বৰ্মনৰ স'তে বিবাহ-পাশত আৱদ্ধ হৈছিল টিহুৰ সুমিতা বৰ্মনে। পৰিয়ালৰ আন সদস্যৰ স'তে কালি দুপৰীয়া ভাত- পানী খাই নিজৰ কোঠাত সোমাইছিল । বাকীসকলে শুই থকা বুলি ভাবিছিল। শ্ৰমজীৱী গিৰীয়েকে সন্ধিয়া ঘৰলৈ আহি ঘৈণীয়েকে দৰ্জা বন্ধ কৰি সোমাই থকা বুলি জানিব পাৰি বাহিৰৰ পৰা চিঞৰি চিঞৰি মাতাৰ পাছতো ওলাই নহাত দৰ্জা ভাঙি ভিতৰত প্ৰৱেশ কৰাতহে আত্মহত্যা কৰাৰ বিষয়ে জানিব পাৰে। ঘৰৰ কোঠাৰ ভিতৰৰ পৰা আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে আজি মুছলপুৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। মৃত্যুৰ কাৰণ এই পৰ্যন্ত পোহৰলৈ অহা নাই যদিও মৰণোত্তৰ পৰীক্ষাৰ পাছতহে মৃত্যুৰ ৰহস্য উদ্‌ঘাটন হ'ব বুলি আৰক্ষীয়ে মন্তব্য কৰে।

# বিজেপি কৰ্মীক আওকাণ কৰি একপক্ষীয়ভাৱে কাম কৰিছে ইউপিপিএলৰ নেতা-কৰ্মীয়ে

## কচুগাঁৱত বিজেপি-ইউপিপিএলৰ মাজত মতানৈক্য

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ১ জুলাই ঃ** বিটিচিৰ শাসনত অধিষ্ঠিত ইউপিপিএল-বিজেপি আৰু গণ সুৰক্ষা পৰিষদৰ মিত্ৰজোঁটৰ চৰকাৰ চলিছে যদিও তৃণমূল পৰ্যায়ত মিত্ৰতাত ফাট মেলা যেন পৰিলক্ষিত হৈছে। বিশেষকৈ ইউপিপিএল আৰু বিজেপিৰ মাজত বিভিন্ন বিষয়ক লৈ মতবিৰোধ দেখা দিয়াৰ ফলত উন্নয়নমূলক কাম-কাজত ব্যাঘাত জন্মিছে বুলি অভিযোগ উঠিছে। বিটিচিৰ উন্নয়নৰ স্বাৰ্থত বিজেপি আৰু ইউপিপিএলে একেলগে কাম কৰাৰ প্ৰতিশ্ৰুতি দিছিল যদিও প্ৰকৃততে সেই প্ৰতিশ্ৰুতি পালন কৰিব পৰা নাই ইউপিপিএলে। বিজেপিৰ তৃণমূল পৰ্যায়ৰ নেতা-কৰ্মীক আওকাণ কৰি ইউপিপিএলৰ একাংশ শীৰ্ষ নেতা-কৰ্মী, ভিচিডিচিৰ নেতৃত্বই নিজৰ ইচ্ছা অনুসৰি উন্নয়নৰ কাম কৰি আহিছে। ইউপিপিএল আৰু বিজেপিয়ে গঠন কৰা ভিচিডিচিত ইউপিপিএলে বিজেপিক একাষৰীয়া কৰি আধিপত্য চলাই আছে বুলি অভিযোগ উত্থাপন কৰিছে বিটিচিৰ ছয় নম্বৰ কচুগাঁও সমষ্টিৰ অন্তৰ্গত একাধিক ভিচিডিচিৰ বিজেপিৰ কৰ্মী সমৰ্থকে। ইয়াৰে কচুগাঁৱৰ নৱিনগৰ ভিচিডিচিৰ উপ-সভাপতি ৰবীন হেমব্ৰম আৰু বিজেপিৰ পৰা নিযুক্ত ছয় পৃষ্ঠাত চাওক

# বালিজানাত ৱাইন বাৰক লৈ ৰাইজৰ প্ৰতিবাদ

## এন অ' চি নাকচৰ প্ৰতিশ্ৰুতি পঞ্চায়ত সভাপতিৰ



অগ্ৰদূত বাৰ্তা

**আগিয়া, ১ জুলাই ঃ** গোৱালপাৰা জিলাৰ বালিজানা পঞ্চায়তৰ দুশ মিটাৰ আঁতৰত অৱস্থিত বালিজান সাপ্তাহিক বজাৰৰ কাষত এখন ৱাইন বাৰ বহুওৱাৰ প্ৰস্তুতি চলোৱাত অঞ্চলটোৰ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। যিকোনো মূল্যৰ বিনিময়ত উক্ত ৱাইন বাৰ বন্ধ কৰাৰ দাবীত কালি একাংশ ৰাইজে বালিজানা পঞ্চায়ত কাৰ্যালয়ৰ সন্মুখত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ৰাজিৰ ৰুদ্ৰৰূপ দেখি বালিজানা পঞ্চায়তৰ সভাপতিয়ে বহু পূৰ্বে ৱাইন বাৰ বহুৱাবলৈ যি এন অ' চি প্ৰদান কৰিছিল সেয়া নাকচৰ প্ৰতিশ্ৰুতি দিয়ে ৰাইজক। প্ৰাপ্ত তথ্য অনুসৰি বৰপেটাৰ জনৈক দিলীপ হুছেইন নামৰ লোক এজনে বালিজানাৰ স্থানীয় কেইজনমান যুৱকক পকেটস্থ কৰি বিগত দুটা বছৰৰ পৰাই বালিজানা আৰু আগিয়াৰ বিভিন্ন অঞ্চলত গোপনে ৱাইন ছয় পৃষ্ঠাত চাওক

# টিহুৰ যমুনাট্ৰাৰীত বিষাক্ত পানীয়ে ছানি ধৰিছে পুখুৰী-কৃষি পথাৰ

## মৰিছে ডিগি পুখুৰীৰ শ শ মাছ



অগ্ৰদূত বাৰ্তা

**টিহু, ১ জুলাই ঃ** টিহুৰ যমুনাট্ৰাৰী এখন কৃষি প্ৰধান গাঁও। গাঁওখনৰ প্ৰায় ৮০ শতাংশ লোকেই কৃষিজীৱী। তেওঁলোকে ধান খেতিকে ধৰি বিভিন্ন ধৰণৰ শষ্যৰ খেতি কৰি ইয়াৰ পৰা উৎপাদিত ফচলেৰে নিজৰ ল'ৰা-ছোৱালীৰ পঢ়া-পাতি কৰা, ৰোগীৰ চিকিৎসা কৰাকে ধৰি সাংসাৰিক জীৱনৰ যাৱতীয় খৰছ উলিয়াই সুখে-দুখে জীৱন-যাপন কৰি আহিছে। এই গাঁওখনৰে কৃষি পথাৰ আহাৰ মহীয়া শেহতীয়া বানত বিধ্বস্ত হোৱাৰ উপৰি, সম্প্ৰতি বিষাক্ত পানীয়ে ছানি ধৰাত চিন্তিত হৈ পৰিছে কৃষক সমাজ। কাৰণ কৃষি পথাৰ অবিহণে কৃষকসকলৰ ভৱিষ্যৎ অন্ধকাৰাচ্ছন্ন হৈ পৰিব। বিষাক্ত পানীৰ ফলত প্ৰায় ২০ বিঘা কৃষি পথাৰৰ অনিষ্ট ছয় পৃষ্ঠাত চাওক

**মূৰফুলনীত লোমহৰ্ষক হত্যাকাণ্ড**

# ম'বাইলৰ বাবেই তিনি বন্ধুৱে মৰিয়াই মাৰিলে বন্ধুক

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ১ জুলাই ঃ** মৰঙি ৰাজহ চক্ৰৰ অধীনৰ বগীজান আৰক্ষী থানাৰ অন্তৰ্গত মূৰফুলনী চাহ বাগিচাত এটা ম'বাইল চুৰি ঘটনাক কেন্দ্ৰ কৰি তিনি বন্ধুৱে মিলি হত্যা কৰিলে বন্ধুক। তথ্য মতে, মূৰফুলনি চাহ বাগিচাত কাৰ্তিক গড় (১৮) নামৰ যুৱকজনক তেওঁৰে তিনি বন্ধুৱে মিলি মৰিয়াই মৰিয়াই হত্যা কৰে। যোৱা ২৬ জুনত মূৰফুলনী চাহ বাগিচাৰ দেৱজিৎ কৰ্মকাৰ নামৰ যুৱকজনৰ এটা ম'বাইল চুৰি কৰি নিয়ে। উক্ত ম'বাইলটো দেৱজিৎ কৰ্মকাৰৰ বন্ধু কাৰ্তিক গড় নামৰ যুৱকজনে নিয়া বুলি সন্দেহ কৰে। তাৰ পাছতেই দেৱজিতৰ ম'বাইল চুৰি কৰাৰ বাবে আন তিনি বন্ধু দ্বীপ উইদাৰ্চ, দেবাৰু ভূঞা আৰু ৰুহিত তাঁতীয়ে কাৰ্তিকক উপৰ্যপৰি প্ৰহাৰ কৰি মুমূৰ্ষু অৱস্থাত পেলাই থৈ যায়। ঘটনাৰ পাছতে পৰিয়ালৰ লোকে কাৰ্তিকক উদ্ধাৰ কৰি গোলাঘাটৰ ছহিদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে। গোলাঘাটৰ পৰা চিকিৎসকে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ উন্নত চিকিৎসাৰ ছয় পৃষ্ঠাত চাওক

# গোসাঁইগাঁৱত বজ্ৰপাতত কে'বাটাও পশুধনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ১ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ এক নম্বৰ চেকাদানী (কাশিমাৰী) গাঁৱত আজি পুৱা বজ্ৰপাতত এটা পৰিয়ালৰ কে'বাটাও পশুধনৰ মৃত্যু হয়। এক নম্বৰ চেকাদানী (কাশিমাৰী) গাঁৱৰ বাসিন্দা কাৰ টুডুৰ ছটা গৰু আৰু দুটা ছাগলীৰ বজ্ৰপাতত মৃত্যু হোৱাৰ লগতে দুটা গৰু আৰু দুটা ছাগলী আঘাতপ্ৰাপ্ত হয়। পুৱা পাঁচমান বজাত প্ৰচণ্ড বৰষুণৰ মাজত সংঘটিত বজ্ৰপাতত উক্ত পশুধনসমূহৰ মৃত্যু হয়। গৰুৰে হাল বাই আৰু গাখীৰ বিক্ৰী কৰি পৰিয়ালৰ পোহপাল দিয়া পৰিয়ালটোৰ পশুধনৰ মৃত্যু হোৱাত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে।

# মোৰাঝাৰত সন্ধানহীন যুৱকৰ মৃতদেহ মাটিত পুতি থোৱা অৱস্থাত উদ্ধাৰ ঃ তিনিজনক আটক



অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ১ জুলাই ঃ** যোৱা চাৰিদিন ধৰি সন্ধানহীন হৈ থকা হোজাই জিলাৰ মোৰাঝাৰৰ এজন যুৱকৰ মৃতদেহ আজি পুৱা মাটিত পুতি থোৱা অৱস্থাত উদ্ধাৰ হয়। উদ্ধাৰ হোৱা মৃতদেহটো দীঘলজাৰ গাঁৱৰ ছাইদুল ইছলাম (২৬) বুলি পৰিয়ালৰ লোকে চিনাক্ত কৰিছে। ঘটনাৰ বিৱৰণি অনুসৰি, যোৱা ২৭ জুনৰ নিশা ১১-৩০ মান বজাত মোৰাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত দীঘলজাৰ গাঁৱৰ বাসিন্দা ইউচুব আলীৰ পুত্ৰ ছাইদুল ইছলামলৈ এটা ফোন কল অহাত নিশা ঘৰৰ পৰা ওলাই গৈ সন্ধানহীন হৈ পৰে। পৰৱৰ্তী সময়ত পৰিয়ালৰ লোকে ফোনত যোগাযোগ চলাই ব্যৰ্থ হয়। পৰিয়ালৰ লোকে যুৱকজন সন্ধানহীন সন্দৰ্ভত মোৰাঝাৰ আৰক্ষী থানাত অভিযোগ দাখিল কৰাত আৰক্ষীয়ে তদন্ত চলাই আজি পুৱা বৰহাওৰ গাঁৱৰ মৃত মইনুলৰ ঘৰৰ চৌহদৰ এটা পুখুৰীৰ পাৰত মাটিত পুতি থোৱা অৱস্থাত যুৱকজনৰ মৃতদেহ উদ্ধাৰ কৰে। কি পৰিস্থিতিত ছয় পৃষ্ঠাত চাওক

# শিমলুগুৰি মণিপুৰী গাঁৱত গাঞ্জাসহ মহিলা আটক



অগ্ৰদূত বাৰ্তা

**শিমলুগুৰি, ১ জুলাই ঃ** ড্ৰাগছৰ সমান্তৰালকৈ এতিয়া অসমত বৃদ্ধি পাইছে গাঞ্জাৰ ব্যৱসায়। আজি নাজিৰা ছয় পৃষ্ঠাত চাওক

# ডিব্ৰুগড়ৰ বিশিষ্ট ব্যৱসায়ী নিৰুদ্দেশ

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১ জুলাই ঃ** ডিব্ৰুগড়ৰ এজন বিশিষ্ট ব্যৱসায়ী হঠাৎ ৰহস্যজনকভাৱে নিৰুদ্দেশ হোৱা ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ডিব্ৰুগড়ৰ কেপি ৰোডৰ ব্যৱসায়ী অমল পালৰ মটৰ চাইকেলখন নিশা বগীবিল দলঙৰ ওপৰত উদ্ধাৰ হোৱা ঘটনাক কেন্দ্ৰ কৰি তীব্ৰ উৎকণ্ঠাৰ সৃষ্টি হৈছে ডিব্ৰুগড়ত। ব্যৱসায়ীজনে বগীবিল দলঙৰ পৰা জপিয়াই আত্মহত্যাৰ সন্দেহ কৰা হৈছে। ইতিমধ্যে এনডিআৰএফ বাহিনীয়ে অভিযান আৰম্ভ কৰিছে। তথ্য মতে, ডিব্ৰুগড়ৰ কেপি ছয় পৃষ্ঠাত চাওক

COMMISSIONERATE OF TAXES, ASSAM
KAR BHAWAN, DISPUR, GUWAHATI-781006




DEALER/ PROPRIETOR/HOTELIER/ OWNER/TRANSPORTER/ASSESSEE

THE ASSAM TAXATION (Liquidation of Arrear Dues) (Amendment) Act, 2022 is Announced!

HURRY !!
TAKE THE OPPORTUNITY!
PAY ALL YOUR ARREAR DUES IN LUMPSUM!
AVAIL THE BENEFITS OF THE LIQUIDATION SCHEME

জনসংযোগ/চি/৬৬০৪/২২

✓ Eligibility Condition: A tax payer having outstanding dues for periods upto 31st March, 2021 but assessed on or before 31st December, 2021 under all Taxation Acts (excluding GST) is eligible under the Scheme.
✓ Two windows are offered for clearing the outstanding dues:

| Arrear Dues | 1st Window Upto 31st July, 2022 | 2nd Window Upto 30th Sept. 2022 |
|---|---|---|
| Arrear dues consisting of Tax, Interest and penalty | On Payment of **100%** of arrear tax, **10%** of arrear interest and **0%** of penalty | On Payment of **100%** of arrear tax, **25%** of arrear interest and **0%** of penalty |
| Arrear dues consisting of Interest and Penalty | On Payment of **25%** of the interest and **0%** of penalty | On Payment of **50%** of the interest and **0%** penalty |
| Arrear Dues consisting of only Penalty | On Payment of **40%** of the arrear penalty | On Payment of **50%** of the arrear penalty |

TAXPAYERS WILLING TO AVAIL THE BENEFITS NEED TO APPLY IN FORM-I IN RESPECTIVE JURISDICTION OFFICE IMMEDIATELY.

For further information, visit your nearest Sales Tax Office or visit
www.tax.assam.gov.in

Commissioner of Taxes, Assam
Dispur, Guwahati

CLEAR YOUR ARREAR DUES AND STAY IN PEACE!

**মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ সংবাদমেল**

# স্নাতক মহলাৰ বাবে ডিজিটেল ফৰেনছিক এণ্ড চাইবাৰ ছিকিউৰিটী পাঠ্যক্ৰম আৰম্ভ



বিশেষ সংবাদদাতা

**নগাঁও, ১ জুলাই ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ে শিক্ষাৰ্থীৰ প্ৰয়োজনসমূহ পূৰণ কৰিব পৰাকৈ নতুন শৈক্ষিক বৰ্ষৰে পৰা নতুন নতুন বিষয় সংযোজন কৰিবলৈ প্ৰস্তুত হৈছে। আজি বিশ্ববিদ্যালয়ৰ নগাঁও কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এক সংবাদমেলত এই কথা সদৰী কৰে উপাচাৰ্য মৃদুল হাজৰিকাই। নতুনকৈ সংযোজিত হ'বলগীয়া নতুন বিষয়সমূহৰ বিষয়ে অৱগত কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হাজৰিকাই কয়, ' বিশ্ববিদ্যালয়খনে নতুনকৈ স্নাতক মহলাৰ বাবে ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২ জুলাই শনিবাৰ, ২০২২ পৃষ্ঠা ৫



# জিকিৰ আৰু নামৰ সাৰাংশ একেই

## নামৰ দৰে জিকিৰে একেই বাণীকে বিলাইছে

**ছাইফুল হুছেইন বৰা**

**সহজ**-সৰল অসমীয়া ভাষাৰ জতুৱা ঠাঁচত ৰচনা কৰা জিকিৰসমূহত প্ৰতিফলিত হৈছে ইছলাম ধৰ্মৰ দাৰ্শনিক তত্ব। জিকিৰসমূহত আমি এক মুকলি সুৰৰ উদাৰ মনোভাৱ দেখো। সাইলাখ বংগৰ বাউল গীতৰ দৰে। এই উদাৰত সম্ভৱতঃ বৈচিত্ৰময় ভাৰতীয় সংস্কৃতিৰ পৰা আহিছে। জিকিৰ-জাৰীৰ ব্যাপক জনসমাদৰৰ কাৰণ হ'ল ইয়াক 'হুঁচৰি' গোৱাৰ দৰে হাত চাপৰি বজাই ঘূৰি-ঘূৰি, নাচি-নাচি গোৱা হয়। জাৰীবোৰত কেৱল কাৰবালাৰ কৰুণ কাহিনীহে প্ৰকাশ কৰা হয়। জিকিৰবিলাকৰ সুৰ, তাল আৰু মানবোৰ হৰিনাম আৰু দেহবিচাৰৰ স্থানীয় লোকগীতবিলাকৰ সৈতে।

জিকিৰ অসমীয়া সংস্কৃতিৰ ঐতিহ্য সম্পদ। বিভিন্ন ভাষা-সংস্কৃতি, ধৰ্ম-বৰ্ণ-তথা জাতি-জনগোষ্ঠীৰে গঠিত অসমীয়া বাৰে-ৰহনীয়া সংস্কৃতিলৈ অলেখ অৱদান আছে 'জিৰি-জাৰী'ৰ।

উজনি অসমৰ মুছলমান গাঁওবিলাকৰ বিয়া, ভোজ আদিত জিকিৰ গোৱাৰ প্ৰচলন আছে। এজন ওজাই জিকিৰ লগাই দিয়ে, পালিসকলে তেওঁৰ চাৰিওফালে ঘূৰি-ঘূৰি গায়। নামৰ শেষত চিনি বা চিন্নী (ফাৰ্চী শীৰণী) খায়। এয়া যেনিবা মহাপুৰুষীয়া ধৰ্মৰ নাম-প্ৰসংগৰ অন্তত 'মাহ-প্ৰসাদ' খোৱাহে।

অসমৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলে বিশেষকৈ উজনি অসমৰ খিলঞ্জীয়া মুছলমানসকলে যোৱা তিনিশ বছৰজুৰি এই গীতসমূহ কণ্ঠস্থ কৰি ৰাখিছে। এইবিলাকৰ ৰচয়িতা হিচাপে পোৱা 'আজান পীৰ' বা 'আজান ফকীৰ'ৰ নাম জড়িত হৈ আহিছে। এইগৰাকী ফকীৰৰ আচল নাম আছিল শ্বাহ মিলন বা চাহ মীৰান। ৰজা স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনত ৰাজধানী গড়গাঁৱৰ ওচৰৰ চুণপোৰা গাঁৱত এইজনা পীৰে বসতি কৰে। সেই ঠাইত পূৰ্বৰেই পৰা কিছুসংখ্যক মুছলমান লোকে বসবাস কৰি আহিছিল যদিও শ্বাহ মিৰান আৰু সংগীসকলে তাত সমূহীয়াভাৱে নামাজ পঢ়াৰ কোনো ব্যৱস্থা নেদেখি চুণপোৰাত এটি মছজিদ সজালে। চুণপোৰাত ইছলামী আদৰ্শ অনুসৰণকাৰী এদল সৰল ভকতক লগত লৈ আজান ফকীৰে নিজেই জিকিৰ গীত ৰচনা কৰি সুৰ দি গাই ইছলাম ধৰ্মৰ সাৰমৰ্ম বিলাইছিল। তেওঁ নিজে সুকণ্ঠী গায়ক আৰু কবি আছিল। তেওঁ আৰবী, ফাৰ্চী ভাষাৰ অগাধ পণ্ডিত আছিল।

সিদ্ধপুৰুষ, চুফীসন্ত এইজনা ধৰ্মগুৰু বা পীৰগক অসমৰ জনগণৰ মাজত মিলা-প্ৰীতি আৰু সংহতিৰ লাইখুটা বুলি ধৰিব পাৰি। শ্ৰীমন্ত শংকৰদেৱে ধৰ্ম আৰু সংস্কৃতিৰ যোগেদি হিন্দুধৰ্মৰ পৰা শাখা-প্ৰশাখাবোৰৰ মাজত মিলা-প্ৰীতি আৰু সংহতি গঢ়ি তুলি অসমৰ হিন্দু সমাজখনক বৈষ্ণৱ ধৰ্মৰ মূল সুঁতিৰ লগত মিলাই এখন অসমীয়া হিন্দু সমাজ গঢ়ি থৈ গ'ল। ঠিক সেই একেদৰেই আজান ফকীৰে ইছলাম ধৰ্মৰ ধ্যান-ধাৰণাবিলাক অসমৰ সংস্কৃতি আৰু ৰীতি-নীতিৰ লগত মিলাই লৈ হিন্দু আৰু মুছলমান দুয়োটা সম্প্ৰদায়কে নিচেই ওচৰ চপাই আনিলে। দুয়োটা সম্প্ৰদায়ৰ মাজত মিলা-প্ৰীতি গঢ়ি উঠাত অসমীয়া সমাজখনত ধৰ্মীয় সহনশীলতা কটকটীয়া হৈ পৰিল। ভাৰতৰ কোনো এখন ৰাজ্যতে এনে আদৰ্শ দেখিবলৈ পোৱা নাযায়। তদুপৰি জিকিৰবিলাকত তেওঁ ধৰ্মশাস্ত্ৰবোৰৰ জটিল শব্দবিলাকৰ পৰিৱৰ্তে সৰ্বসাধাৰণ লোকৰ কথিত ভাষাৰ শব্দবোৰকে প্ৰয়োগ কৰি আৰু এচাপ জনসাধাৰণৰ ওচৰ চাপি গ'ল।

১৬৮১ চনত গদাধৰ সিংহ ৰাজপাটত বহিল। তেওঁৰ দিনতে আহোম আৰু মোগলৰ শেষ যুদ্ধখন লাগে। এনে কাৰণতেই অভিযানকাৰী মুছলমানসকলৰ বিৰুদ্ধে নিজৰ দেশ ৰক্ষাৰ কাৰণে অনবৰতে যুঁজ দি থাকিবলগীয়া আহোমসকলৰ মুছলমানৰ লগত সম্পৰ্ক বৰ সৌহাৰ্যপূৰ্ণ নাছিল। সেই সুযোগকে গ্ৰহণ কৰি ৰূপাই দাধৰাই ব্যক্তিগত আক্ৰোশ পূৰাবলৈ গড়গাঁৱলৈ গৈ আজান ফকীৰৰ বিৰুদ্ধে ৰজাঘৰত গোচৰ দিলেগৈ - 'আজান ফকীৰ মোগল সম্ৰাটৰ গুপ্তচৰ'। ৰজাক ৰূপায়ে বাৰে বাৰে অভিযোগ কৰাত ৰজাই আজান ফকীৰৰ চকু দুটা কঢ়াৰ আদেশ দিলে। এজন বৃদ্ধ কবি, চুফী সাধক, একান্ত ধৰ্ম প্ৰচাৰকৰ চকু দুটা কঢ়া হ'ল। দৃষ্টিশক্তি হেৰুৱাই মনৰ বেজাৰত আজান চাহেবে চুণপোৰা গড়গাঁও এৰি স'ৰাগুৰি লৈ গুচি গ'ল। তাতে তেওঁ এটা মছজিদ সজাই লৈ জীৱনৰ বাকী কালছোৱা ধৰ্মীয় কামত ব্যস্ত হৈ পৰিছিল। জনশ্ৰুতি তথা লোকবিশ্বাস মতে ৰূপাই দাধৰাই চকু কঢ়াৰ লগে লগে দিখৌ নৈ উভতি ব'বলৈ ধৰে। জিকিৰত এই কথা পোৱা যায়। আহোম ৰাজধানীক সাক্ষী কৰি আজিও দিখৌ নৈ উলটি বৈ আছে। অৱশেষত ৰজাই আজান ফকীৰৰ নিৰ্দোষিতা তথা মাহাত্ম্যৰ কথা বুজিব পাৰিছিল। সেয়েহে আজান ফকীৰৰ বাকীছোৱা কাল স'ৰাগুৰি চাপৰিত মঠ সজাই দিন কটাবলৈ সহযোগিতা কৰিছিল। জিকিৰত পোৱা যায় -

> 'স'ৰাগুৰি চাপৰি দিখৌ নৈ কাষৰি
> ৰজাই ৰজাই দিলে মঠ
> চকুৰি ভকতে লয় আল্লাৰ নাম
> মাদুৰী বনৰে কঠ।'

স'ৰাগুৰি চাপৰিত এজোপা স'ৰাগছৰ তলত আজান ফকীৰে ভকতসকলক লৈ 'জিকিৰ' কৰি দিন অতিবাহিত কৰিছিল। ইয়াতেই গুৰুজনাই 'জিকিৰ-জাৰী' গীতসমূহ ৰচনা কৰিছিল। ছকুৰি ভকতক লৈ আজান ফকীৰে ব্ৰহ্মপুত্ৰ আৰু দিখৌৰ সংগমস্থলত এটা পৱিত্ৰ ধৰ্মীয় পৰিৱেশ গঢ়ি তুলিছিল। জিকিৰত আছে - 'চাহাব যায় আগতে ভকত যায় পাছতে'।

এনেকৈয়ে কেইবছৰমান স'ৰাগুৰি চাপৰিত থকাৰ পাছত ১২০ বছৰ বয়সত এইজন চুফী সাধক-গায়ক, কবিৰ মৃত্যু হৈছিল। এনেদৰে বৈচিত্ৰ্যময়, সংঘাতপূৰ্ণ, কৰ্মবহুল, অসমীয়া সংস্কৃতি গঢ়োতা বৈশিষ্ট্যপূৰ্ণ জীৱনৰ অন্ত পৰিছিল। আজান ফকীৰে আৰবী ভাষাৰ উপৰি ফাৰ্চী, উৰ্দু ভাষাও জানিছিল আৰু অসমলৈ আহি ইয়াতেই থাকিবলৈ লৈ অসমীয়া ভাষাক নিজৰ কৰি লৈছিল। অসমীয়া জতুৱা ঠাঁচ, উপমা, যোজনা ইয়াৰ প্ৰকাশ আৰু অভিব্যঞ্জনা নিজৰ কৰি লৈ তাৰে সৈতে তেওঁ ৰচনা কৰিছিল জিকিৰ গীত, যিবোৰৰ কথা আৰু সুৰৰ আবেদন আৰু মাধুৰ্যই চাৰে তিনিশ বছৰৰো অধিক অসমীয়া সমাজ এই ঐতিহ্য সম্পদেৰে চহকী কৰি ৰাখিছে।

আজান ফকীৰে আঠকুৰি জিকিৰ গীত ৰচনা কৰিছিল বুলি জনা যায়।

> 'শংকৰে সাজিলে চোৱা মিলনৰ তৰী
> আজানে গাঁথিলে চোৱা সম্প্ৰীতিৰ জৰী
> হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান।
> এই গানে একে সুৰে বান্ধে আমাৰ মন।'

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ আৰ্হিৰে আজান ফকীৰে ৰচনা কৰা জিকিৰসমূহত অসমত হিন্দু-মুছলমানৰ সাতামপুৰুষীয়া ঐক্য-সম্প্ৰীতিৰ গোন্ধ নিহিত আছে। ইছলাম ধৰ্ম প্ৰচাৰৰ উপৰি আজান ফকীৰে জিকিৰৰ যোগেদি হিন্দু-মুছলমানক একত্ৰিত কৰি ৰাখিবলৈ নিৰন্তৰ প্ৰচেষ্টা চলাইছিল। আজান ফকীৰৰ গৰিষ্ঠসংখ্যক জিকিৰত যিদৰে বৰগীত-লোকগীত, দেহবিচাৰ গীতৰ তত্বকথা লুকাই আছে, ঠিক তেনেদৰে লুকাই আছে মহান সম্প্ৰীতিৰ কথা। জিকিৰ গীতসমূহ তিনি ভাগত বিভক্ত—

১। দেহবিচাৰ গীত
২। ধৰ্মীয় তত্বকথা
৩। গুৰু চৰিত

চুফী দৰ্শন সদায়েই উদাৰবাদী আৰু নিৰ্দিষ্ট ধৰ্মৰ নিৰ্দেশৰ পৰা মুক্ত। আজান পীৰে প্ৰচাৰ কৰা ইছলাম ধৰ্মৰ দাৰ্শনিক তত্বতো ইয়াৰ নিদৰ্শন দেখিবলৈ পোৱা যায়। ঈশোপনিষদত কৈছে - 'ঈশা ব্যাসমিদং সৰ্বং যৎকিঞ্চি জগত্যাং জগৎ' অৰ্থাৎ গতিশীল বিশ্বৰ সকলো চলমান বস্তুৰেই অন্তৰত ঈশ্বৰৰ আবাস। বেদ, উপনিষদ, পুৰাণ অধ্যয়ন কৰি তাৰ সাৰমৰ্ম প্ৰচাৰ কৰা শংকৰদেৱৰ ৰচনাত সেয়েহে পোৱা যায় - 'ঈশ স্বৰূপে হৰি সম ঘটে বৈঠহ'। তাকে জিকিৰত হৈছে - 'হক হওক সুৰৰ গায়, চাৰিও পবনৰ খেলা তললৈ মুকৈ চোৱা মন কৰি, সবাৰো ঘটে ঘটে আল্লা'।

জিকিৰ গীতসমূহৰ বিষয়ে আলোচনা কৰিবলৈ গৈ মহেশ্বৰ নেওগে লিখিছে - 'অসমৰ ভক্তিধৰ্মৰ লগত আজান ফকীৰৰ প্ৰৱৰ্তিত পন্থাৰ বহুতো সাদৃশ্য দেখিবলৈ পোৱা যায়। এক ঈশ্বৰ বিশ্বাস, সকলো জীৱতে ঈশ্বৰ বুদ্ধি, নীতি সদাচাৰ আদি ধৰ্মৰ মিল'। সাহিত্যাচাৰ্য চৈয়দ আব্দুল মালিকে আৰু এখোজ আগবাঢ়ি গৈ লিখিছে - 'বৈষ্ণৱ কাব্যই যিদৰে গীতা, ভাগৱত, পুৰাণ আদিৰ পৰিচয় দাঙি ধৰিছে আৰু তাৰ যোগেদি অসমীয়া বৈষ্ণৱ সমাজ তথা ভাৰতীয় জীৱনক নতুন ভিত্তিত গঢ়ি তুলিলে, সেইদৰে সেই ৰচনাবোৰেও অসমীয়া মুছলমান সমাজক ইছলামীয় দৰ্শন, কোৰান, হদিছ, কাব্য আদিৰ বিষয়ে সহজ পৰিচয়ৰ সুযোগ কৰি দিলে। গীতবোৰৰ ভাষা, ছন্দ, উপমা, প্ৰকাশভংগী আৰু সুৰ, অসমীয়া, আনকি আৰৱী, ফাৰ্চী, আদি শব্দকো অসমীয়া কৰি পেলোৱাৰ সাহস ৰচকসকলৰ আছিল। সেয়েহে জিকিৰবিলাকক পুৰণি অসমত বাস কৰা হিন্দু-মুছলমানৰ সাংস্কৃতিক সমন্বয়ৰ ফুলাম চানেকি বুলি ক'লে বঢ়াই কোৱা নহ'ব। জিকিৰতো আছে -

> 'আল্লাৰ এক অময়া মাধুৰী চেপিলে বৈ যায় ৰস।
> দিলৰ কোৰাণত ল'ব বিচৰা তালৈ নকৰি সন্দেহ।
> দুনীয়াত আছে দুই বেশে, মুৰ্শীদে বুজাব তোক'।

চুফীসকলৰ প্ৰেমানুভূতি আৰু প্ৰেম বৈচিত্ৰ্যৰ লগত বৈষ্ণৱ প্ৰেমানুভূতিৰ সামঞ্জস্য বিদ্যমান। চুফী সাধনা মূলতঃ প্ৰেমৰেই সাধনাস্ল অৰ্থাৎ তেওঁলোকৰ দৃষ্টিত আল্লাহ 'মাশ্বুক' (প্ৰেমাস্পদ) আৰু বান্দা (ভক্ত) হ'ল 'আশ্বিক' (প্ৰেমিক) আৰু দুয়োৰে সম্পৰ্ক স্থাপিত হয় 'ঈশ্বক' (প্ৰেম)ৰ মাধ্যমেৰে।

হিন্দু ৰহস্যবাদ (Hindu Mysticism)ৰ অদ্বৈতবাদ (Mousim) আৰু বিশিষ্ট দ্বৈতবাদ (Qualified Mousim) চুফীসকলৰ 'ওৱাহাদাতু শ্বুহুদ' আৰু 'ওৱাহাজাতুল অজুদ'ৰ পৰ্যায়ৰ। মুছলমান চুফীসকলৰ কিছুমান 'স্বহুদীয়া'ত বিশ্বাসী। সেই বুলি চুফীসকলে ইয়াৰ বাবে ক্কুৰআন্ -হদিচৰ বাহিৰলৈ যোৱা নাই।

শংকৰদেৱে এক শৰণীয়া নামধৰ্ম প্ৰচাৰ কৰিছিল। তেৰাই নিজে ভাগৱতত ঘোষণা কৰিছিল -

> 'অন্য দেৱ-দেৱী নকৰিব সেৱ
> গৃহ নাপাইবা তাৰ।
> মূৰ্তিকো নাচাইবা প্ৰসাদো নাখাইবা
> ভক্তি হৈব ব্যভিচাৰ।'

পৌত্তলিকা বিৰোধী একেশ্বৰবাদী ইছলাম ধৰ্মৰ সৈতে বৈষ্ণৱ ধৰ্মৰ মিলো এইখিনিতে। ইছলাম ধৰ্মৰ মূলমন্ত্ৰ 'লাইলাহা ইলাল্লাহু' (আল্লা মহান, তেওঁৰ অবিহনে দ্বিতীয় প্ৰভু নাই)ক বৈষ্ণৱ ধৰ্মৰ সাৰ কথা 'এক দেৱ, এক সেৱ, একত বিনে নাই কেৱ'ৰ ৰিজনি পোৱা যায়। শংকৰদেৱৰ কীৰ্তন ঘোষাৰ আৰ্হিত আজান পীৰ (ৰঃ) চাহাবে জিকিৰ-জাৰীৰ মাজেৰে ইছলামী শিক্ষা আৰু তত্বজ্ঞানৰ প্ৰচাৰ কৰিছিল। তেওঁ অসমলৈ আহি অসমীয়া ভাষা-সংস্কৃতি আৰু সমসাময়িক সমাজৰ বিভিন্ন দিশ অধ্যয়ন কৰাৰ লগতে অসমীয়া ছোৱালীও বিয়া কৰাইছিল। প্ৰসংগক্ৰমে উনুকিয়াব পাৰি যে তেওঁৰ তিনিজন পুত্ৰ আৰু এগৰাকী কন্যা আছিল।

আজান চাহাবে অসমীয়া, আৰবী, ফাৰ্চী, উৰ্দু ভাষাৰ সংমিশ্ৰণ ঘটাই জিকিৰ গীত ৰচনা কৰিছিল যদিও অসমীয়া ভাষাৰ জতুৱা ঠাঁচ বোলা কথাটোৰ বিসংগতি লক্ষ্য কৰা নাযায়। নিভাঁজ আৰু শুদ্ধ ভাষাৰে তেওঁ লিখিছিল -

> 'ম'মিনে ম'মিনে চেনেহা-চেনেহী
> চকুৰে চকুৰে বেথা
> নপঢ়া ফকৰে ধৰিছে
> আদি কলমেৰ কথা।'

জিকিৰত ফাৰ্চী কাব্যৰ প্ৰৱণতা নাই।

> 'দৈ মিঠা দুগ্ধ মিঠা আৰু মিঠা ননী।
> সবাতকৈ অধিক মিঠা মুৰছিদ মুখৰ বাণী।।'

আধ্যাত্মিক উৎকৰ্ষ সাধন কৰিবলৈ ধন, যশস্যা আৰু পা-পৰিয়াল, ইষ্ট-কুটুম্বক পৰিত্যাগ কৰি ল'লেও সি সাৰ্থক হয়। শংকৰদেৱে ইতিপূৰ্বে তেওঁৰ ঈৰ্ষণীয় তথা লোভনীয় শিৰোমণি ভূঞা পদবী আৰু আনুষংগিক বিষয়সমূহ পৰিত্যাগ কৰিবলৈ লৈছিল। তেওঁৰ পৰিয়ালৰ প্ৰতিও আসক্তি নাছিল।

> 'নীতি ধৰণ, আচৰণ প্ৰৱৰ্তন
> মনেই মহন্তৰ সংগ,

বৈষ্ণৱ প্ৰভাৱ আজান চাহাবৰ লেখাত মূৰ্ত হৈ উঠিছে এনেদৰে - 'সন্তজনলৈ আশা মই কৰিছো, আশা নকৰিবা ভংগ'।

জগতৰ সুখ-দুখ, হৰ্ষ বিপদ নেওচি বিশ্ব নিয়ন্তাৰ ওচৰত আত্মসমৰ্পণ কৰিব পাৰিলেহে জীৱই মুক্তি পায়। তাকো বিচাৰিব লাগিব গুৰু বা পীৰৰ মাধ্যমেৰে।

বৈষ্ণৱ প্ৰভাৱ আজান চাহাবৰ জিকিৰিত মূৰ্ত হৈ উঠিছে-

> 'চিন্তো হেৰা মোৰ মন আল্লাহৰ নামত।
> ভজো হেৰা মোৰ মন গুৰুৰ পাৱত।।
> পানী মৰে পিয়াহত অগ্নি মৰে জাৰত।
> খোদা ৰছুল লুকাই আছে ম'মিনৰ আঁৰত।।'

শংকৰদেৱে বৰ্ণ ব্যৱস্থা, জাত-কুল, স্পৃশ্য-অস্পৃশ্যতাৰ মূলত আঘাত হানি শান্তি আৰু সম্প্ৰীতিৰ বাণী প্ৰচাৰ কৰিছিল। গুৰুজনাৰ নামধৰ্মৰ ধাৰত আজান চাহেবেও জিকিৰ গীত ৰচিছিল—

> 'কেৱল নাম, কেৱল নাম, কেৱল নামেই সাৰ।
> দুচকু মুদিলে বান্দাৰ দিনতে আন্ধাৰ
> কিছু নাই, কিছু নাই সাৰ।
> কেঁকোৰাৰ মাটি যেনে কুমাৰ ব্যৱহাৰ।'

এজন হিন্দুৰ বাবে গংগাজল যেনে পৱিত্ৰ, আল্লাৰ নামো এগৰাকী মুছলমানৰ মনত তেনে পৱিত্ৰ। আজান চাহাবে এটা জিকিৰৰ মাজত তাকেই দোহাৰিছে -

> 'নামে গংগাজল, ল'বলৈ কোমল, বৈ আছে হৃদয়ৰ মাজে।'

লোকগীত, দেহবিচাৰ গীত, শংকৰদেৱ,মাধৱদেৱ বিৰচিত বৰগীত আৰু আন আন বৈষ্ণৱ পদাৱলীৰ প্ৰতিধ্বনিও জিকিৰত শুনিবলৈ পোৱা যায়। যেনে—

শংকৰদেৱে লিখিছে— 'অথিৰ ধন জন জীৱন যৌৱন অথিৰ এহু সংসাৰ পুত্ৰ পৰিবাৰ সবহি অসাৰ কৰবো কাহেৰি সাৰ।' আজান ফকীৰে লিখিছে - 'ধন জন পুত্ৰ ভাৰ্যা সবে অকাৰণ মায়ামুঠে বেঢ়ি আছে মায়াৰ কাৰণ।'

মাধৱদেৱ বিচৰিত বৰগীতত এনেদৰে কৈছে - 'হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে প্ৰেম অমৃতৰ নদী শ্ৰীমন্ত শংকৰে পাৰ ভাঙি দিলা বহে ব্ৰহ্মাণ্ডক ভেদি।' জিকিৰত পোৱা যায় - 'বগৰী লাগিলে লৰনে লৰনে মাণিক লাগি গ'লে ঠোক আজান ফকীৰে এই জিকিৰ বনালে গায় বেঢ়ি ভকত লোক।'

আকৌ মাধৱদেৱে নামঘোষাত উল্লেখ কৰিছে— 'তুমি ভক্ত কল্পতৰু, বাহিৰে-ভিতৰে গুৰু, তুমি বিনে নাহি মোৰ আৰ, কৃপা কৰা হে হৰি, চৰণত ৰক্ষা কৰি, দিয়া মোক সেৱা ৰস সাৰ।' আজান ফকীৰে জিকিৰত তাকে কৈছে - মঠিয়া মাটি কলিমা পালো সাৰ আল্লাৰ বিনে যতেক দেখো সবে আন্ধাৰ।'

থলুৱা লোকগীত ঃ 'একেখনি দুৱাৰত নটি দুৱৰী ইকুলো নাপালো সিকুলো নাপালো মৎস্য মাৰিবাৰ অনেক যতন জীউক মাৰিব অনেক যতন।'

জিকিৰ ঃ 'দহখন দুৱাৰত দহেটি দুৱৰী। ইপাৰো নাপালো সিপাৰো নাপালো মাছক ধৰিবৰ অনেকটি যতন।'

আকৌ জিকিৰত একেশ্বৰবাদ সম্পৰ্কে কৈছে - 'ব্ৰহ্ম নামে যিখন থাকে লক্ষ্য নাম তাতে খাটে নামৰ পৰি খাটে ক'তো ব্ৰহ্মৰামে নামৰ গুৰি হৃদয়ৰ মাত্ৰে জুৰি ত্ৰি পানী অজুৰ ঘাট প্ৰাণৰ মুকুতি তাত।'

> 'আল্লা ব্ৰহ্ম মাৰলিটি মাজে চাৰি খুটা।
> বিনা গাঁঠে ৰাখি থৈছে ব্ৰহ্ম নামৰ জঁটা।।'

জিকিৰ গীতসমূহত উল্লেখ হোৱা কোনো বিষয় সূক্ষ্ম দাৰ্শনিক দৃষ্টিকোণৰ পৰা চালে শাস্ত্ৰীয় ইছলামীয় পন্থাৰ লগত কিছু অসামঞ্জস্যও দেখা যায়। ইছলামৰ ধৰ্মৰ মতে মানুহৰ জীৱন এটাই। এই সংসাৰ মিথ্যা বা মায়া নহয়।

মানুহে নিজৰ কৃতকৰ্মৰ বাবে মৰণোত্তৰ (কিয়ামত) ফল ভোগ কৰে। সেয়ে হ'লেও পূৰ্বজন্মৰ বা পৰজমত ইছলামৰ বিশ্বাস নাই। কিন্তু সংসাৰৰ দায়-দায়িত্ব পালন কৰিবলৈ গৈ যাতে সৰ্বশক্তিমান আৰু কৰুণাময় আল্লাহক পাহৰি নাযায় নাইবা নবীসকলে নিৰ্দিষ্ট কৰি দিয়া বাট এৰি অবাটে নচলে - ইছলামীয় আধ্যাত্মিকতাই এই শিক্ষাহে দিয়ে। ইয়াৰ বিপৰীতে সনাতনী হিন্দু ধৰ্ম মতে সৃষ্টিকৰ্তাৰ দ্বাৰা সৃষ্ট বন্দী। মানুহ পৰমাত্মাৰ অংশ কাৰণ মানুহৰ ভিতৰত 'আত্মা' ৰূপত পৰমাত্মাৰ স্ফূৰণ ঘটে। পৰমাত্মাৰ স্বৰূপ আধ্যাত্মবাদৰ মূল শিক্ষা। এই আধ্যাত্মবাদত ইহজগতৰ তাৎপৰ্য কম। সেয়েহে দেহবিচাৰ গীতসমূহত আমি জীৱন আৰু জগতৰ প্ৰতি এক নেতিবাচক দৃষ্টিভংগী লক্ষ্য কৰো। কোনো কোনো জিকিৰত এনে মনোভংগীৰ প্ৰতিফলন ঘটাতো মন কৰিবলগীয়া। অৱশ্যে মানৱ জীৱন অদৃশ্য শক্তিৰ হাতৰ পুতলা, সংসাৰৰ নানা নিগ্ৰহৰ পৰা মুক্তি লভাৰ একমাত্ৰ উপায় হ'ল ঈশ্বৰ অভিব্যক্তি। হিন্দু-মুছলমান উভয়ৰে সৃষ্টিকৰ্তা আৰু সৃষ্ট আধ্যাত্মিকভাৱে বৈশিষ্ট্য। জিকিৰতো তাৰেই প্ৰাধান্য দেখা যায়। জিকিৰসমূহৰ পৰিৱেশন ৰীতিও বহু সময়ত বৈষ্ণৱ সংস্কৃতিৰ আনুষ্ঠানিকতাৰ লগত মিলে। জগত সত্তাৰ স্বৰূপ সম্পৰ্কে ইছলামীয় দৰ্শন আৰু হিন্দুৰ অদ্বৈতবাদ বেদান্তৰ মাজত বহু সাদৃশ্য বিদ্যমান। সেয়েহে ইছলামীয় সংস্কৃতি আৰু বৈষ্ণৱ সংস্কৃতি পৰস্পৰৰ সান্নিধ্যলৈ অহাৰ ফলস্বৰূপে হয়তো ইছলামৰ ধৰ্মীয় পৰম্পৰাৰ সুলভ নোহোৱা কোনো বিষয় ঠায়ে ঠায়ে জিকিৰত সোমাই পৰিছে।


ধৰ্মীয় উদাৰতা জিকিৰসমূহৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য। ইছলাম ধৰ্মত ধৰ্মীয় অনুশাসনসমূহ কঠোৰ আৰু অৱশ্যে পালনীয়। সেয়েহে এই ধৰ্মত আনুষ্ঠানিকতা আৰু ৰীতি-নীতিৰ প্ৰাধান্য নথকা সত্বেও এই ধৰণৰ বিশুদ্ধতাবাদী চিন্তাই গা কৰি উঠা দেখা যায়। জিকিৰসমূহত আমি কিছু এনে সংৰক্ষণবাদী মানসিকতাৰ পৰিৱৰ্তে এক মুকলি আৰু উদাৰ মনোভাৱ দেখো।

'বৰগীত'ৰ তুলনা কৰিব পৰা 'জিকিৰ'সমূহৰ ঘাইকৈ 'দেহবিচাৰ গীত' আৰু 'টোকাৰী গীত'ৰ লগত বিশেষ সামঞ্জস্য আছে। ইছলামৰ 'একেশ্বৰ ধৰ্ম' আৰু বৈষ্ণৱ সমাজত 'একশৰণ নামধৰ্ম'ৰ সাঁকোডাল অবিচ্ছিন্ন আৰু যাউতিযুগীয়া। দুয়োবিধ গীতৰ আধ্যাত্মিক ভাৱৰ সাঁকোডালেদি স্বৰ্গপ্ৰাপ্তি হয়।

*ফোন ঃ ৯১০১৬-২১৫১৪*


# প্ৰতিটো অকাট্য যুক্তিৰো সমিধান পোৱা নাযায়

**ৰীণা বিশ্বাস**



**আমাৰ** জীৱনটো বহুতো হয়-নহয়, উচিত-অনুচিত, ভাল-বেয়া, শুদ্ধ-অশুদ্ধ আদি বিচাৰেৰে ভৰা। প্ৰকৃততে এনেবোৰ অভীধাই আমাৰ জীৱনৰ কৰ্মৰাজিৰ শুদ্ধা-শুদ্ধ বিচাৰ কৰে বুলিও ক'ব পাৰি। আমি সচৰাচৰ দৈনন্দিন জীৱনত প্ৰাত্যহিকতা বজাই ৰাখিবলৈ যিবোৰ কাম কৰো সেইবোৰৰ বিচাৰৰ মাপকাঠিডাল পোনাই ৰাখিবলৈ এনে শব্দবোৰ ব্যৱহাৰ কৰা হয়। বহুত সময়ত কোনো এটা বস্তু বা বিষয়ৰ প্ৰতি প্ৰবল ইচ্ছা আৰু প্ৰচুৰ বাসনা থকা সত্বেও আমি যেতিয়া বস্তুটো নাপাওঁ বা বিষয়টো আয়ত্ত কৰিব নোৱাৰো, তেতিয়া নিজকে পতিয়ন নিয়াবলৈকে আমি ভাবো বা আমি মানি লওঁ যে, 'জীৱনত বিচাৰিলেই সকলো বস্তু পোৱা নাযায়।'। তাৰ ঠিক আগমুহূৰ্তত আমি সেই বিষয়টোৰ সপক্ষে আৰু বিপক্ষে অনেক যুক্তিৰ অৱতাৰণা কৰো। যদি হয়, কিয় হয়, যদি হোৱা নাই, কিয় হোৱা নাই আদি এনে যুক্তিবোৰ ফঁহিয়াই চাওঁতে যদি 'হয়' (yes)ৰ সপক্ষে যুক্তি সবল হয় আৰু নহয় (No)ৰ সপক্ষে যুক্তি দুৰ্বল হয় তেতিয়া আমি কিছু সময়ৰ বাবে নিজকে সান্ত্বনা দিবলৈ যত্ন কৰো, কিন্তু পাছ মুহূৰ্ততে আকৌ কিছুমান মধ্যম যুক্তিয়ে আমাৰ মূৰটোত খুন্দিয়াবলৈ ধৰে; আৰু তেতিয়াই কথাটোৱে আমাক আমনিও কৰিবলৈ ধৰে। আমি এই পথে নগৈ, আন এটা পথে যোৱা হ'লে বস্তুটো পালোহেঁতেন নেকি, আমি আগতেই এই পথ ধৰি কিয় নচলিলো আদি অনেক প্ৰশ্নই মনত জুমুৰি দি ধৰেহি। বিশেষকৈ মাজৰ যুক্তিটোৱেই আমাক ধৰাশায়ী কৰে আৰু আমি পুনঃ পুনঃ সেই বিষয়টোত সোমাই পৰো। লাভৰ মূৰত আমি বিষয়টোৰ পৰা আঁতৰি আহো চাৰি আৰু বেছিকৈহে বিষয়টোৰ গভীৰতাত সোমাই পৰো। এতিয়া কথা হ'ল, আমাৰ জীৱনত এনে যুক্তিবোৰে আমাৰ কৰ্মৰাজিৰ শুদ্ধা-শুদ্ধ বিচাৰ কৰি আমাক শুদ্ধ ধাৰণাত উপনীত হোৱাৰ ক্ষেত্ৰত সহায় কৰেনে? নে আমি নিজেই নিজৰ শিক্ষক হৈ জটিল সমস্যাবোৰ নিজে নিজেই সমাধান কৰো? বহুত ক্ষেত্ৰত দেখা যায় যে আমি সৰ কথা বুজিও একো নুবুজা হৈ যাওঁ। তদুপৰি বুজি পোৱা কথা বা বিষয়টো নিজে বিচৰাৰ দৰে নহ'লেও আমি শুদ্ধ বুলি বিবেচিত হোৱা বিষয়টোও মানি ল'বলৈ টান পাওঁ।

যেতিয়া আমি জীৱনৰ কিছুমান জটিল পৰিস্থিতিৰ সন্মুখীন হওঁ, আৰু আমাৰ মন নঃ যযৌ! নঃ তস্থৌ হয়, তেতিয়া আমি আমাৰ মগজুত অহৰহ উৎপন্ন হোৱা এনে কিছুমান যুক্তিৰ সন্মুখীন হওঁ, যাৰ এটা ফাল যোগাত্মক শুদ্ধ বিচাৰেৰে পৰিপূৰ্ণ হৈ থাকিলেও আমি নিজৰ সপক্ষে পৰিস্থিতিটো ঢাল খুৱাবলৈ 'চকু মুদা কুলিৰ' ভাও ল'বলগীয়া হয়। সেই যুক্তিৰ ফলাফল যদি সম্পূৰ্ণ বিজ্ঞানসন্মত আৰু সকলোৰে গ্ৰহণযোগ্যও হয়, তথাপি আমি পাকে-প্ৰকাৰে বিষয়টো নিজৰ মতেই কৰি ল'বলৈ এক দীঘলীয়া প্ৰচেষ্টা চলাওঁ। উদাহৰণ স্বৰূপে শোষণ, ভ্ৰষ্টাচাৰ আদি যিমান অনৈতিক কাম আমাৰ জীৱনত সংঘটিত হৈ থাকে সেইবোৰৰ মূল সোমাই থাকে এই কথাৰ মাজতেই। অৰ্থাৎ যিবোৰ কাম আৰু বিষয় একতকৈ অধিক মানুহৰ মংগলৰ বাবে নহয়, সেইবোৰ কামেই অনৈতিক। তদুপৰি যিবোৰ কামে সমাজৰ আন দহোজনকো প্ৰৰোচিত আৰু প্ৰলোভিত কৰিব পাৰে তেনেকুৱা কাম হয়তো ভ্ৰষ্টাচাৰ অথবা শোষণৰ ভিতৰতে পৰে। কিন্তু কৰ্তাই এনেবোৰ কাম সম্পূৰ্ণ নিজৰ খেয়াল-খুচি মতে আৰু সজ্ঞানে কৰিও এক বিন্দু সময়ৰ বাবেও মানি নলয় যে তেওঁৰ দ্বাৰা কৰা কামে আন দহোজনৰ ক্ষতি সাধন কৰিছে। অগত্যা অলপ সময়ৰ বাবে যদি তেওঁৰ বিবেকে তেওঁক সোঁৱৰায়ো দিয়ে যে তেওঁৰ দ্বাৰা কৰা কাম শুদ্ধ নহয়, তথাপি, 'কিয় শুদ্ধ নহয়, মই নকৰিলেও আনেও এনে কাম কৰিয়েই কিজানি অৰ্থ ঘটিলে হয়, মই নকৰিলেও এনে কাম সমাজৰ পৰা নাইকিয়া হৈ যাব নেকি, অতীজৰে পৰা এনে কাম হৈয়ে আছে - ময়েই নতুনকৈ কামটো আৰম্ভ কৰা নাই।' ইত্যাদি নানান সপক্ষীয় যুক্তি আনি নিজকে ভালৰো ভাল ঠাইত উপনীত কৰিবলৈ চেষ্টা কৰে। গতিকে দেখা যায় যে এনেকুৱা যুক্তিবোৰ সদায়েই সপক্ষীয় যুক্তি। বেয়া কাম কৰোতাগৰাকীয়ে যেতিয়া এনেকৈ সপক্ষীয় যুক্তিৰে নিজেই নিজৰ বিচাৰকৰ আসনত বহে তেতিয়া তেওঁৰ বাবে কোনটো ভাল, কোনটো বেয়া তাৰ কোনো অৰ্থ নাথাকে। তেতিয়াই অদূৰৰ পৰা প্ৰত্যক্ষ কৰি থকা ব্যক্তি এজনৰ বাবে এনে বেয়া কাম কৰোতাগৰাকীৰ বিপক্ষে সৃষ্টি হোৱা প্ৰতিটো অকাট্য যুক্তিৰ কোনো শুদ্ধ উত্তৰ নাথাকে। এনে অৱস্থাত সমাজত প্ৰতিটো উন্নয়নমূলক কামৰ কাৰ্যকৰণ আৰু শাসনৰ নামত চলি থকা ভ্ৰষ্টাচাৰ আৰু শোষণ ৰোধ কৰিব নোৱাৰি। বিশেষকৈ কৰ্তাই নিজেই যদি নিজৰ কৰ্মৰাজিৰ প্ৰতি সজাগ নহয়, অথবা তেওঁ কেনে বাট ধৰি নিজৰ কামত আগবাঢ়ি গৈছে সেই বিষয়ে সামান্যতমো লেখ-জোখ নাৰাখে, তেতিয়া তেওঁৰ স'তে থকা দ্বিতীয়জন সহযোগীয়ে তেওঁক বিপথে পৰিচালিত কৰিব পাৰে। হয়তো কৰ্তাজনে নিজেই তলকিব নোৱাৰে যে তেওঁৰ দ্বাৰা অশুদ্ধ কাম হৈ আছে। শেষত যেতিয়া এই কথা সৰ্বত্ৰে ৰৌজাল-বৌজাল হয় তেতিয়া বিভিন্ন দিশৰ পৰা নানা অকাট্য যুক্তিয়ে কৰ্তাক আগুৰি ধৰে। সেইবোৰ যুক্তি সহকাৰে বিভিন্ন প্ৰশ্নকৰ্তাই প্ৰশ্নবাণেৰে তেওঁক (কৰ্তাক) এনেদৰে থকা-সৰকা কৰে যে প্ৰতিটো প্ৰশ্ন সম্বলিত যুক্তি খণ্ডন কৰোতে কৰোতে হয়তো তেওঁৰ জীৱনৰ বাকীছোৱা সময়ো পাৰ হৈ যায় আৰু সেই অকাট্য যুক্তিৰ প্ৰশ্নবাণ বুকুৰ এচুকত সাবটিয়েই তেওঁ পৃথিৱীৰ পৰা মেলানি মাগে। এই যে আমি টিভি, বাতৰি কাকত আদিত দৈনন্দিন প্ৰকাশ পোৱা বিভিন্ন মানুহৰ আত্মঘাতী হোৱাৰ বাতৰি পাওঁ, তাৰ আঁৰতো কিজানি বহুতো অকাট্য যুক্তি থাকে, যাৰ উত্তৰ আত্মহনন কৰা জনে বিচাৰি বিচাৰি হাবাথুৰি খাই অৱশেষত জীৱন নাশৰ চূড়ান্ত সিদ্ধান্তটো গ্ৰহণ কৰি পেলায়।



যুক্তি সবল আৰু অকাট্য হ'লেও সি প্ৰতিজন মানুহৰ বাবে গ্ৰহণযোগ্য নহ'বও পাৰে। ধৰি লওক আপুনি আৰু মই গছ-গছনি, ফুল আদি ভাল পাওঁ। আপোনাৰ পদূলিত ৰঙা কৃষ্ণচূড়া জোপা দেখি, আপোনাৰ চোতালত নানাৰঙী ফুলবোৰ ফুলি জকমকাই থকা দেখি ময়ো এজোপা কৃষ্ণচূড়া মোৰ পদূলিত ৰুলো। সন্মুখৰ প্ৰতিবেশীজনৰ এগৰাল ছাগলীৰ ভিতৰত উদণ্ড ছাগলী জনীয়ে বাঁহেৰে দিয়া বেৰ ভাঙি লহপহকৈ বাঢ়ি আহিবলৈ ধৰা মোৰ কৃষ্ণচূড়াৰ পুলিটো ঠাৰিয়ে-পাতে স'তে খাই খাস্তাং কৰিলে। খং আৰু দুখ মিশ্ৰিত ভাবেৰে যেতিয়া মই ছাগলীৰগৰাকী মোৰ প্ৰতিবেশীজনক অভিযোগ দিবলৈ যাম, প্ৰথমে তেওঁ সেই কথা মানি ল'বই নিবিচাৰিব। দ্বিতীয়তে, চুবুৰিটোত কেৱল তেওঁৰেই যে ছাগলী নাই, আনৰো আছে, সেই কথাৰে এনেকৈ নানা যুক্তি দিবলৈ আৰম্ভ কৰিব যে -- তেওঁৰ উদণ্ডীয়া ছাগলীটোৱে নহয় বৰঞ্চ আন এঘৰৰ ছাগলীয়েহে মোৰ গছজোপা নষ্ট কৰিছে। আত্মপক্ষ সমৰ্থনত যুক্তি দিবলৈ যাওঁতে প্ৰতিবেশীজনে হয়তো পাহৰিয়েই যাব যে সদায় ৰাতিপুৱা শুই উঠাৰ পৰা ক'ৰবালৈ ওলাওতে, সোমাওতে আমি মুখামুখি হওঁ আৰু ভৱিষ্যতলৈয়ো হৈ থাকিব লাগিব। গতিকে ভুলটো বাৰু তেওঁ নহয় তেওঁৰ ছাগলীটোৱেহে কৰিছে, তথাপি তেওঁৰ যুক্তিত উদণ্ড উদণ্ডীয়া হ'লেও তেওঁৰ ছাগলীজনীতকৈ আপদে-বিপদে তেওঁৰ প্ৰয়োজন হ'ব পৰা প্ৰতিবেশীজন কোনো গুণেই ডাঙৰ হ'ব নোৱাৰে। এইদৰেই যুক্তি যেতিয়া নিজৰ বুকুত পৰে তেতিয়া মিছাটোও সঁচা হয় আৰু জন্তুৰ তুলনাত মানুহো নগণ্য হৈ পৰে।

বৰ্তমান সমাজত এনেকুৱা বহুত বিষয়ত আমি সাধাৰণ ৰাইজে সৰ কথা বুজিও নুবুজাৰ ভাও ধৰি থকাৰ ব্যতিৰেকে আন উপায় নাই। বানপানী আহিল, চাৰিওফালে হুৱাদুৱা লাগিল। নিউজ চেনেল, বাতৰি কাকতৰ বাতৰি পৰিবেশনত উথপথপ লাগিল। 'লাখৰ ঘৰত মানুহ বানপানীত গৃহহাৰা হৈছে। ঘৰৰ লাম-লাকটু বাঢ়নী পানীৰ সোঁতত উটি গৈছে, বন্যাৰ্তসকল ঘৰৰ মূধচ অথবা মথাউৰিত অনাহাৰে অনিদ্ৰাই দিন কটাইছে। অমুক নদীৰ বলিয়া বানে মানুহ, পশুধন উটুৱাই নিছে, মৃতদেহ সৎকাৰ কৰিবলৈও অলপ ভূমিৰ অভাৱ। চাৰিওফালে অথাই সাগৰ।' এতিয়া কথা হ'ল বানপানীৰ সমস্যাটোতো ভূমিকম্পৰ দৰে হঠাতে অহা সমস্যা নহয়। তেনেহ'লে আপোনাৰ, মোৰ দৰে সাধাৰণ মানুহৰ মনত প্ৰশ্নৰ সৃষ্টি হ'ব যে চৰকাৰে অসমৰ বানপানী সমস্যাৰ এটা স্থায়ী সমাধান কৰিব নোৱাৰে নে ? যদি পাৰে কিয় নকৰে ? চৰকাৰে যে ইচ্ছা কৰিলে প্ৰতি বছৰে চেষ্টা কৰি হ'লেও অসমৰ বানপীড়িত ৰাইজৰ সুৰক্ষাৰ বাবে স্থায়ী সমাধান কৰিব পাৰে, এজন শিক্ষিত মানুহ হিচাপে আমি সেই কথাৰ শুদ্ধ যুক্তি দাঙি ধৰিব পাৰো। 'চৰকাৰে নিজেই নিজৰ ঘৰৰ দুৱাৰৰ দাংমাৰিডাল সোলোকাই থৈ কয় -- বোলে বৰ ঘৰত চোৰ সোমাইছে।' চোৰ বিচাৰি চাৰিওফালে দৌৰোতে দৌৰোতে ইফালে ভদীয়া বানে ৰাইজক ৰামটাঙোন মাৰি যাওঁ যাওঁ হয়। অৱশেষত খৰালি আহে অথচ চোৰ বিচাৰি নাপায়। আকৌ বছৰটোৰ বাবে বানপানীৰ কথা লোপ পায়। এনেবোৰ কথা-কাণ্ড আপুনি মই সৰেই যুক্তিৰে ফঁহিয়াই চাব পাৰো। তাৰ সমিধানৰ বিষয়ে চিন্তা কৰিব পাৰো; কিন্তু তথাপি ক'ৰবাত প্ৰতিটো যুক্তি একপক্ষীয় হয় আৰু তাৰ সমিধান অবিহনেই আমি সুখী হৈ থাকো; আৰু আমি সৰ সমস্যাৰ কথা পাহৰি সুখে-সন্তোষে দৈনন্দিন জীৱনত আগবাঢ়ি গৈ থাকো।

বিদ্যা-বুদ্ধিৰ বল যিমানেই বাঢ়ে, কোনো এটা বিষয় বা ঘটনা যুক্তিৰে

> **যুক্তিয়ে আমাক বিষয় জ্ঞানত পৰিপক্ক কৰে সঁচা; কিন্তু জীৱনৰ পোৱা-নোপোৱা, লাভ-লোকচানৰ যুক্তিত আমি সদায় যুদ্ধ বন্দী সৈনিকৰ দৰে অসহায়**

বিবেচনা কৰিবলৈ সিমানেই সহজ হয়। লাভ-লোকচান, পোৱা-নোপোৱা, যোগ-বিয়োগ আদিৰ প্ৰসংগত যুক্তিয়ে প্ৰভাৱশালী ৰূপ লয়। যেতিয়াই কোনো এটা বিষয় আত্মপক্ষৰ পৰা আঁতৰি যাবলৈ ধৰে তেতিয়াই আমি কেনেকৈ সৰল যুক্তি দাঙি ধৰি বিষয়টো নিজৰ মতে কৰি ল'ব পাৰো তাৰ বাবে অহৰহ চেষ্টা চলাই যাওঁ। কিন্তু এটা সময়ত আমাৰ সকলো সৰল আৰু অকাট্য যুক্তিৰ ওচৰতো আমি সেও মানি যুক্তিৰ সমিধান নিবিচৰাকৈয়ে শান্তি লভিব লগা হয়। উদাহৰণ স্বৰূপে মেধাৱী ছাত্ৰ এজনে চূড়ান্ত পৰীক্ষাত মাত্ৰ এক নম্বৰৰ বাবে স্থান দখল কৰিব নোৱৰাৰ দুখ আৰু তাৰ সমান্তৰালকৈ এক নম্বৰৰ অভাৱত চূড়ান্ত পৰীক্ষাত অনুত্তীৰ্ণ হোৱাৰ দুখৰ মাজত যদিও বিশেষ পাৰ্থক্য নাই তথাপি দুয়োজনৰ যুক্তিত এটা প্ৰশ্নই উত্থাপন হ'ব ---'এক নম্বৰ দি দিয়া হ'লে পৰীক্ষকৰ কি ক্ষতি হ'ল হয়?' কথাটো আপোনাৰ আৰু মোৰ বাবেও একেই। এক নম্বৰ কিয় দি দিয়া নহ'ল ? এই এক নম্বৰে দুজন ছাত্ৰ বা ছাত্ৰীৰ জীৱনত পাহৰিব নোৱৰা প্ৰভাৱ ৰাখি যাব অথচ বিভিন্ন দিশৰ পৰা নানা যুক্তি আগবঢ়ায়ো তাৰ সমিধান বিচাৰি পোৱা নাযায়। অৱশেষত ভৱিষ্যতে পৰিশ্ৰমৰ ত্ৰুটি নকৰাৰ প্ৰতিশ্ৰুতিৰে নিজকে প্ৰবোধ দি সেই অকাট্য যুক্তিবোৰৰ পৰা ওলাই আহিবলৈ বাধ্য হ'ব লগা হয়। এনেকৈয়ে কিজানি আজীৱন আমি বহুতো অকাট্য যুক্তিৰ সমিধান সময় আৰু ঈশ্বৰৰ ওপৰত এৰি দিব লগা হয়।

হাতৰ মুঠিত থাকিলেও কেতিয়াবা আমি বহুত আপুৰুগীয়া বস্তু নিজৰ বুলি গ্ৰহণ কৰিব নোৱাৰো। চাৰিওফালৰ পৰা নানা ধৰণৰ যুক্তিয়ে আমাক প্লেটত ছেও ছেওকৈ কাটি লোৱা পকা ফলৰ দৰে ফাল ফাল কৰি তোলে, তথাপি আমি যুক্তিৰ ওচৰত শিৰ নত কৰি বিষয় আৰু পৰিস্থিতি অনুকূলে জীয়াই থাকিবলৈ বাধ্য হওঁ। যুক্তিয়ে আমাক বিষয় জ্ঞানত পৰিপক্ক কৰে সঁচা; কিন্তু জীৱনৰ পোৱা-নোপোৱা, লাভ-লোকচানৰ যুক্তিত আমি সদায় যুদ্ধ বন্দী সৈনিকৰ দৰে অসহায়। সেয়েহে জীৱনৰ বহুতো অকাট্য যুক্তিৰো সমিধান পোৱা নাযায়।

*ফোন ঃ ৭০০২৭ ৩৪৯৬২*

## এইবাৰ আয়কৰৰ জাননী লাভ কৰিলে শাৰদ পাৱাৰে



**নিউজ ব্যুৰ', মুম্বাই, ১ জুলাই ঃ** এন চি পিৰ মুৰব্বী শাৰদ পাৱাৰে আয়কৰ বিভাগৰ পৰা এখন জাননী লাভ কৰিলে। ২০০৪, ২০০৯, ২০১৪ আৰু ২০২০ৰ নিৰ্বাচনৰ সময়ত পাৱাৰে প্ৰাৰ্থী হিচাপে নিৰ্বাচন আয়োগক যি শপতনামা দাখিল কৰিছিল, সেই শপতনামাত তথ্য বিসংগতিৰ অভিযোগত আয়কৰ বিভাগে পাৱাৰলৈ উক্ত জাননী প্ৰেৰণ কৰিছে। বৰ্ষীয়ান ৰাজনীতিকজনে আজি টুইটাৰত এই কথা প্ৰকাশ কৰিলে। পাৱাৰে লগতে কটাক্ষ কৰি কয়, 'মই এখন প্ৰেমপত্ৰ লাভ কৰিলো। আয়কৰ বিভাগ আজিকালি বৰ সক্ৰিয়। অতি লৰালৰিকৈ তথ্য সংগ্ৰহ কৰিলে। তেওঁলোকৰ কামৰ কৌশল সলনি হৈছে।'

## পঞ্জাৱবাসীয়ে লাভ কৰিলে মাহে ৩০০ ইউনিট বিনামূলীয়া বিজুলী ঃ মানৰ ঘোষণা



**নিউজ ব্যুৰ', চণ্ডীগড়, ১ জুলাই ঃ** পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে আজি কয় যে তেওঁৰ চৰকাৰে ৰাজ্যবাসীক দিয়া প্ৰতিশ্ৰুতিসমূহ এটা এটাকৈ ৰূপায়ণ আৰম্ভ কৰিছে। নিৰ্বাচনৰ পূৰ্বে আম আদমী পাৰ্টি (আপ)-য়ে পঞ্জাৱবাসীক চৰকাৰ গঠন কৰিলে দলে প্ৰতিমাহে ৩০০ ইউনিট বিনামূলীয়া বিদ্যুৎ যোগান ধৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। আজিৰে পৰা পঞ্জাৱৰ প্ৰতিটো পৰিয়ালে মাহে ৩০০ ইউনিট বিদ্যুৎ বিনামূল্যে লাভ কৰিব বুলি মুখ্যমন্ত্ৰী মানে ঘোষণা কৰিলে। এক টুইটত এই কথা ঘোষণা কৰি মানে কয়, 'পূৰ্বৰ চৰকাৰে নিৰ্বাচনৰ সময়ত প্ৰতিশ্ৰুতি দিছিল, সেই প্ৰতিশ্ৰুতি পূৰণ নকৰাকৈ পাঁচ বছৰ অতিবাহিত হৈছিল। কিন্তু আমাৰ চৰকাৰে পঞ্জাৱৰ ইতিহাসত নতুন নিদৰ্শন দাঙি ধৰিলে। আজি আমি পঞ্জাৱবাসীক দিয়া আৰু এটা প্ৰতিশ্ৰুতি পূৰণ কৰিলো। আজিৰে পৰা পঞ্জাৱত প্ৰতিটো পৰিয়ালে প্ৰতিমাহে ৩০০ ইউনিট বিনামূলীয়া বিদ্যুৎ লাভ কৰিব।'

## ইজৰাইলত তিনি মাহৰ বাবে প্ৰধানমন্ত্ৰীৰ দায়িত্ব ল'লে লাপিদে



**নিউজ ব্যুৰ', জেৰুজালেম, ১ জুলাই ঃ** চাৰি বছৰত পঞ্চমবাৰৰ বাবে অহা পহিলা নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব ইজৰাইলত। কালি দেশখনৰ সংসদত ইজৰাইল চৰকাৰে সংসদ ভংগ ঘোষণা কৰাৰ বাবে উত্থাপন কৰা প্ৰস্তাৱ গৃহীত হৈছিল। প্ৰত্যাশা অনুসৰি, দেশখনৰ প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত হ'ল য়াইৰ লাপিদ। অৱশ্যে মাত্ৰ তিনিমাহৰ বাবেহে অন্তৰ্বৰ্তীকালীন চৰকাৰৰ দায়িত্ব পৰিচালনা কৰিব লাপিদে। বিশেষজ্ঞৰ মতে, আগন্তুক নিৰ্বাচনত প্ৰাক্তন প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহুৰ স'তে লাপিদৰ মূল প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে।

## অধিক জটিল পৰিস্থিতি পাকিস্তানত, বন্ধ হোৱাৰ পথত ম'বাইল-ইণ্টাৰনেট সেৱা



**নিউজ ব্যুৰ', ইছলামাবাদ, ১ জুলাই ঃ** শ্ৰীলংকা সদৃশ পৰিস্থিতিৰ অভিমুখে অগ্ৰসৰ হৈছে পাকিস্তান। আৰ্থিক সংকটত জৰ্জৰিত দেশখনৰ পৰিস্থিতি ইমানে জটিল হৈছে যে দেশজুৰি ম'বাইল আৰু ইণ্টাৰনেট সেৱাও বন্ধ হোৱাৰ উপক্ৰম হৈছে। দেশখনৰ ৰাষ্ট্ৰীয় তথ্যপ্ৰযুক্তি ব'ৰ্ড (এন আই টি বি)-এ এই আশংকা প্ৰকাশ কৰিছে। ইফালে, পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফে দেশবাসীক অৱগত কৰোৱা অনুসৰি জুলাইৰ পৰা দৈনিক বিদ্যুৎ যোগান কৰ্তনৰ সময়সীমা অধিক বৃদ্ধি পাব। বিদ্যুতৰ যোগানৰ অভাৱতে ইণ্টাৰনেট আৰু ম'বাইল সেৱা ব্যাঘাত হোৱা বুলি এন আই টি বিয়ে জানিবলৈ দিয়ে।

## বিদেশলৈ প্ৰব্ৰজন কৰা চাডৰ ২০ শৰণাৰ্থীৰ মৃত্যু



**নিউজ ব্যুৰ', ত্ৰিপ'লি, ১ জুলাই ঃ** দেশত্যাগ কৰি আন দেশলৈ প্ৰব্ৰজন কৰাৰ সময়ত কৰুণ মৃত্যুক সাৱটি ল'লে আফ্ৰিকাৰ ক্ষুদ্ৰ দেশ চাডৰ কমেও ২০ জন শৰণাৰ্থীয়ে। লিবিয়াৰ ধু ধু মৰুভূমিত এটোপাল পানীৰ অভাৱত ভুগি প্ৰাণ হেৰুৱালে এইসকল প্ৰব্ৰজনকাৰী শ্ৰমিকে। উদ্ধাৰকাৰী দলে মৰুভূমিৰ মাজত শৰণাৰ্থীকেইজনৰ মৃতদেহ উদ্ধাৰ কৰে। এইখন ট্ৰাকত উঠি মৰুভূমি পাৰ হৈ সীমান্তৰ সিপাৰৰ দেশলৈ যোৱাৰ সময়তে মাজপথত ট্ৰাকখন বিকল হোৱাত পানীৰ অভাৱত শৰণাৰ্থীকেইজনে প্ৰাণ হেৰুৱালে।

### হায়দৰাবাদত অনুষ্ঠিত বিজেপিৰ ৰাষ্ট্ৰীয় কৰ্ম সমিতিৰ বৈঠকত ২০২৪ৰ নিৰ্বাচনৰ সন্দৰ্ভত ৰণনীতি যুগুত কৰাৰ সম্ভাৱনা

# ২০২৪ত বিজেপিৰ মূল শ্ল'গান হ'ব 'পৰিয়ালতন্ত্ৰ মুক্ত ভাৰতীয় ৰাজনীতি'

**নিউজ ব্যুৰ' নতুন দিল্লী, ১ জুলাই ঃ** ২০১৪ৰ লোকসভাৰ নিৰ্বাচনত বিজেপিৰ মূল শ্ল'গান আছিল 'কংগ্ৰেছমুক্ত ভাৰত'। পাঁচ বছৰ পাছত ২০১৯ বৰ্ষৰ লোকসভাৰ নিৰ্বাচনত এই শ্ল'গান সলনি কৰা হৈছিল 'দুৰ্নীতিমুক্ত ভাৰত'লৈ। এইবাৰ আসন্ন ২০২৪ৰ লোকসভাৰ নিৰ্বাচনৰ প্ৰচাৰত বিজেপিৰ মূল শ্ল'গান হ'ব 'পৰিয়ালতন্ত্ৰ মুক্ত ভাৰত'। হায়দৰাবাদত অনুষ্ঠিত বিজেপিৰ ৰাষ্ট্ৰীয় কৰ্ম সমিতিৰ বৈঠকত দলে এই সিদ্ধান্তত উপনীত হোৱাৰ সম্ভাৱনা আছে। উক্ত বৈঠকতে বিজেপিয়ে ২০২৪ৰ নিৰ্বাচনৰ সন্দৰ্ভত ৰণনীতি যুগুত কৰাৰ কথা। পূৰ্বৰে পৰা ৰাজনীতিত পৰিয়ালতন্ত্ৰৰ বিৰুদ্ধে সৰৱ হৈ আহিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। দলৰ প্ৰতিষ্ঠা দিৱসতো মোদীয়ে ৰাজনীতিত পৰিয়ালতন্ত্ৰৰ কুপ্ৰভাৱৰ কথা দাঙি ধৰিছিল। বিজেপিৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱসত ভাষণ প্ৰসংগত মোদীয়ে কৈছিল, 'বিজেপিৰ নীতি হ'ল ৰাষ্ট্ৰভক্তি।



বিৰোধী পৰিয়ালভক্তি। পৰিয়ালভিত্তিক দলসমূহে কেতিয়াও তৰুণ কৰ্মীৰ উত্থানক পছন্দ নকৰে। কিয়নো তেওঁলোকৰ নিজৰ আসন হেৰুওৱাৰ শংকা থাকে। সেয়েহে তেনেবোৰ দলত তৰুণ কৰ্মীয়ে সদায় বঞ্চনাৰ বলি হয়। বিজেপি কৰ্মীসকল গৰ্বিত হোৱা উচিত যে দলে পৰিয়ালতন্ত্ৰক এক ইছ্যু হিচাপে গ্ৰহণ কৰি মানুহক পৰিয়ালতান্ত্ৰিক ৰাজনীতিৰ বিপদ সন্দৰ্ভত অৱগত হ'বলৈ সক্ষম হৈছে।' বিজেপিৰ এজন প্ৰবীণ নেতাই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি ২০২৪ৰ নিৰ্বাচনৰ প্ৰচাৰত বিজেপিয়ে পৰিয়ালতন্ত্ৰৰ তীব্ৰ বিৰোধিতা কৰি 'পৰিয়ালতন্ত্ৰ মুক্ত ভাৰতীয় ৰাজনীতি'ৰ শ্ল'গান দিব।

## আমেৰিকাৰ হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰ ব্যৱস্থাৰ প্ৰথম পৰীক্ষণ বিফল



**নিউজ ব্যুৰ' ৱাশ্বিংটন, ১ জুলাই ঃ** ইউক্ৰেইন যুদ্ধৰ মাজতে ৰাছিয়া, চীন আৰু উত্তৰ কোৰিয়াৰ হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা আমেৰিকাই ক্ষেপণাস্ত্ৰ ব্যৱস্থাৰ পৰীক্ষণ সম্পন্ন কৰিবলৈ গৈ বিফল হ'ল। আমেৰিকাৰ হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ ব্যৰ্থ হ'ল। আমেৰিকাৰ প্ৰতিৰক্ষা মন্ত্ৰণালয় পেণ্টাগনে এই কথা স্বীকাৰ কৰি জনোৱা অনুসৰি যান্ত্ৰিক কাৰণত দেশখনৰ শেহতীয়া এটা ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ বিফল হ'ল। পেণ্টাগনে প্ৰথমবাৰ হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰ ব্যৱস্থাৰ পৰীক্ষা চলাইছিল। দেশখনৰ হাৱাইত থকা প্ৰশান্ত মিছাইল ৰেঞ্জ ফেচিলিটিৰ পৰা ক্ষেপণাস্ত্ৰৰ উৎক্ষেপণ কৰা হৈছিল। কিন্তু ক্ষেপণাস্ত্ৰটোৰ পৰীক্ষণ ব্যৰ্থ হ'ল।

## সিন্ধেৰ শপতৰ পাছদিনাই ই ডিৰ কাৰ্যালয়ত হাজিৰ ৰাউট



**নিউজ ব্যুৰ', মুম্বাই, ১ জুলাই ঃ** একনাথ সিন্ধেয়ে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ এদিন পাছতে প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ৰ কাৰ্যালয়ত হাজিৰ হ'ল শিৱসেনাৰ সাংসদ সঞ্জয় ৰাউট। উল্লেখ্য যে ভূমি দুৰ্নীতিৰ এক গোচৰত সোধা-পোছাৰ বাবে ৰাউটলৈ চমন জাৰি কৰিছিল ই ডিয়ে। দুবাৰকৈ চমন লাভৰ পাছতো বিভিন্ন কাৰণ প্ৰদৰ্শন কৰি ৰাউটে ই ডিৰ কাৰ্যালয়ত উপস্থিত হোৱাৰ পৰা বিৰত আছিল। কিন্তু মুখ্যমন্ত্ৰী হিচাপে সিন্ধেৰ শপত গ্ৰহণৰ পিছদিনাই আজি ই ডিৰ কাৰ্যালয়ত উপস্থিত হ'ল শিৱসেনাৰ জ্যেষ্ঠ নেতাজন। দুপৰীয়া ১২ বজাত ই ডিৰ কাৰ্যালয়ত উপস্থিত হৈ ৰাউটে এইদৰে কয়, 'মই কাকো ভয় নকৰো। জীৱনত কোনো অন্যায় কৰা নাই। যদি মোক চমন জাৰি কৰাৰ আঁৰত ৰাজনীতি আছে, সেয়া পাছত স্পষ্ট হ'ব। মই ভাবো মই এটা নিৰপেক্ষ এজেন্সীত উপস্থিত হৈছো। মই ই ডিক বিশ্বাস কৰো।'



## অধ্যয়নৰ ক্ষেত্ৰত বিশ্বজুৰি শিক্ষাৰ্থীৰ প্ৰথম পছন্দ লণ্ডন

**নিউজ ব্যুৰ',লণ্ডন, ১ জুলাই ঃ** অধ্যয়নৰ ক্ষেত্ৰত বিশ্বজুৰি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰথম পছন্দৰ চহৰ হৈছে লণ্ডন। ব্ৰিটেইনৰ ৰাজধানী লণ্ডনত অৱস্থিত বিশ্বখ্যাত উচ্চ শিক্ষানুষ্ঠানসমূহত আন্তৰ্জাতিক মানদণ্ডৰ বিভিন্ন পাঠ্যক্ৰম অধ্যয়নৰ সুবিধা আছে। কিউ এছ বেষ্ট ষ্টুডেণ্ট চিটিজ ৰেংকিঙত শিক্ষাৰ্থীৰ প্ৰিয় চহৰ হিচাপে শীৰ্ষস্থান লাভ কৰিলে লণ্ডনে। শিক্ষাৰ্থীক প্ৰদান কৰা সা-সুবিধা, বিশ্ববিদ্যালয়ৰ মানক আৰু বিদেশত অধ্যয়ন কৰিবলৈ অহা শিক্ষাৰ্থীৰ মতামতৰ আধাৰত প্ৰস্তুত কৰা এই তালিকাত শিক্ষাৰ্থীৰ প্ৰিয় চহৰ হিচাপে লণ্ডনৰ পাছত স্থান লাভ কৰিলে ছিউল আৰু মিউনিখে। ইয়াৰ পাছতে জুৰিখে চতুৰ্থ আৰু মেলবৰ্ণে চতুৰ্থ স্থান লাভ কৰে। আৰব দেশৰ শিক্ষাৰ্থীসকলে অধ্যয়নৰ বাবে ডুবাইক বিশ্বশ্ৰেষ্ঠ বুলি এই সমীক্ষাত অভিহিত কৰিছে। তালিকাখনত ডুবাইয়ে ৫১ সংখ্যক স্থান লাভ কৰিছে।

## জুনত দেশত ১.৪৪ লাখ কোটি টকাৰ জি এছ টি সংগ্ৰহ, ৫৬ শতাংশ বৃদ্ধি

**নিউজ ব্যুৰ', নতুন দিল্লী, ১ জুলাই ঃ** দেশত সামগ্ৰী আৰু সেৱাকৰ (জি এছ টি) ব্যৱস্থা প্ৰৱৰ্তনৰ পাঁচ বছৰ পূৰ্ণ হ'ল। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি বিগত বৰ্ষৰ জুনৰ তুলনাত ২০২২ৰ জুনত দেশত জি এছ টি সংগ্ৰহৰ পৰিমাণ ৫৬ শতাংশ বৃদ্ধি পালে। যোৱা মাহত ভাৰতত মুঠ ১.৪৪ লাখ কোটি টকাৰ জি এছ টি চৰকাৰে লাভ কৰিলে। যোৱা মে'ত সংগ্ৰহ হোৱা জি এছ টিৰ পৰিমাণ আছিল ১,৪০,৮৮৫ কোটি টকা। এবছৰ পূৰ্বৰ তুলনাত মে'ত জি এছ টি সংগ্ৰহৰ পৰিমাণ ৪৪ শতাংশ বৃদ্ধি পাইছিল। দেশত




জি এছ টি ব্যৱস্থা প্ৰৱৰ্তনৰ পাছত পঞ্চমবাৰৰ বাবে মাহেকীয়া জি এছ টি সংগ্ৰহৰ পৰিমাণ ১.৪০ লাখ কোটি টকাৰ অধিক হ'ল।

## পাঁচ বছৰত বিনামূলীয়া ৰেলযাত্ৰাত ৰাজকোষৰ ৬২ কোটি টকা ব্যয় কৰালে দেশৰ সাংসদে


**নিউজ ব্যুৰ', নতুন দিল্লী, ১ জুলাই ঃ** লোকসভাৰ বৰ্তমানৰ আৰু প্ৰাক্তন সদস্যসকলে ৰেলত বিনামূলীয়া ভ্ৰমণৰ সুবিধা লাভ কৰে। বিগত পাঁচ বছৰত লোকসভাৰ প্ৰাক্তন আৰু বৰ্তমানৰ সাংসদে কৰা ৰেল ভ্ৰমণৰ বাবদ ৰাজকোষৰ ৬২ কোটি টকা ব্যয় হয়। তথ্য জনাৰ অধিকাৰ আইনৰ জৰিয়তে লাভ কৰা তথ্য অনুসৰি কৰ'না মহামাৰীৰ সময়ত ২০২০-২১ বিত্তীয় বৰ্ষত এনে ধৰণৰ যাত্ৰাত প্ৰায় ২.৫ কোটি টকা ৰাজকোষৰ ধন ব্যয় হৈছিল। বৰ্তমানৰ সাংসদসকলে ৰেলৰ



প্ৰথম শ্ৰেণীৰ বাতানুকুল কক্ষ আৰু এগজিকিউটিভ শ্ৰেণীত বিনামূল্যে ৰেল ভ্ৰমণৰ সুবিধা লাভ কৰে। সাংসদৰ জীৱন সংগীয়েও কিছু চৰ্তৰ সাপেক্ষে বিনামূলীয়া যাত্ৰা একেলগে কৰিব পাৰে। আনহাতে, দেশৰ প্ৰাক্তন সাংসদসকলে নিজৰ সংগীৰ স'তে এ চি-২ টায়াৰত অথবা অকলে এ চি-১ টায়াৰত বিনামূলীয়া ৰেল ভ্ৰমণ কৰিব পাৰে। মধ্যপ্ৰদেশৰ আৰ টি আই কৰ্মী চন্দ্ৰশেখৰ গৌড়ে তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত এই তথ্য লাভ কৰে।

## বলিউডত ছমাহত মাত্ৰ তিনিখন ছবি হ'ল হিট, ১৬০০ কোটি টকা ব্যয় কৰি ১৪০০ কোটি টকা উপাৰ্জন

**নিউজ ব্যুৰ', মুম্বাই, ১ জুলাই ঃ** কৰ'না কালত দুবছৰত বলিউডত প্ৰায় ২১,০০০ কোটি টকাৰ লোকচান হৈছিল। সেই সময়ছোৱাত দেশৰ বক্স অফিচত ৮০ শতাংশ উপাৰ্জন হ্ৰাস পাইছিল। ২০২২ বৰ্ষতো বৰ্তমানলৈকে বলিউডৰ চলচ্চিত্ৰ উদ্যোগে তেনে বিশেষ সফলতা অৰ্জন কৰা প্ৰত্যক্ষ হোৱা নাই। বিগত ছমাহত হিন্দীত এক ডজনৰো অধিক বিগ বাজেটৰ ছবিয়ে মুক্তি লাভ কৰিলে। এইসমূহ ছবিৰ নিৰ্মাণত প্ৰায় ১৬০০ কোটি টকা বিনিয়োগ কৰা হৈছিল। বিগত



ছমাহত মাত্ৰ তিনিখন ছবিয়েহে বলিউডত ভাল বজাৰ দখল কৰিবলৈ সক্ষম হ'ল। বক্স অফিচত সফলতা লাভ কৰা এই তিনিখন বলিউডী ছবি হৈছে ভুল ভুলেইয়া-২, দ্য কাশ্মীৰ ফাইলছ আৰু গংগুবাই কাথিয়াবাড়ী। আনহাতে, বচ্চন পাণ্ডে, সম্ৰাট পৃথ্বিৰাজ আৰু ধাকড়ৰ দৰে বিগ বাজেটৰ ছবি বক্স অফিচত সম্পূৰ্ণ ব্যৰ্থ হ'ল। বিগত ছমাহত বলিউডত ১৬০০ কোটি টকা বিনিয়োগৰ বিপৰীতে মাত্ৰ ১৪০০ কোটি টকা উপাৰ্জন সম্ভৱ হ'ল। অৰ্থাৎ চলিত বৰ্ষত বৰ্তমানলৈকে বলিউডৰ প্ৰযোজকসকলে ২০০ কোটি টকাৰ লোকচান বহন কৰিবলগীয়া হৈছে। আগন্তুক ছমাহত বলিউডৰ বক্স অফিচত প্ৰায় ২৫০০ কোটি টকাৰে নিৰ্মিত কে'বাখনো বিগ বাজেটৰ ছবিয়ে মুক্তি লাভ কৰিব। ৰণবীৰ কপুৰৰ 'ছমশ্বেৰা', অক্ষয় কুমাৰৰ 'ৰক্ষাবন্ধন', আমিৰ খানৰ 'লাল সিং চড্ডা', বিজয় দেৱৰকণ্ডাৰ 'লাইগৰ' আৰু ৰণবীৰ কপুৰৰ 'ব্ৰহ্মাস্ত্ৰ'ৰ দৰে ব্যয়বহুল ছবিয়ে আগন্তুক ছমাহত বক্স অফিচত মুক্তি লাভ কৰাৰ সম্ভাৱনা আছে।

## দেশৰ বৰ্তমানৰ পৰিস্থিতিত ভয় খাইছে ন'বেলজয়ী অমৰ্ত্যই, কিন্তু কিয়?



**নিউজ ব্যুৰ', কলকাতা, ১ জুলাই ঃ** 'মোক যদি কোনোবাই প্ৰশ্ন কৰে, মই ভয় খাইছো নেকি, তেন্তে মই ক'ম—হয়। ভয় খোৱাৰ যথেষ্ট কাৰণ আছে। দেশৰ বৰ্তমানৰ পৰিস্থিতিত ভয় খোৱাই স্বাভাৱিক।' এইদৰে এই মুহূৰ্তত দেশৰ পৰিস্থিতিক লৈ শংকা প্ৰকাশ কৰিলে অৰ্থনীতিৰ ন'বেলজয়ী অমৰ্ত্য সেনে। কালি কলকাতাৰ ছল্টলেকত অনুষ্ঠিত এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত বৰ্ষীয়ান অৰ্থনীতিবিদজনে দেশৰ সকলোকে ঐক্যবদ্ধ হ'বলৈ আহ্বান জনাই কয়, 'ভাৰত কেৱল হিন্দুৰ দেশ নহয়। একেদৰে কেৱল মুছলমানৰো নহয়। ইয়াত সকলোৰে একেলগে কাম কৰিব লাগিব। মই বিচাৰো দেশ ঐক্যবদ্ধ থাকক। এই দেশ ঐতিহাসিকভাৱে উদাৰ। ইয়াত কোনেও বিভাজন নিবিচাৰে।' দীঘলীয়া বক্তব্যত বিশিষ্ট অৰ্থনীতিবিদজনে উদ্বেগ প্ৰকাশ কৰি কয় যে দেশৰ বৰ্তমানৰ পৰিস্থিতিত তেওঁ শংকা অনুভৱ কৰা হৈছে।

## বিদেশলৈ যাবলৈ পাৰপত্ৰ বিচাৰি আদালতৰ দ্বাৰস্থ শ্বাহৰুখপুত্ৰ আৰিয়ান



**নিউজ ব্যুৰ', মুম্বাই, ১ জুলাই ঃ** নিষিদ্ধ মাদক কাণ্ডত নাৰ্কটিক্স কণ্ট্ৰ'ল ব্যুৰ' (এন চি বি)ৰ দ্বাৰা অভিযোগমুক্ত ঘোষণা কৰাৰ পাছত মহাতাৰকা অভিনেতা শ্বাহৰুখ খানৰ জ্যেষ্ঠ পুত্ৰ আৰিয়ান খানৰ নিজৰ পাৰপত্ৰ ঘূৰাই বিচাৰি আদালতৰ দ্বাৰস্থ হ'ল। উল্লেখ্য যে এন চি বিৰ পৰা 'ক্লিনশ্বিট' লাভ কৰিলেও আৰিয়ানৰ পাৰপত্ৰ এতিয়াও বাজেয়াপ্ত হৈ আছে। উক্ত পাৰপত্ৰ ওভতাই লাভ কৰাৰ বাবে কালি আৰিয়ানে বিশেষ আদালতত আবেদন দাখিল কৰে। আৰিয়ানে আবেদনত উল্লেখ কৰা অনুসৰি বিদেশলৈ যোৱাৰ বাবে তেওঁক অনুমতি প্ৰদান কৰি আদালতে পাৰপত্ৰ ঘূৰাই দিব লাগে। অহা ১৩ জুলাইত বিশেষ আদালতে শ্বাহৰুখ পুত্ৰৰ এই আবেদনৰ শুনানি গ্ৰহণ কৰিব।


## আমেৰিকাত বাঢ়িছে প্ৰতিবাদ, গৰ্ভপাত বিৰোধী আইনত সাময়িক স্থগিতাদেশ দুই ৰাজ্যত

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১ জুলাই ঃ** আমেৰিকাৰ ফ্ল'ৰিডা আৰু কেণ্টাকিৰ প্ৰাদেশিক আদালতে ঘোষণা কৰিলে যে আমেৰিকাৰ দুই ৰাজ্যত গৰ্ভপাতৰ ক্ষেত্ৰত নিষেধাজ্ঞা বলপূৰ্বক আৰোপ কৰিব নোৱাৰিব। গৰ্ভপাত বিৰোধী আইনত সাময়িক স্থগিতাদেশ জাৰি কৰিলে ফ্ল'ৰিডা আৰু কেণ্টাকিৰ আদালতে। উল্লেখ্য যে পূৰ্বে আমেৰিকাৰ আন তিনিখন প্ৰদেশৰ আদালতে গৰ্ভপাত বিৰোধী আইনত সাময়িক স্থগিতাদেশ জাৰি কৰিছিল। যোৱা সপ্তাহত আমেৰিকাৰ উচ্চতম ন্যায়ালয়ে গৰ্ভপাত নিষিদ্ধ ঘোষণা কৰি ৰায় দিছিল। এই ৰায়ৰ বিৰুদ্ধে বিগত এসপ্তাহ ধৰি আমেৰিকাৰ ৰাজপথত হেজাৰ হেজাৰ লোকে প্ৰতিবাদ অব্যাহত ৰাখিছে।




কে'বাজনো তাৰকা অভিনেতা-অভিনেত্ৰী, সংগীতশিল্পী আদিয়েও গৰ্ভপাত বিৰোধী আইনৰ বিৰুদ্ধে প্ৰতিবাদত অংশ লৈছে। ফ্ল'ৰিডা চাৰ্কিট আদালতৰ ন্যায়াধীশে প্ৰকাশ কৰা অনুসৰি গৰ্ভপাতৰ সমৰ্থনকাৰী দলসমূহৰ পৰা আবেদন বিচৰা হৈছে আৰু এনে আবেদনৰ ভিত্তিত সাময়িকভাৱে গৰ্ভপাতত আৰোপ কৰা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হ'ব। অৱশ্যে গৰ্ভাৱস্থাৰ ১৫ সপ্তাহ অতিবাহিত হ'লে গৰ্ভপাতৰ বাবে আদালতৰ অনুমতি ল'ব লাগিব। আমেৰিকাৰ সংবিধানে গৰ্ভাৱস্থাৰ ২৪ সপ্তাহ পৰ্যন্ত গৰ্ভপাতৰ অধিকাৰ প্ৰদান কৰিছিল যদিও উচ্চতম ন্যায়ালয়ে এসপ্তাহ পূৰ্বে এই সাংবিধানিক অধিকাৰ বাতিল কৰাত দেশখনত ব্যাপক প্ৰতিক্ৰিয়া অব্যাহত আছে।

## পুনৰ ঊৰ্দ্ধমুখী দেশৰ ক'ভিড ৰেখাচিত্ৰ, এদিনত মৃত্যু ২৩ জনৰ




**নিউজ ব্যুৰ', নতুন দিল্লী, ১ জুলাই ঃ** ক্ৰমে অধিক জটিল হ'বলৈ ধৰিছে দেশৰ ক'ভিড পৰিস্থিতি। শুকুৰবাৰে দেশৰ ক'ভিড ৰেখাচিত্ৰ যথেষ্ট ঊৰ্দ্ধমুখী হ'ল। দেশত সক্ৰিয় কৰ'না ৰোগীৰ সংখ্যা এক লাখ সাত হেজাৰ ১৮৯ জনলৈ বৃদ্ধি পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ১৭,০৭০ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। বৃহস্পতিবাৰৰ তুলনাত শুকুৰবাৰে দেশত ২,৬৩৪ জন অধিক লোক কৰ'না আক্ৰান্ত হ'ল। ইফালে, বিগত এদিনত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত ২৩ জন লোকৰ মৃত্যু হ'ল। বিভিন্ন ৰাজ্যৰ হাস্পতালত বৰ্তমানে ৩০৩ জন কৰ'না ৰোগী চিকিৎসাধীন হৈ আছে। ইয়াৰে ৯৩ জন ৰোগী আই চি ইউত আছে।

## কাশ্মীৰত জি-২০ সন্মিলন আয়োজনৰ বিৰোধিতাৰে পাকিস্তানলৈ সমৰ্থন চীনৰ




**নিউজ ব্যুৰ', বেইজিং, ১ জুলাই ঃ** ২০২২ৰ এক ডিচেম্বৰৰ পৰা জি-২০ গোষ্ঠীৰ অধ্যক্ষৰ দায়িত্ব লাভ কৰিব ভাৰতে। ইয়াৰ পাছত ২০২৩ বৰ্ষৰ জি-২০ সন্মিলন আয়োজন কৰিব ভাৰতে। এই সন্মিলন কাশ্মীৰত অনুষ্ঠিত হ'ব। ভাৰতে কাশ্মীৰত জি-২০ বৈঠকৰ আয়োজন কৰাৰ ইতিমধ্যে তীব্ৰ বিৰোধিতা কৰিছে পাকিস্তানে। এইবাৰ চীনেও কাশ্মীৰত জি-২০ বৈঠক আয়োজনৰ বিৰোধিতা কৰিলে। চীনৰ বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰ ঝাও লিজিয়ানে কালি এখন সংবাদমেলত কাশ্মীৰত অনুষ্ঠিত হ'বলগীয়া জি-২০ৰ বৈঠকৰ সন্দৰ্ভত এইদৰে কয়, 'কাশ্মীৰৰ বিষয়ত চীনৰ দৃষ্টিভংগী স্পষ্ট। এয়া ভাৰত আৰু পাকিস্তানৰ মাজত আগৰে পৰা অব্যাহত থকা এটা বিষয়। কাশ্মীৰত জি-২০ৰ বৈঠক অনুষ্ঠিত হ'লে আমি অংশ লোৱা বা নোলোৱাৰ সন্দৰ্ভত চিন্তা-চৰ্চা কৰিব লাগিব।' চীনৰ বৈদেশিক মন্ত্ৰণালয়ে এইদৰে পাকিস্তানৰ সমৰ্থনত কাশ্মীৰত জি-২০ বৈঠক আয়োজনৰ কৌশলপূৰ্ণ বিৰোধিতা কৰিলে।

## ইউক্ৰেইনক পুনৰ ৮০ কোটি ডলাৰৰ সামৰিক সাহায্য আমেৰিকাৰ



**নিউজ ব্যুৰ', মাদ্ৰিদ, ১ জুলাই ঃ** উত্তৰ আটলাণ্টিক চুক্তি সংগঠন (নাটো)ৰ শীৰ্ষ সন্মিলনৰ অন্তিম দিনা বৃহস্পতিবাৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে ঘোষণা কৰি কয় যে তেওঁৰ প্ৰশাসনে অচিৰে ৰাছিয়াৰ স'তে যুদ্ধত অৱতীৰ্ণ হোৱাৰ বাবে ইউক্ৰেইনক পুনৰ ৮০ কোটি মাৰ্কিন ডলাৰৰ সামৰিক সাহায্য প্ৰদান কৰিব। বাইডেনে লগতে কয় যে আমেৰিকাই ইউক্ৰেইনক উন্নত বায়ু সুৰক্ষা ব্যৱস্থা, কাউণ্টাৰ বেটেৰী ৰাডাৰ আৰু হাই মবিলিটি আৰ্টিলৰি ৰকেট ছিষ্টেমৰ লগতে অন্যান্য প্ৰয়োজনীয় গোলা- বাৰুদ যোগান ধৰিব। উল্লেখ্য যে আমেৰিকাই পূৰ্বে ইউক্ৰেইনক মুঠ ৪০ বিলিয়ন ডলাৰৰ সাহায্য প্ৰদানৰ কথা ঘোষণা কৰিছিল। মাৰ্কিন ৰাষ্ট্ৰপতিজনে নাটোৰ বৈঠকত অংশ লৈ স্পষ্টভাৱে কয় যে আমেৰিকাই ইউক্ৰেইনৰ প্ৰতি সমৰ্থন অব্যাহত ৰাখিব।

# ভৱানীপুৰত বান সাহায্য প্ৰদানত সাম্প্ৰদায়িকীকৰণ

## ■ চিপিআই (এম)ৰ অভিযোগ ঃ উপযুক্ত বান সাহায্য বিচাৰি সৰুপেটাত চিপিআই (এম)ৰ বিক্ষোভ প্ৰদৰ্শন

অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ১ জুলাই ঃ** ভৱানীপুৰ সমষ্টিৰ বান ক্ষতিগ্ৰস্তসকলক উপযুক্ত সাহায্য প্ৰদানৰ দাবীত চিপিআই (এম)ৰ ভৱানীপুৰ আঞ্চলিক কমিটীৰ উদ্যোগত কালি এক বিক্ষোভ আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে চিপিআই (এম)দলৰ ৰাজ্যিক কমিটীৰ আহ্বান মৰ্মে ৰাইজৰ মাজত ৰাজ্যখনৰ বিভিন্ন জ্বলন্ত আৰ্থ-সামাজিক সমস্যাৰ প্ৰতি জনসচেতনতা বৃদ্ধিৰ অৰ্থে মাহজোৰা 'চহী সংগ্ৰহ' কাৰ্যসূচীৰ কালি আছিল অন্তিমটো দিন। আনহাতে, উক্ত কাৰ্যসূচীৰ অংশ হিচাপে কালি দলটোৰ প্ৰায় দ্বি শতাধিক বান ক্ষতিগ্ৰস্ত আৰু দলীয় কৰ্মী আৰু সমৰ্থকে কালিৰ এই বিক্ষোভ আন্দোলনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উল্লেখ্য যে কালি দলটোৰ কৰ্মী আৰু সমৰ্থকৰ স'তে বান ক্ষতিগ্ৰস্ত ৰাইজে স্থানীয় মিলন মন্দিৰৰ বাকৰিত সমবেত হৈ চাপাৰবড়ী গাঁৱৰ মাজেৰে বিভিন্ন শ্ল'গান দি আগবাঢ়ে আৰু স্থানীয় সৰুপেটা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত উপস্থিত হয় আৰু বিভিন্ন শ্ল'গান দি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰিৱেশ উত্তাল কৰি তোলে। বিক্ষোভ স্থলীত প্ৰবীণ বাওঁপন্থী নেতা চিত্তৰঞ্জন দাস আৰু অক্ষয় ডেকাই ভাষণ প্ৰদান কৰে আৰু চৰকাৰৰ বান সাহায্য বিতৰণ ব্যৱস্থাক কটু সমালোচনা কৰে। দুয়োগৰাকী বক্তাই চৰকাৰী বান সাহায্য প্ৰদান ব্যৱস্থাটোক সাম্প্ৰদায়িকীকৰণ কৰাৰ অভিযোগ তোলে। দুয়োগৰাকী বক্তাই এই ক্ষেত্ৰত ধৰ্মীয় সংখ্যালঘু আৰু ভাষিক সংখালঘু লোকসকলক তুলনামূলকভাৱে কম পৰিমাণৰ বান সাহায্য প্ৰদানৰ অভিযোগ তোলে। বান সাহায্য প্ৰদানত ১৯৫৫ৰ চৰকাৰী বান সাহায্য আঁচনিখনকো উপেক্ষা কৰাৰ অভিযোগ তোলে দুয়োগৰাকী বক্তাই। তেওঁলোকে বান সাহায্য প্ৰদানৰ পক্ষপাতমূলক এই ভূমিকা কোনো কাৰণতেই গ্ৰহণীয় নহয় বুলিও চৰকাৰক সতৰ্ক কৰি দিয়ে। আনহাতে, সমষ্টিটোৰ অধিক ক্ষতিগ্ৰস্ত মেধিকুছি, দঙাৰপাৰ, শুকমানাহ-পোৰাভঁৰাল, নয়াপাৰা আদি অঞ্চলসমূহৰ কৃষিভূমিসমূহ পহুমাৰা আৰু পল্লা নদীৰ বানৰ স'তে অহা বালিয়ে পুতি পেলোৱাৰো তেওঁলোকে তথ্য সহকাৰে অভিযোগ উত্থাপন কৰে। আনহাতে, চৰকাৰে বালিৰে ঢাক খোৱা উক্ত কৃষিভূমিসমূহৰ বালিসমূহ আঁতৰোৱাৰ কোনো ব্যৱস্থা নকৰিলে সমষ্টিটোত দুৰ্ভিক্ষ হোৱাৰ আশংকাও তেওঁলোকে ব্যক্ত কৰে। ইয়াৰ পাছতেই বিক্ষোভকাৰীসকলে চি পি আই এম দলৰ ভৱানীপুৰ আঞ্চলিক কমিটীৰ সম্পাদক অজিৎ দাস স্বাক্ষৰিত ১১ দফীয়া বিভিন্ন দাবী সম্বলিত দুখনকৈ স্মাৰকপত্ৰ সৰুপেটা ৰাজহ চক্ৰ বিষয়া জোনালী ৰাভাৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে।




# বান-খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা ঘোষণাৰ দাবীত গোৱালপাৰাত আছুৰ বিক্ষোভ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১ জুলাই ঃ** বান-গৰাখনীয়াক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰাৰ দাবীত কালি গোৱালপাৰাতো আছুৱে বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। গোৱালপাৰা চহৰৰ জেনিথ ক্লাবৰ সন্মুখত দিনৰ ১২ বজাৰ পৰা এঘণ্টীয়া বিক্ষোভ কাৰ্যসূচীত বিভিন্ন দাবীৰ সমৰ্থনত হাতে হাতে প্লেকাৰ্ড লৈ অসম চৰকাৰ হায় হায়, কেন্দ্ৰীয় চৰকাৰ হায় হায়, বান-গৰাখহনীয়াক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰিবই লাগিব আদি বিভিন্ন শ্ল'গান দি পৰিবেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলে বান-গৰাখহনীয়াক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰা আৰু বানাক্ৰান্ত লোকসকলক পৰ্যাপ্ত পৰিমাণৰ সাহায্য প্ৰদান কৰাৰ লগতে পুনৰ সংস্থাপনৰ দাবীত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে জিলা ছাত্ৰ সন্থাই। ইফালে, প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে গোৱালপাৰা জিলা ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ নাথে কয় বান-গৰাখহনীয়াক ৰাষ্ট্ৰীয় সমস্যাৰূপে স্বীকৃতি প্ৰদানৰ ছাত্ৰ সন্থাই বাৰে বাবে দাবী জনোৱা সত্ত্বেও কেন্দ্ৰীয় চৰকাৰে কোনোধৰণৰ সঁহাৰি দিয়া নাই। অতিশীঘ্ৰে অসমৰ এই জ্বলন্ত সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে স্বীকৃতি দিয়াৰ ব্যৱস্থা কৰিবলৈ আছুৱে পুনৰ দাবী জনাইছে বুলি নাথে মন্তব্য কৰে।

# শ্ৰীৰামপুৰত উচ্চতৰ মাধ্যমিকত প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ১ জুলাই ঃ** সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেছনৰ শ্ৰীৰামপুৰ আঞ্চলিক সমিতিৰ উদ্যোগত কালি সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাত ষ্টাৰ মাৰ্কসহ প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই উপলক্ষে ফেডাৰেছনৰ শ্ৰীৰামপুৰ ৰিফুইজি কল'নী আৰু বজাৰ অঞ্চলৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ১১ গৰাকী ছাত্ৰ-ছাত্ৰীক উত্তৰীয়, মানপত্ৰ আৰু এটাকৈ কলম দি অভিনন্দন জ্ঞাপন কৰে বঙালী যুৱ-ছাত্ৰ ফেডাৰেছনৰ শ্ৰীৰামপুৰ আঞ্চলিক সমিতিৰ বিষয়ববীয়া-সদস্যসকলে। উক্ত সভাত আঞ্চলিক সমিতিৰ সভাপতি বিশ্বজিৎ চৌধুৰীয়ে শ্ৰীৰামপুৰৰ নাম উজলাই তোলা ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যত আৰু অধিক ভাল ফলাফল দেখুৱাৰ বাবে কঠোৰ অধ্যয়ন কৰাৰ বাবে আহ্বান জনায়। উচ্চ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত আৰ্থিক অনাটন কেতিয়াও যাতে অন্তৰায় হ'ব নোৱাৰে তাৰ প্ৰতি বাঙালী যুৱ-ছাত্ৰ ফেডাৰেছনে লক্ষ্য ৰাখিব বুলি তেওঁ আশ্বাস প্ৰদান কৰে। সভাত সভাপতি স্বপন কুমাৰ এছেও ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ সুনাগৰিক হ'বলৈ প্ৰাণপণ চেষ্টা কৰাৰ লগতে শৃংখলিত জীৱন-যাপন কৰাৰ বাবেও আহ্বান জনায়। উক্ত সভাত শ্ৰীৰামপুৰ মহিলা সমিতিৰ সভানেত্ৰী পুষ্প দাস, শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক অৰুণ গুপ্তা, আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক স্বপন শীলেও ছাত্ৰ-ছাত্ৰীসকলক মূল্যৱান ভাষণ প্ৰদান কৰে। কৃতী ছাত্ৰ-ছাত্ৰীসকলেও তেওঁলোকৰ ভৱিষ্যতৰ বিষয়ে মত প্ৰকাশ কৰে।

# বি বি কিষাণ মহাবিদ্যালয়ত বিজ্ঞান শাখা মুকলি

অগ্ৰদূত বাৰ্তা

**জালাহ, ১ জুলাই ঃ** অসম চৰকাৰে অসমৰ আঠখন মহাবিদ্যালয়ত অতিৰিক্তভাৱে বিজ্ঞান শাখা মুকলি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই আঠখন মহাবিদ্যালয়ৰ ভিতৰত বাগ্সা জিলাৰ জালাহ ৰাজহ চক্ৰৰ অন্তৰ্গত জালাহস্থ উচ্চ শিক্ষাৰ একমাত্ৰ প্ৰতিষ্ঠান বি বি কিষাণ মহাবিদ্যালয়ৰ নাম সন্নিবিষ্ট হোৱাত অঞ্চলবাসী আনন্দিত হৈছে। সকলো দল-সংগঠনে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, কেবিনেট মন্ত্ৰী, উৰ্খাও গৌৰা ব্ৰহ্ম আৰু বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োক উষ্ম অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছিল। অহা শিক্ষাবৰ্ষৰ পৰা বিজ্ঞান শাখাত নামভৰ্তি কৰোৱাৰ সম্পূৰ্ণ প্ৰস্তুতি মহাবিদ্যালয়খনে গ্ৰহণ কৰিছে। কলা শাখাত প্ৰায় ১৪শ ছাত্ৰ-ছাত্ৰী থকা মহাবিদ্যালয়খনে বিজ্ঞান শাখাত নামভৰ্তি কৰোৱাবলৈ সাজু হোৱা সময়তে ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ আসনৰ সংখ্যাক লৈ বিমোৰত পৰিছে। মহাবিদ্যালয়খনৰ যোগেন্দ্ৰনাথ বসুমতাৰী ছাত্ৰাবাসত মুঠ আসনৰ সংখ্যা ২০ হোৱাৰ বিপৰীতে বিৰগৌশ্ৰী ছাত্ৰীনিবাসত ৩২গৰাকী ছাত্ৰী থাকিব পৰা সুবিধা আছে। বিৰগৌশ্ৰী ছাত্ৰীনিবাসৰ প্ৰথম মহলাটো পুঁজিৰ অভাৱত সম্পূৰ্ণ কৰিব নোৱৰা বুলি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কেশৱ বসুমতাৰীয়ে কয়। তেওঁ লগতে কয় যে ছাত্ৰাবাস উন্নীতকৰণৰ বাবে এক কোটি আৰু ছাত্ৰী নিবাস উন্নীতকৰণৰ বাবে ৫০ লাখ টকা আৰ্থিক অনুদান বিচাৰি বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য বড়োক আবেদন প্ৰদান কৰা হৈছে। যদিও এতিয়ালৈকে বি টি আৰৰ পৰা আৰ্থিক অনুদান অহা নাই। ছাত্ৰাবাস আৰু ছাত্ৰীনিবাস দুটাৰ আসনৰ সংখ্যা বৃদ্ধি নকৰিলে বিজ্ঞান শাখাত নামভৰ্তি কৰিবলগীয়া দূৰণিবটীয়া ছাত্ৰ-ছাত্ৰীসকলে অসুবিধাৰ সন্মুখীন হ'ব পাৰে। সেয়েহে বি টি আৰ কৰ্তৃপক্ষই অতি সোনকালে ছাত্ৰাবাস আৰু ছাত্ৰীনিবাস দুটিৰ আসনৰ সংখ্যা বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিবলৈ ৰাইজে দাবী জনাইছে।

# ঘগ্ৰাপাৰৰ এমবিচিয়াছ একাডেমীৰ সাফল্য

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১ জুলাই ঃ** সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ঘগ্ৰাপাৰস্থিত ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান এমবিচিয়াছ একাডেমীত পৰীক্ষাৰ্থীসকলে আশানুৰূপ ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। কলা আৰু বিজ্ঞান শাখাৰ মুঠ ৯৮ গৰাকী অৱতীৰ্ণ হোৱা পৰীক্ষাৰ্থীৰ এশ শতাংশই উত্তীৰ্ণ হৈ অঞ্চলটোক জিলিকাই তুলিছে। কলা শাখাত প্ৰথম বিভাগত ১৩ গৰাকী, দ্বিতীয় বিভাগত ৪২ গৰাকী আৰু তৃতীয় বিভাগত চাৰিগৰাকী উত্তীৰ্ণ হোৱাৰ বিপৰীতে বিজ্ঞান শাখাত প্ৰথম বিভাগত ৩৬ গৰাকীয়ে আৰু দ্বিতীয় বিভাগত তিনিগৰাকীয়ে উত্তীৰ্ণ হৈছে। শিক্ষানুষ্ঠানখনৰ এনে সফলতাত অঞ্চলটোৰ বৌদ্ধিক মহলে সন্তোষ প্ৰকাশ কৰিছে।

# যোৰহাটত সত্ৰীয়া নৃত্যৰ কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ১ জুলাই ঃ** ইয়াৰ ঋক সংগীতালয়ৰ ত্ৰিমূৰ্তি গাঁওৰক্ষী বাহিনীয়ে ১৮ জুলাইৰ পৰা ২৫ জুলাইলৈ ক্লাব ৰোড, লক্ষী নগৰিস্থিত ৫৯৬ নম্বৰ চিনামৰা সদৰ প্ৰাথমিক বিদ্যালয়ত সমাজকৰ্মী কল্প কলিতাৰ সোঁৱৰণত সাত দিনীয়াকৈ নৃত্য কৰ্মশালাৰ আয়োজন কৰিছে। কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰিব সংগীত নাটক একাডেমী বঁটাপ্ৰাপক টংকেশ্বৰ হাজৰিকা বৰবায়ন, যুৱ কলাকাৰ পংকজ শইকীয়া আৰু সত্ৰীয়া শিল্পী শৰ্মিলা কলিতাই।

# চতিয়াত মাগুৰমাৰী আদৰ্শ গাঁৱৰ তোৰণ উদ্বোধন বিধায়কৰ

অগ্ৰদূত বাৰ্তা

**চতিয়া, ১ জুলাই ঃ** অসম চৰকাৰৰ 'অসম আদৰ্শ গাঁও যোজনাত বিগত ২০১৮-১৯ত বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে সমষ্টিটোৰ অন্তৰ্গত চতিয়া মাগুৰমাৰী গাঁৱক আদৰ্শ গাঁৱৰ যোজনাত অন্তৰ্ভুক্ত কৰিছিল। উত্তৰ চতিয়াৰ একমাত্ৰ বৃহৎ জনবহুল গাঁৱক আদৰ্শ গাঁৱত অন্তৰ্ভুক্ত কৰি প্ৰথম পৰ্যায়ৰ কাম হিচাপে মাগুৰমাৰী আদৰ্শ গাঁৱৰ তোৰণ, উত্তৰ চতিয়া চৌহদৰ পকী বেৰ নিৰ্মাণ, উত্তৰ চেতিয়া উপ-স্বাস্থ্য কেন্দ্ৰ, মাগুৰমাৰী এল পি স্কুলৰ চৌহদৰ বেৰ, বালবড়ী বিদ্যালয়ৰ শ্ৰেণী কোঠা আৰু আলিগুৰী এল পি স্কুলৰ চৌহদৰ বেৰ নিৰ্মাণৰ নামত মুঠ পাঁচ লাখ টকা ধাৰ্য হৈছিল। এই প্ৰথম পৰ্যায়ৰ কামৰ ভিতৰত ২০২১ৰ মে'ত কামসমূহ আৰম্ভ কৰা হৈছিল। এই কামসমূহৰ ভিতৰত কেৱল আদৰ্শ গাঁৱৰ তোৰণখনহে সম্পূৰ্ণ হৈ উঠিছে। যোৱা ২৭ জুনত বিশ্বনাথ সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে মাগুৰমাৰী আদৰ্শ গাঁৱৰ তোৰণখন অঞ্চলটোৰ ৰাইজৰ উপস্থিতিত উদ্বোধন কৰে। এই উপলক্ষে অনুষ্ঠিত সভাত বাকী আধৰুৱা কামসমূহ অতিশীঘ্ৰে কৰাৰ বাবে নিৰ্মীয়মাণ কমিটীৰ সভাপতি-সম্পাদকসকলক আহ্বান জনায়। অনুষ্ঠানত উপস্থিত থকা চতিয়া জিলা পৰিষদৰ ধনদা গগৈ, কাউন্সিল ভাই শইকীয়া, চতিয়া পাঁচ নম্বৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী পদ্মা বড়ো।

# মাজুলী মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক হৰেন চন্দ্ৰ শইকীয়ালৈ বিদায় সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ১ জুলাই ঃ** মাজুলীৰ উচ্চশিক্ষাৰ বাটকটীয়া অনুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক তথা পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হৰেন চন্দ্ৰ শইকীয়াই কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত বিভাগটোৰ সৌজন্যত কালি এখন বিদায়ী সভাৰ আয়োজন কৰা হয়। সভাখনত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ প্ৰাক্তন প্ৰশাসনিক সমন্বয়ক অতুল ভূঞাই। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই বিদায়ী সহকৰ্মী শইকীয়াৰ কৰ্মজীৱনৰ চমু আলোকপাত কৰাৰ লগতে তেওঁৰ লগত কটোৱা স্মৰণীয় ক্ষণবিলাকৰ স্মৃতি ৰোমন্থন কৰি মহাবিদ্যালয়ৰ জটিল ক্ষণত বটবৃক্ষৰ দৰে থিয় দি দীৰ্ঘদিন ধৰি প্ৰশাসনিক দক্ষতাৰে সকলোকে ছাঁ প্ৰদান কৰি আহিছিল বুলি উল্লেখ কৰে। নিজৰ বক্তব্যত বিদায়ী অধ্যাপক হৰেন চন্দ্ৰ শইকীয়াই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ লগত জড়িত বৰেণ্য ব্যক্তিসকলৰ অৱদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰি কৰ্মজীৱনত মহাবিদ্যালয় পৰিয়ালৰ পৰা লাভ কৰা সহযোগৰ বাবে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অৱনী কুমাৰ দত্ত, অধ্যাপক অনিল চন্দ্ৰ হাজৰিকা, অজিত কুমাৰ শইকীয়া, গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাস, অধ্যাপক ড° দেৱজ্যোতি ভট্টাচাৰ্য, ড° লীমা দত্ত, ড° বিশাল ভূঞা, কৰ্মচাৰী পদ্মেশ্বৰ শইকীয়া, সদানন্দ ৰেগনৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে বক্তব্য আগবঢ়োৱা সভাখনত মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰে। সভাত বিদায়ী অধ্যাপকজনক চেলেং, গামোচা, শৰাই, সম্বৰ্ধনা পত্ৰ, ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অংকিত তেওঁৰ প্ৰতিচ্ছবি আদিৰে সম্বৰ্ধনা জনোৱা হয়। পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° মাধৱী দেৱীয়ে আঁত ধৰা সভাত শলাগৰ শৰাই আগবঢ়ায় বিভাগীয় শিক্ষক প্ৰীতম বৰাই। সভাৰ অন্তত মহাবিদ্যালয়ৰ শিক্ষক জিৰণি কোঠাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত আন এখন অনুষ্টুপীয়া সভাত বিদায়ী প্ৰশাসনিক সমন্বয়ক হৰেন চন্দ্ৰ শইকীয়াই আনুষ্ঠানিকভাৱে এই দায়িত্ব ৰসায়ন বিভাগৰ মুৰব্বী অধ্যাপক অজিত কুমাৰ শইকীয়াৰ হাতত অৰ্পণ কৰে। উক্ত সভাত উপস্থিত থাকি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নৰেন চন্দ্ৰ ঠাকুৰীয়াই মহাবিদ্যালয়লৈ যোগোৱা অৱদানৰ বাবে বিদায়ী প্ৰশাসনিক সমন্বয়ক শইকীয়াক ধন্যবাদ জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ তৰফৰ পৰা ড° ৰাজেন বৰা, প্ৰণীতা ৰাজখোৱা, ড° জয়া কলিতা গগৈ আদিয়ে বিদায়ী প্ৰাৰ্থীক সম্বৰ্ধনা জনোৱাৰ লগতে নৱনিযুক্ত প্ৰশাসনিক সমন্বয়কক স্বাগত সম্ভাষণ জনায়।

# আগমনী জেনিথ জুনিয়ৰ কলেজৰ এশ শতাংশ উত্তীৰ্ণ

**বক্সিৰহাট, ১ জুলাই ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিক কলা শাখাত উজলিল ধুবুৰী জিলাৰ আগমনী জেনিথ জুনিয়ৰ কলেজ। কলেজখনৰ পৰা প্ৰথমবাৰৰ বাবে মুঠ ২৪ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হয়। ইয়াৰে ২৩ গৰাকী প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ বিপৰীতে এগৰাকী এটা বিষয়ত লেটাৰ মাৰ্কসহ দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। ছগৰাকীয়ে ডিষ্টিংচন লাভ কৰে আৰু পাঁচগৰাকী ষ্টাৰ মাৰ্ক পায়। অৰ্পণা পাল নামৰ ছাত্ৰীগৰাকীয়ে স্বদেশ অধ্যয়ন বিষয়ত ৰাজ্যৰ ভিতৰত সৰ্বোচ্চ ৯৮ নম্বৰ লাভ কৰে।

# গোৱালপাৰাত ক্ষুদ্ৰ কৃষকৰ উন্নয়নৰ বাবে আইএছএপিৰ প্ৰশিক্ষণ



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১ জুলাই ঃ** ইণ্ডিয়ান ছ'চাইটি ফৰ এগ্ৰি বিজনেছ প্ৰফেছনেলৰ উদ্যোগত তথা গোৱালপাৰা কৃষি বিভাগৰ সহযোগত ক্ষুদ্ৰ কৃষকৰ উন্নয়নৰ বাবে আজি এখন কৰ্মশালা অনুষ্ঠিত হয়। গোৱালপাৰা জিলা কৃষি বিভাগৰ প্ৰশিক্ষণ কেন্দ্ৰত অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰত তিনিখন জিলাৰ চাৰিটা কৃষক উৎপাদন কোম্পানীৰ কৃষকসকলে অংশগ্ৰহণ কৰে। গোৱালপাৰা জিলাৰ জিনজিৰাম ফাৰ্মাৰ্ছ এগ্ৰ' প্ৰডিউচাৰ কোম্পানী আৰু ৰংমন ফাৰ্মাৰ্ছ প্ৰডিউচাৰ কোম্পানীৰ লগতে বঙাইগাঁও জিলাৰ আইভেলী ফাৰ্মাৰ্ছ প্ৰডিউচাৰ কোম্পানী আৰু দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ হাটশিঙিমাৰী ফাৰ্মাৰ্ছ প্ৰডিউচাৰ কোম্পানীৰ কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰা কৰ্মশালাখনত উপস্থিত থাকি ক্ষুদ্ৰ কৃষকসকলৰ উন্নয়নৰ বাবে গোৱালপাৰা মহকুমা কৃষি বিষয়া শ্যামল বৰুৱা, এমডিএছ গ্ৰীণ চাৰ্কলৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ শৰ্মা আৰু আইএছএপিৰ আঞ্চলিক বিষয়া নিৰোজ শইকীয়াই বিভিন্ন দিশ সামৰি প্ৰশিক্ষণ দিয়ে। লগতে উল্লিখিত কৃষক উৎপাদক কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকল উপস্থিত থাকি বক্তব্য প্ৰদান কৰে।

# কানহাইয়া লালৰ হত্যাকাৰীক ফাঁচি দিয়াৰ দাবী অসম মিঞা পৰিষদৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১ জুলাই ঃ** ৰাজস্থানৰ উদয়নগৰৰ কানহাইয়া লালৰ হত্যাকাৰীক ফাঁচি দিয়াৰ দাবী জনাইছে অসম মিঞা (অসমীয়া) পৰিষদে। পৰিষদৰ কেন্দ্ৰীয় সভাপতি এম মহৰ আলীয়ে এক প্ৰেছ বিবৃতিযোগে কয় যে পয়গম্বৰ হজৰত মহম্মদ (ছঃ)ৰ বিৰুদ্ধে বিকৃত মন্তব্য কৰি সদ্য বহিষ্কৃত বিজেপিৰ মুখপাত্ৰ নূপুৰ শৰ্মাক সমৰ্থন কৰি ফেচবুক পোষ্ট দিয়া ৰাজস্থানৰ উদয়নগৰ নিৱাসী কানহাইয়া লালক অন কেমেৰাত গাইছ মহম্মদ আৰু ৰিয়াজ আহমেদে হত্যা কৰাৰ কাৰ্যক অসম-মিঞা (অসমীয়া) পৰিষদে তীব্ৰ ভাষাত ধিক্কাৰ দিছো। এয়া সম্পূৰ্ণ ইছলামৰ নীতি আৰু আদৰ্শৰ পৰিপন্থী। এনে ধৰণৰ ইছলামৰ নীতি আৰু আদৰ্শৰ পৰিপন্থী কাৰ্যই মুছলমানসকলক বিপদগ্ৰস্তহে কৰিব, ইছলামক কালিমা সানিব। কানহাইয়া লালৰ হত্যাকাৰী উল্লিখিত নৰাধম জল্লাদ দুজনক মাথোঁ ফাঁচি দিলেই নহ'ব বৰঞ্চ তেওঁলোকৰ শিপা ক'ত তাক বিচাৰি উলিয়াব লাগিব। গতিকে দৰ্জী কানহাইয়া লাল হত্যাকাণ্ডৰ ওপৰত উচ্চ পৰ্যায়ৰ তদন্তৰ ব্যৱস্থা কৰিব লাগে বুলি অসম-মিঞা (অসমীয়া) পৰিষদৰ কেন্দ্ৰীয় সভাপতি আলীয়ে এক প্ৰেছ বিবৃতিত প্ৰকাশ কৰে।

# শিশুগীতৰ কৰ্মশালা আৰম্ভ



অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১ জুলাই ঃ** পূব যোৰহাটৰ ৪১৮ নম্বৰ তিনিকুৰীয়া প্ৰাথমিক বিদ্যালয়ত যোৱা ২৯ জুনত শিশু গীতৰ কৰ্মশালাৰ মুকলি হয়। গ্ৰীষ্ম বন্ধৰ লগত সংগতি ৰাখি আয়োজন কৰা কৰ্মশালাৰ বন্তি প্ৰজ্বলন কৰে নামঘৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ভোলা তামুলীয়ে আৰু গুৰুবাদ্য সংগত কৰে সৰুলৰা হাজৰিকা, দিগন্ত তামুলীয়ে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পাৰ্থপ্ৰতিম হাজৰিকাই কৰ্মশালাগৃহৰ দ্বাৰ কৰা অনুষ্ঠানত কৰ্মশালা উদ্বোধন কৰে নাট্যকাৰ তথা প্ৰশিক্ষক অৰুণ চন্দ্ৰ দাসে।

# জয়পুৰত ডাম্পাৰ চালকৰ মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্য

অগ্ৰদূত বাৰ্তা

**নামৰূপ, ১ জুলাই ঃ** জয়পুৰ থানাৰ অন্তৰ্গত নামৰূপ নাহৰকটীয়া পথৰ কাষৰ এটা জানত বোকাৰে লুতুৰি পুতুৰি এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনা বিবৰণি মতে, যোৱা ২৭ জুনৰ আবেলি বৰশী টোপাবলৈ অহা লোকে জানটোত বোকাৰে লুতুৰি পুতুৰি হৈ থকা অৱস্থাত মৃতদেহ এটা প্ৰত্যক্ষ কৰি স্থানীয় আৰক্ষীক খবৰ দিয়ে। গধূলিলৈ আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি টেঙাখাটৰ হেমন্ত চুতীয়া ২৭ বুলি চিনাক্ত কৰে। উল্লেখ্য যে মৃত হেমন্ত চুতীয়া নাহৰকটীয়া নগাঁও তিনিআলিৰ অমৰদ্বীপ দাস মালিকাধীন এখন ডাম্পাৰৰ চালক আছিল আৰু বিগত ২৭ জুনৰ পৰাই ডাম্পাৰ চালক হেমন্ত নিখোঁজ হৈ আছিল। লক্ষ্যণীয় যে মালিক অমৰদ্বীপ দাসৰ এছ-০৬-বিচি-৪৩৬৬ নম্বৰৰ হেমন্তই চলোৱা উক্ত ডাম্পাৰখনো ২৭ জুনত নাহৰকটীয়া নামৰূপ পথত এটা চকা খোল খাই বাগৰি দুৰ্ঘটনাত পতিত হৈছিল বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। ডাম্পাৰখন দুৰ্ঘটনাত পতিত হোৱা আৰু চালক হেমন্তৰ মৃতদেহ তিনি দিন পিছত ক্ষত-বিক্ষত অৱস্থাত এটা জানত উদ্ধাৰ হোৱা কাণ্ডই ৰহস্যৰ সৃষ্টি কৰিছে। কালি টেঙাখাটৰ ৰাইজ আৰু পৰিয়ালৰ লোক জয়পুৰ থানাত উপস্থিত হৈ দুৰ্ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকক নজনোৱাৰ অভিযোগ কৰাৰ লগতে ডাম্পাৰৰ মালিকজনক তদন্তৰ আওতালৈ ননাৰ বাবে পৰিয়ালৰ লোকে জয়পুৰ থানা ঘেৰাও কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। এই সন্দৰ্ভত পৰিয়ালৰ লোকে ঘটনাটো এক হত্যাকাণ্ড বুলি অভিযোগ আনি জয়পুৰ থানাত এজাহাৰ দাখিল কৰিছে আৰু জয়পুৰ আৰক্ষীয়ে এজাহাৰৰ ভিত্তিত ভাৰতীয় দণ্ড বিধি আইনৰ ৩০২ ধাৰাত ৩৮-২২ নম্বৰৰ গোচৰ ৰুজু কৰি মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰাৰ লগতে গাড়ীৰ মালিকক সোধ-পোছ অব্যাহত ৰাখিছে। ইফালে, কালি উক্ত ডাম্পাৰখন আৰক্ষীয়ে জব্দ কৰাৰ লগতে বাতৰি লিখাৰ পৰলৈকে ডাম্পাৰখনৰ মালিক অমৰদ্বীপ দাসৰ ভাষ্য গ্ৰহণ কৰি আছে। এই ঘটনাৰ আঁৰত কোন জড়িত আছে আৰক্ষীৰ তদন্তৰ পাছতহে পোহৰলৈ আহিব।

### ২৭ জুনৰ পৰা নিখোঁজ হৈ আছিল চালকজন

# মিচিং অধ্যুষিত অঞ্চলত এমএচিয়ে লৈছে শিক্ষা-কৃষিখণ্ড উন্নয়নৰ পদক্ষেপ

## ■ লাখেৰাজ জনজাতি হাইস্কুলৰ নৱনিৰ্মিত ভৱন উদ্বোধন ঃ প্ৰগতিশীল খেতিয়কৰ স'তে মত বিনিময়

**খুমটাই, ১ জুলাই ঃ** মিচিং স্বায়ত্তশাসিত পৰিষদ চমুকৈ এমএচিয়ে শিক্ষা খণ্ডৰ উন্নয়নৰ কাৰণে লৈছে যুগান্তকাৰী পদক্ষেপ। প্ৰতিটো বিত্তীয় বৰ্ষৰ আবণ্টন মুঠ ধনৰ পৰা ২০ শতাংশৰো অধিক ধন শিক্ষা বিভাগত খৰচ কৰে এমএচিয়ে। এমএচি অঞ্চলাধীন তথা বৰমুকলি গাঁও পঞ্চায়তৰ অন্তৰ্গত লাখেৰাজ জনজাতি হাইস্কুলৰ নৱনিৰ্মিত ভৱনটো কালি এক উৎসৱমুখৰ পৰিৱেশৰ মাজত ৰঙাফিটা কাটি উদ্বোধন কৰি এনেদৰে কয় এমএচিৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়াই। এমএচিফ ২০২০-২১ বিত্তীয় বৰ্ষৰ ২৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মিত ভৱনটো উদ্বোধন কৰি ছাত্ৰ-ছাত্ৰী আৰু অঞ্চলটোৰ শৈক্ষিক উত্তৰণৰ কাৰণে উছৰ্গা কৰা বুলি মন্তব্য কৰে মুখ্য কাৰ্যবাহী সদস্য চায়েঙীয়াই।



যোৰহাট জিলা এমএমকেৰ সভাপতি হৰেন ৰিচং আৰু এমএমকে কেন্দ্ৰীয় সদস্য অতুল মিচঙে আঁতধৰা উদ্বোধনী অনুষ্ঠান আদৰণি ভাষণত কাৰ্যবাহী সদস্য পুৰুষোত্তম দলেহে কয় যে মিচিং স্বায়ত্তশাসিত পৰিষদে আধাৰশিলাৰ ৰাজনীতি নকৰে, এমএচিৰ কোনো কাম আধৰুৱা হৈ থকা নাই। আধাৰশিলা কৰিলে আঁচনিৰ কাম কম দিনৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি কয়। ইপিনে, অঞ্চলটোত কি কি কামৰ কৰিছে তাৰ বিষয়েও অৱগত কৰিলে কাৰ্যবাহী সদস্য দলেহে। অনুষ্ঠানত বগামূল পেগু, ছাত্ৰ একতা সভাৰ কানুন জ্যোতি পেগু আৰু গৰুমৰা হাইস্কুলৰ প্ৰধান দেৱজিত পাত্ৰই ভাষণ প্ৰদান কৰে। ইয়াৰ পাছতে একেটা মঞ্চত দেৱৰাম কামানৰ সঞ্চালনাত ১০ গৰাকী প্ৰগতিশীল খেতিয়কক সম্বৰ্ধনা জনোৱাৰ লগতে মতবিনিময় কৰে এমএচিৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়াই। আনহাতে, এমএচিৰ তৰফৰ পৰা কাঁন চলচিত্ৰ মহোৎসৱত প্ৰদৰ্শিত মিচিং কথাছবি বোম্বা ৰাইডৰ মুখ্য চৰিত্ৰত অভিনয় কৰা শিশু শিল্পী ইন্দ্ৰজিত পেগুক সম্বৰ্ধনা জনায়।

# মানকাচৰৰ পৰা মেঘালয়ৰ ডামালগ্ৰীত গৰু চুৰি কৰিবলৈ যোৱা তিনিচোৰক গণ প্ৰহাৰ

**মানকাচৰ, ১ জুলাই ঃ** মেঘালয়ৰ দক্ষিণ- পশ্চিম গাৰোপাহাৰ জিলাৰ ডামালগ্ৰী থানাৰ অন্তৰ্গত বালালগ্ৰে গাঁৱত আজি কাহিলিপুৱা সংঘটিত হৈছে এক গণ প্ৰহাৰৰ ঘটনা। গণ প্ৰহাৰত আহত তিনিজন লোক । লোক তিনিজন হৈছে মানকাচৰ আৰক্ষী থানাৰ অন্তৰ্গত মানুল্লাপাৰা গাঁৱৰ জেল হক, ময়জাল হক, আৰু এজন গাড়ীচালক নাম এতিয়াও জানিব পৰা হোৱা নাই। ঘটনাস্থলীৰ পৰা এজন লোক পলায়ন কৰে। পলায়ন কৰা যুৱকজনক কালাপানী আৰক্ষী চকীৰ আৰক্ষীয়ে অসম-মেঘালয় সীমান্তৰ তেল ডালাৰ গাঁৱৰ পৰা আটক কৰে। উদ্ধাৰ কৰা যুৱকজন মানুল্লাপাৰা গাঁৱৰ জাকিৰ হুছেইন। জাকিৰ হুছেইনে স্বীকাৰোক্তি দিয়া মতে, যোৱা নিশা প্ৰায় আঠ বজাত মানকাচৰৰ মানুল্লাপাৰা, কানাইমাৰা, আদি গাঁৱৰ পৰা এটা আঠজনীয়া দল এটাই মেঘালয়ৰ ডামালগ্ৰী থানাৰ অন্তৰ্গত বালালগ্ৰে গাঁৱত গৰু আনিবলৈ গৈছিল। উক্ত অঞ্চলৰ একাংশ ৰাইজে গৰু চুৰি কৰাৰ অভিযোগত দলটোৰ তিনিজনক গণ প্ৰহাৰ কৰি হাত বান্ধি পথৰ দাঁতিত মুমূৰ্ষু অৱস্থাত পেলাই থৈ যায়। মেঘালয় আৰক্ষী উক্ত ঘটনাৰ খবৰ পাই ঘটনাস্থলীত উপস্থিত হৈ গণ প্ৰহাৰৰ বলি হোৱা লোক তিনিজনক জীৱন্তে উদ্ধাৰ কৰি তুৰা চিভিল হাস্পতাললৈ প্ৰেৰণ কৰে। ঘটনা সন্দৰ্ভত মেঘালয় আৰক্ষীয়ে ডামালগ্ৰী থানাত এটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে । আনহাতে, চোৰৰ দলটোৰে লৈ যোৱা এ এছ-০১ চিচি-৭৬৯৪ নম্বৰৰ ট্ৰাকখন আৰক্ষীয়ে জব্দ কৰে আৰু গাড়ীৰ পৰা ছটা গৰু উদ্ধাৰ কৰে বুলি জানিব পৰা গৈছে। বৰ্তমান মেঘালয় আৰু মানকাচৰ আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে যদিও এতিয়ালৈকে আৰক্ষীৰ ফালৰ পৰা কোনো ধৰণৰ মন্তব্য কৰা নাই। লক্ষ্যণীয় যে প্ৰথম অৱস্থাত এই ঘটনা সামাজিক মাধ্যমত ভাইৰেল হোৱাত অসমৰ লোককেইজনক হত্যা কৰা বুলি বাতৰি ওলাইছিল; কিন্তু পৰৱৰ্তী সময়ত উক্ত ঘটনাৰ প্ৰকৃত সত্য কাহিনী ওলাই পৰে অসমৰ লোককেইজনক মেঘালয়ৰ পৰা গৰু চুৰি কৰি অনাৰ সময়ত গণ প্ৰহাৰত মুমূৰ্ষু অৱস্থাত পেলাই থৈছিল। পাছত মেঘালয়ৰ আৰক্ষীয়ে উদ্ধাৰ কৰি তুৰালৈ প্ৰেৰণ কৰিছিল বুলি আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা গৈছে।

# লাকুৰা, বিহুবৰত ৰঘুমলাৰ দৰে অবৈধ লোৰ ডেম্প

## ■ নিশাটোৰ ভিতৰতে চোৰে অ'এনজিচিৰ পাইপ, ফকলেন, ডাম্পাৰ কাটি বিক্ৰী কৰে ডেম্পত



বান-খহনীয়াক জাতীয় সমস্যাৰূপে ঘোষণাৰ দাবীত নলবাৰীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ অৱস্থান ধৰ্মঘট, শুকুৰবাৰে।

অগ্ৰদূত বাৰ্তা

**শিমলুগুৰি, ১ জুলাই ঃ** নাজিৰা মহকুমাৰ অন্তৰ্গত লাকুৱা অসম নগালেণ্ড সীমান্তৱৰ্তী বিহুবৰ, গেলেকীত অবৈধ লোৰ ডেম্প দিনকদিনে বৃদ্ধি পাব ধৰিছে আৰু তাৰ সমান্তৰালভাৱে বহু অসামাজিক কাৰ্য সংঘটিত হৈ আহিছে। এনে পৰ্যায় পাইছে গৈ লাকুৰা, বিহুবৰত একাংশই ঘৰৰ চৌহদতে লোৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ডেম্প আৰম্ভ কৰি ৰমৰমীয়া ব্যৱসায় চলাই গৈছে। যাৰ পৰিণতিত এই অঞ্চলসমূহত সঘনাই লোৰ চুৰি কাৰ্য সংঘটিত হ'ব ধৰিছে। কিছুদিন পূৰ্বে নাজিৰা মহকুমাৰ আৰক্ষী বিষয়া শুভলক্ষ্মী দত্ত আৰু শিমলুগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সূৰ্য বৰাই লাকুৱাত অভিযান চলাই অ'এনজিচি, মেঘা কোম্পানীৰ বহু চুৰি পাইপ উদ্ধাৰৰ লগতে এই কাৰ্যৰ লগত জড়িত চোৰকো আটক কৰিবলৈ সক্ষম হৈছিল। অভিযোগ উত্থাপিত অনুসৰি, অবৈধ লোৰ ডেম্পৰ মালিকসকলৰ লগত লাকুৱাৰ একাংশ গাঁওৰক্ষী বাহিনীৰ সদস্য, একাংশ আৰক্ষী থানাৰ এচাম আৰক্ষীৰ গোপন সম্পৰ্ক থকাৰ বাবে তথা মাহেকীয়া কমিছন আদায় দি অহা হেতুকে অবৈধ লোৰ ডেম্পৰ মালিকে এই ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। অনুমতিবিহীনভাৱে চলাই অহা এই লোৰ ডেম্পসমূহত বহু অসামাজিক কাৰ্য সংঘটিত হৈ আহিছে আৰু প্ৰশাসনে নাকী লগাব নোৱাৰাৰ বাবেই দিনে দিনে চুৰি কাৰ্য দুগুণে বৃদ্ধি হোৱাৰ সম্ভাৱনাই প্ৰকট হৈ পৰিছে। আনহাতে, অবৈধ ডেম্পসমূহত নিয়োজিত কিছু শ্ৰমিকৰ নাগৰিকত্বৰ ওপৰতো সন্দেহৰ অৱকাশ আছে। উল্লেখ্য যে নাজিৰাৰ বৰদুৱাৰমুখত থকা একাংশ হোটেলত জুৱাৰ আড্ডাৰ পৰা আৰম্ভ কৰি লো, তেল, চৰকাৰী সুলভ মূল্যৰ চাউল আদিৰ চুৰিকাৰ্য সংঘটিত হৈ আহিছে। এই সন্দৰ্ভত সংবাদ মাধ্যমত সবিস্তাৰে প্ৰকাশ হৈ আহিছে যদিও প্ৰশাসনে কোনো ধৰণৰ গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে। বৰদুৱাৰমুখত অ'এনজিচিৰ একাংশ লিলেন ট্ৰাক, ক্ৰেণে লোহা, তেল আৰু সমবায় সমিতিৰ যোগেদি দৰিদ্ৰ হিতাধিকাৰীৰ বাবে অহা বিনামূলীয়া চাউল কঢ়িয়াই অনা গাড়ীচালকসকলে গোটেলত মদ, ভাত খোৱাৰ চলেৰে একাংশ হোটেলত চোৰাংকৈ বিক্ৰী কৰি অহাৰো অভিযোগ উঠিছে। আনহাতে, সীমান্তৱৰ্তী বিহুবৰত অবৈধ লোহা চোৰৰ সন্ত্ৰাস ক্ৰমে দিনকদিনে বৃদ্ধি পাব ধৰিছে।

# তিতাবৰৰ গ্ৰীণফিল্ড একাডেমীত প্ৰীতি সন্মিলন-কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা জ্ঞাপন



**তিতাবৰ, ১ জুলাই ঃ** তিতাবৰৰ অন্যতম প্ৰতিষ্ঠিত ইংৰাজী শিক্ষা প্ৰতিষ্ঠান গ্ৰীণফিল্ড একাডেমীত গ্ৰীষ্মবন্ধ উপলক্ষে যোৱা ৩০ জুনত প্ৰীতি সন্মিলন আৰু কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিশেষ কৃতিত্ব সহকাৰে উত্তীৰ্ণ গ্ৰীণফিল্ড একাডেমীৰ শিক্ষাৰ্থীসকলক অভিনন্দন পত্ৰ, উপহাৰ টোপোলা, নগদ ধন আদিৰে সম্বৰ্ধনা জনায়। গ্ৰীণফিল্ড একাডেমীৰ উপাধ্যক্ষ পেৰিচ দত্ত, সহকাৰী শিক্ষয়িত্ৰী পৰিণীতা ফুকনে আঁতধৰা অনুষ্ঠানত শিক্ষানুষ্ঠানখনৰ পৰিচালন সঞ্চালক তথা ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ কুমুদ চন্দ্ৰ কছাৰী, গ্ৰীণফিল্ড একাডেমীৰ অধ্যক্ষ প্ৰশান্ত কুমাৰ ভাগৱতীয়ে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত শিক্ষাৰ্থীসকলৰ লগতে উপাধ্যক্ষ পেৰিচ দত্ত, শিক্ষয়িত্ৰী কৃষ্ণা বৰুৱা, মিনাক্ষী ভূঞাই বিভিন্ন গীত-মাত পৰিবেশন কৰি অনুষ্ঠান জীপাল কৰি তোলে।

# স্পৰ্শ, অসম-বেলিৰ উদ্যোগত ৰাভা হাছঙত কৰ্মশালাৰ প্ৰস্তুতি



অগ্ৰদূত বাৰ্তা

**আজাৰা, ১ জুলাই ঃ** প্ৰথম এডুকেছন ফাউণ্ডেছনৰ সৌজন্যত স্পৰ্শ, অসম আৰু বেলি এডুকেছনে কামৰূপৰ মিৰ্জা মণিয়েৰি তিনিআলি, বৰিহাটৰ ২৫ খন গাঁৱত আৰু বৰদুৱাৰ ভোলাগাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সহযোগত সমগ্ৰ ৰাভা হাছঙৰ আন ২৫ খন গাঁৱত বিষয় ভিত্তিক গ্ৰীষ্মকালীন কৰ্মশালা অনুষ্ঠিত কৰাৰ বাবে বিশেষ প্ৰস্তুতি চলাইছে। কালি লোহাৰঘাটস্থিত বৰদুৱাৰ ভোলাগাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ কাৰ্যালয়ত ৰাভা হাছঙৰ মুঠ ২৫ খন গাঁৱৰ প্ৰশিক্ষকসকলৰ বাবে প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীত উপস্থিত থাকে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপৰ অধ্যাপক ড° প্ৰাণেশ্বৰ গোস্বামী, বৰদুৱাৰ ভোলাগাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি কমলেশ্বৰ ৰাভা, প্ৰথম এডুকেছন ফাউণ্ডেছনৰ ৰাজ্যিক সমন্বয়ক বিজন গোহাঁই, শিক্ষক জীৱেশ্বৰ বড়ো, ৰমেন ৰাভাৰ লগতে স্থানীয় ৰাভা ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল। ৰাভা হাছঙৰ ২৫ খন গাঁৱৰ মুঠ ৪০ গৰাকী স্বেচ্ছাসেৱক উপস্থিত থকা প্ৰশিক্ষক প্ৰশিক্ষণ কাৰ্যসূচীত প্ৰশিক্ষণ আগবঢ়ায় স্পৰ্শ-অসম আৰু বেলি এডুকেছনৰ বিষয়ববীয়া ৰত্ন দাস আৰু মীনাক্ষী চৌধুৰীৰ লগতে প্ৰথম এডুকেছন ফাউণ্ডেছনৰ জিলা সমন্বয়ক নৃপেন দাসে। সমগ্ৰ প্ৰকল্পৰ সমন্বয়কৰূপে ১৩ পৃষ্ঠাত চাওক

# বৰুৱাবামুণগাঁও ঢেকীয়াল অঞ্চলৰ সামগ্ৰিক ফলাফল

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ১ জুলাই ঃ** উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কুৱালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কলা শাখাত প্ৰথম বিভাগত ৩২, দ্বিতীয় বিভাগত ৭৩ আৰু তৃতীয় বিভাগত ২৪ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ উত্তীৰ্ণ হৈছে। বিদ্যালয়খনৰ পৰা বিজ্ঞান শাখাত প্ৰথম বিভাগত পাঁচগৰাকী আৰু দ্বিতীয় বিভাগত ১০ গৰাকী পৰীক্ষাৰ্থী হৈছে। ইফালে, ঢেকীয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা কলা শাখাত প্ৰথম বিভাগত ১১ (ষ্টাৰ মাৰ্ক ২), দ্বিতীয় বিভাগত ২৯ গৰাকী আৰু তৃতীয় বিভাগত নগৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হোৱাৰ বিপৰীতে বিজ্ঞান শাখাত মুঠ চাৰিগৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত দুগৰাকী প্ৰথম বিভাগত আৰু দুগৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। দক্ষিণ হেঙেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা কলা শাখাত প্ৰথম বিভাগত সাতগৰাকী (ষ্টাৰ মাৰ্ক-২), দ্বিতীয় বিভাগত ১৬ গৰাকী আৰু তৃতীয় বিভাগত ন গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। গুৱযোগনীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা কলা শাখাত প্ৰথম বিভাগত সাতগৰাকী, দ্বিতীয় বিভাগত ১৪ গৰাকী আৰু তৃতীয় বিভাগত পাঁচগৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়।

# বান-খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণাৰ দাবী লখিমপুৰ আছুৰ



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১ জুলাই ঃ** ৰাজ্যত বছৰি বানাক্ৰান্তক জুৰুলা কৰি থকা বান-খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰি স্থায়ী সমাধান কৰা আৰু বানাক্ৰান্তক পৰ্যাপ্ত সাহায্য পুনৰ সংস্থাপনৰ দাবীত কালি সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাই খেলমাটিৰ জীৱন বীমা কাৰ্যালয়ৰ সমীপত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। বান সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে স্বীকৃতি প্ৰদান কৰক, বানাক্ৰান্তক পৰ্যাপ্ত সাহায্য প্ৰদান কৰক আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। সন্থাই অভিযোগ কৰা অনুসৰি অসমৰ বান-খহনীয়া সমস্যা আদিৰ সন্দৰ্ভত বহুবাৰ দাবী উত্থাপিত হৈছে যদিও এই ক্ষেত্ৰত উন্নয়নমূলক কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। ফলত বানপীড়িতই বছৰি বানৰ স'তে জীৱন-মৰণ যুঁজ দি আহিবলগীয়া হৈছে। সেয়ে আজি চৰকাৰৰ এনে আওকাণ মনোভাবৰ প্ৰতি ক্ষোভৰ বাবেই বিক্ষোভ কাৰ্যসূচী পালন কৰিব লগা হৈছে। লগতে শীঘ্ৰে বান-খহনীয়াক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰি ইয়াৰ স্থায়ী সমাধানৰ দাবী জনায়।

# আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ সৌজন্যত বিনামূলীয়া চিকিৎসা শিবিৰ



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১ জুলাই ঃ** কামৰূপ জিলাৰ হাজো সমষ্টিৰ অন্তৰ্গত পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয় প্ৰাংগণত আজি চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ উদ্যোগত পি বি আঞ্চলিক মহাবিদ্যালয় শিক্ষক কৰ্মচাৰী গোটৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে এটি বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। বানপীড়িত জনসাধাৰণক বিনামূলীয়াকৈ উপযুক্ত চিকিৎসা প্ৰদান কৰা উদ্দেশ্যেৰে আয়ুৰ্বেদিক ১৩ পৃষ্ঠাত চাওক

# লখিমপুৰ গ্ৰন্থাগাৰৰ গ্ৰন্থাগাৰিক বীণা বৰা ডেকাৰ বিদায় সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১ জুলাই ঃ** লখিমপুৰ গ্ৰন্থাগাৰৰ গ্ৰন্থাগাৰিক বীণা বৰা ডেকাই আজি গ্ৰন্থাগাৰটোৰ কৰ্মময় জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। তদুপলক্ষে পুথিভঁৰাল কৰ্তৃপক্ষ তথা পুথিভঁৰালটোৰ অন্তৰ্গত গ্ৰাম্য পুথিভঁৰালৰ উদ্যোগত এক অনুষ্টুপীয়া বিদায় সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। ঢলপুৰ পিছলা গ্ৰাম্য পুথিভঁৰালী মহেন্দ্ৰ বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানত বিদায়ী ক্ষণৰ অনুভৱ ব্যক্ত কৰি বিদায়ী গ্ৰন্থাগাৰিকগৰাকীয়ে কয়, 'এখন ঘৰৰ পৰা আঁতৰি গ'লে যেনে অনুভৱ হয় ঠিক তেনে অনুভৱ আজি হৈছে।' লগতে বিদায়ী সম্বৰ্ধনা সভাৰ উদ্যোক্তাসকলক তেওঁ কৃতজ্ঞতা জনায়। সহকাৰী গ্ৰন্থাগাৰিক নমিতা বৰুৱা, কৰ্মচাৰী অসীম হাজৰিকাই গ্ৰন্থাগাৰিকজনৰ স'তে কটোৱা দিনবোৰৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে কৰ্মময় ক্ষণত গ্ৰন্থাগাৰিকগৰাকীৰ পৰা লাভ কৰা শিক্ষাৰ কথা দোহাৰে। উল্লেখ্য যে বৰা ডেকাই ১৯৯০ত পুথিভঁৰালত সহকাৰী গ্ৰন্থাগাৰিকৰূপে যোগদান কৰি ২০১১ত গ্ৰন্থাগাৰিকৰূপে পদোন্নতি লাভ কৰিছিল। অনুষ্ঠানত ৰংপুৰ পুথিভঁৰালী গোলাপ বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰে।

# বিহালীৰ জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা দীপিকা দাসৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বিহালী, ১ জুলাই ঃ** বিহালীৰ এক পুৰণি শিক্ষানুষ্ঠান, জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা দীপিকা দাসৰ কালি অকাল মৃত্যু ঘটে। দীৰ্ঘদিন ধৰি বৃক্কজনিত ৰোগত ভুগি থকা দীপিকা দাস, গহপুৰ মিছামাৰীস্থিত আনন্দ চন্দ্ৰ আগৰৱালা মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অৰূপ ৰাজখোৱাৰ সহধৰ্মিণী। ১৯৯২ত জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষা বিভাগৰ বিষয় শিক্ষকৰূপে কৰ্তব্যত যোগদান কৰা দীপিকা দাসে ২০২৫ত অৱসৰ গ্ৰহণৰ সময় আছিল। উল্লেখ্য যে যোৱা ২৯ জুনত গুৱাহাটীত চকুৰ অস্ত্ৰোপচাৰ কৰি ঘৰলৈ অহা দীপিকা দাসে ৩০ জুনৰ ১২-৩০ বজালৈকে বিদ্যালয়ৰ নথি-পত্ৰত চহী কৰি গহপুৰ অসামৰিক চিকিৎসালয়ত নিয়মীয়া ডায়েলেছিছৰ বাবে গৈছিল। ডায়েলেছিছ কৰি থকা সময়ত শ্বাস-প্ৰশ্বাসত কষ্ট পোৱাৰ বাবে তেজপুৰ টাইমছ হাস্পতাললৈ নিয়াৰ যো-জা কৰি থকা অৱস্থাতে হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যুক সাবটি লয় দীপিকা দাসে। মৃত্যুৰ সময়ত তেওঁ এটি পুত্ৰ আৰু এগৰাকী কন্যা সন্তানসহ স্বামীক ইহসংসাৰত এৰি থৈ গৈছে। দীপিকা দাসৰ মৃত্যুত জনতা ১৩ পৃষ্ঠাত চাওক

# ছয়গাঁও মহাবিদ্যালয়ত 'শিশুৰ ওপৰত পুষ্টিহীনতাৰ প্ৰভাৱ' শীৰ্ষক সাংবাদিক কৰ্মশালা সম্পন্ন

**ছয়গাঁও, ১ জুলাই ঃ** ঐতিহ্যমণ্ডিত কটন বিশ্ববিদ্যালয় আৰু ইউনিচেফ, অসমৰ উদ্যোগত কালি ছয়গাঁও মহাবিদ্যালয়ৰ চম্পকজ্যোতি প্ৰেক্ষাগৃহত দক্ষিণ কামৰূপৰ সাংবাদিকৰ মাজত 'শিশুৰ ওপৰত পুষ্টিহীনতাৰ প্ৰভাৱ' শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত কৰা হয়। দিনৰ প্ৰায় ১১ বজাৰ পৰা দুই বজালৈ অনুষ্ঠিত কৰ্মশালাত অংশগ্ৰহণ কৰি জ্যেষ্ঠ সাংবাদিক তথা কৰ্মশালাৰ মূল উদ্যোক্ত মৃণাল তালুকদাৰে শিশুৰ পুষ্টিহীনতাৰ ওপৰত বিভিন্ন বিষয়ৰ তথ্য ইন্টাৰনেটৰ জৰিয়তে লাভ কৰিব পাৰি বুলি উল্লেখ কৰি সেই সম্পৰ্কত অংশগ্ৰহণকাৰী সাংবাদিকসকলক অৱগত কৰাৰ লগতে বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰতো আলোকপাত কৰে। শিশুৰ পুষ্টিহীনতাৰ বিভিন্ন কাৰক আদিৰ ওপৰত ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষা ডাঃ অংকুমণি শইকীয়া, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মণিকংকনা চাংমাইয়ো বক্তব্য ৰাখে। কৰ্মশালাখনত কটন বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° ছয়নিকা দত্ত, ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপিকা ডাঃ চাবৰিন য়াছমিন, ছয়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰ কুমাৰ কলিতা আৰু মহাবিদ্যালয়খনৰ অধ্যাপক উপেন ডেকাৰ লগতে ইউনিচেফৰ বিষয়ববীয়া উপস্থিত থাকে। তথ্যগধুৰ কৰ্মশালাখনত দক্ষিণ কামৰূপৰ মিৰ্জা, ছয়গাঁও, বকো, গৰৈমাৰী, সোণতলী অঞ্চলৰ প্ৰায় ৩০ গৰাকী সাংবাদিকে অংশ লয়। কৰ্মশালাৰ অন্তত সাংবাদিকসকলক একোখনকৈ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

# প্ৰয়াসৰ উদ্যোগত ৰংজুলিত ব্যতিক্ৰমী শৈক্ষিক অনুষ্ঠান

## ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱকৰ উপস্থিতিত শৈক্ষিক ক্ষেত্ৰৰ বিভিন্ন সমস্যাৰ ওপৰত অন্তৰংগ অনুষ্ঠান মন্থন সম্পন্ন



অগ্ৰদূত বাৰ্তা

**দুধনৈ, ১ জুলাই ঃ** আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষা বা তাৰ সমপৰ্যায়ৰ পৰীক্ষাসমূহত অৱতীৰ্ণ হ'বলৈ ছাত্ৰ-ছাত্ৰীসকল কেনেকৈ প্ৰস্তুতি কৰিব লাগে, অভিভাৱকে কেনেদৰে সহযোগ কৰিব লাগে বা ছাত্ৰ-ছাত্ৰীৰ ইচ্ছা শক্তি আৰু আত্মবিশ্বাস বৃদ্ধি কৰাৰ বাবে আমি কি কৰা উচিত এইবোৰ কথাৰ লগতে কিছু শৈক্ষিক সমস্যা মুকলিকৈ আলোচনা কৰাৰ বাবে কালি ৰংজুলি প্ৰগতি সংঘ প্ৰেক্ষাগৃহত ৰংজুলিৰ 'প্ৰয়াস'ৰ উদ্যোগত অনুষ্ঠিত হয় এক ব্যতিক্ৰমী অন্তৰংগ অনুষ্ঠান মন্থন। অনুষ্ঠানটো বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে গোৱালপাৰা জিলাৰ অতিৰিক্ত উপায়ুক্ত কল্যাণী কংকনা দাসে। প্ৰয়াসৰ সভাপতি ৰাজেন ৰাভাৰ পৌৰোহিত্যত অনুষ্ঠিত অন্তৰংগ অনুষ্ঠানত মুখ্য সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে গুৱাহাটীৰ নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ৰ ১৩ পৃষ্ঠাত চাওক

# বান্দৰদেৱাত ৭৩ সংখ্যক বন মহোৎসৱৰ আৰম্ভণি



অগ্ৰদূত বাৰ্তা

**বান্দৰদেৱা, ১ জুলাই ঃ** সমগ্ৰ ৰাজ্যৰ লগতে লখিমপুৰ জিলাৰ হাৰমতী আঞ্চলিক বিভাগে আজিৰে পৰা সপ্তাহজোৰাকৈ আৰম্ভ হৈছে। ৭৩ সংখ্যক বন মহোৎসৱ। খণ্ড বিষয়া যুগল শৰ্মাই আঁত ধৰা অনুষ্ঠানত বান্দৰদেৱা প্ৰেছ ক্লাবৰ সভাপতি বাবুল আহমেদে বান্দৰদেৱা প্ৰেছ ক্লাবৰ চৌহদত এজোপা নাহৰ গছৰ পুলি ৰোপণেৰে ৭৩ বন মহোৎসৱৰ আৰম্ভণি কৰে। ইয়াৰ পাছতেই বান্দৰদেৱাস্থিত হাৰমতী কনিষ্ঠ মহাবিদ্যালয়ত অধ্যক্ষ লক্ষ্মী শইকীয়াই মহাবিদ্যালয়ৰ চৌহদত হাৰমতী আঞ্চলিক বন বিষয়া গুণজিৎ তালুকদাৰ, লগতে বনকৰ্মচাৰীসকলে বৃক্ষৰোপণ আৰু বৃক্ষ বিতৰণ কৰিছে। ইফালে, হাৰমতী আঞ্চলিক বন বিষয়াজনে বন ৰোপণ আৰু সংৰক্ষণ আহ্বান কৰে। বৃক্ষৰোপণ কাৰ্যসূচীত উপস্থিত থাকে হাৰমতী কনিষ্ঠ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক চন্দ্ৰ ভূঞা, বান্দৰদেৱা প্ৰেছ ক্লাব সম্পাদক মুকুল ভূঞা।

# উন্নয়নৰ হকে সকলোৰে সহযোগিতা কামনা মুখ্য কাৰ্যবাহী সদস্যৰ

## ■ বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰাত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যালয় তথা সচিবালয় মুকলি



অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১ জুলাই ঃ** অসম চৰকাৰে নামনি অসমৰ উন্নয়নৰ লক্ষ্যৰে প্ৰদান কৰা কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ কে এ চি গঠন কৰি দিয়াৰ পাছত কালি বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰাস্থিত অসম পৰ্যটন বিভাগৰ প্ৰশান্তি লজত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অস্থায়ী সচিবালয় কাৰ্যালয়টো মুকলি কৰা হয়। কালি এক উৎসৱমুখৰ পৰিৱেশত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ সচিবালয় কাৰ্যালয়টো একেলগে ফিটা কাটি মুকলি কৰে বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মন আৰু মুখ্য কাৰ্যবাহী সদস্য গোকুল বৰ্মনে। ইয়াৰ পূৰ্বে কাৰ্যালয় গৃহটোৰ শুভ উদ্বোধনী উপলক্ষে পুৱা মাংগলিক অনুষ্ঠান, নাম প্ৰসংগ, গছ পুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ গঠনৰ পাছত কে এ চিৰ অস্থায়ী কাৰ্যালয় চলাই নিয়াৰ বাবে বিভাগৰ উত্তৰ শালমাৰাস্থিত প্ৰশান্তি লজটো ব্যৱহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুসৰি, সম্প্ৰতি কেএচিৰ সচিবালয় সজাই তোলা হৈছে। কালি কাৰ্যালয় গৃহৰ শুভ উদ্বোধন কৰাৰ পাছতে অনুষ্ঠিত হয় উদ্বোধনী সভা। কে এ চিৰ উপাধ্যক্ষ তথা সচিবালয় কাৰ্যালয় মুকলি উদ্‌যাপন সমিতিৰ সভাপতি সুকেন ৰায়ৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য গোকুল বৰ্মনে ভাষণত কয় যে কমতাপুৰ ৰাজ্য পুনৰ গঠন আৰু জনজাতিকৰণ দাবীত চলি অহা আন্দোলনৰ পৰিপেক্ষিতত কালি চৰকাৰে দাবীৰ ন্যায্যতা মানি কমতাপুৰ স্বায়ত্তশাসনৰ ব্যৱস্থা কৰিছে। এইটো নহয় যে জনজাতিকৰণ আৰু 'কমতাপুৰ ৰাজ্য পুনৰ গঠন ইয়াতে দাবীৰ সামৰণি পৰিব। তেওঁ কয়, কমতাপুৰ ১৩ পৃষ্ঠাত চাওক

# টিহুৰ হাৰিভাঙা-পিপলিবাৰী পথৰ দাঁতিত কৃষ্ণচূড়া গছৰ পুলি ৰোপণ



অগ্ৰদূত বাৰ্তা

**টিহু, ১ জুলাই ঃ** 'সেউজ আমাৰ লক্ষ্য' পৰিকল্পনা হাতত লৈ উদীয়মান যুৱক যোগেশ কলিতাৰ একক প্ৰচেষ্টাত পিপলিবাৰীৰ চ'কৰ পৰা হাৰিভাঙালৈ যোৱা পথৰ দুয়ো দাঁতিত ৫০ জোপা কৃষ্ণচূড়া গছৰ পুলি ৰোপণ কৰাৰ পৰিকল্পনা হাতত লৈছে। উক্ত কাৰ্যসূচী চাৰি জোপা কৃষ্ণচূড়া গছৰ পুলি ৰোপণ কৰি মুকলি কৰা হয়। মুকলি কৰে ক্ৰমে শ্যামলী স্বপ্নৰ মুৰব্বী গোবিন্দ চন্দ ভাগৱতী, ক্ৰীড়া সংগঠক পৰেশ শৰ্মা, টিহু আঞ্চলিক পঞ্চায়তৰ উপ-সভাপতি গোবিন্দ কলিতা, বিজেপিৰ জ্যেষ্ঠ কৰ্মকৰ্তা পৰেশ কলিতাই। উক্ত কাৰ্যসূচীত অনুপম ডেকা আৰু অবিনাশ কলিতায়ো সহযোগিতা আগবঢ়ায়।

# শিৱসাগৰ জিলা যুৱ কংগ্ৰেছৰ নতুন সভাপতি মিঠু বৰা

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১ জুলাই ঃ** শিৱসাগৰ জিলা কংগ্ৰেছৰ নতুন সভাপতিৰূপে মঞ্জিৰ গগৈক প্ৰদেশ কংগ্ৰেছৰ তৰফৰ পৰা নিযুক্তি দিয়াৰ পাছতে এইবাৰ শিৱসাগৰ জিলা যুৱ কংগ্ৰেছৰ সভাপতিৰূপে প্ৰদেশ যুৱ কংগ্ৰেছৰ তৰফৰ পৰা উদীয়মান যুৱক তথা এটা সময়ত জাতীয় সংগঠনক নেতৃত্ব প্ৰদান কৰা মিঠু বৰাক নিযুক্তি প্ৰদান কৰিছে। ৰফিক আলীৰ কাৰ্যকালৰ অন্ত পৰাত প্ৰদেশ যুৱ কংগ্ৰেছৰ সাংগঠনিক সাধাৰণ সম্পাদক অংকুৰ দাসে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ শিৱসাগৰ জিলা কংগ্ৰেছৰ সভাপতিৰূপে বৰাক নিযুক্তি দিয়াত যুৱ কংগ্ৰেছ কৰ্মীসকলৰ মাজত উল্লাহ বৃদ্ধি পোৱা পৰিলক্ষিত হয়। এই সন্দৰ্ভত শিৱসাগৰ জিলা যুৱ কংগ্ৰেছৰ নৱনিৰ্বাচিত সভাপতিজনে কয় যে তেওঁক জিলা যুৱ কংগ্ৰেছৰ সভাপতিৰূপে নিযুক্তি দিয়াত যুৱ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি শ্ৰীনিবাস বি ভি, ৰাষ্ট্ৰীয় সম্পাদক অজয় চিকাৰা, অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সভানেত্ৰী অংকিতা দত্ত, সাধাৰণ সম্পাদক (প্ৰশাসনিক) আব্দুৰ ৰাজাক, সাধাৰণ সম্পাদক অংকুৰ দাস আৰু অসম প্ৰদেশ কংগ্ৰেছ সভাপতি ভূপেন বৰা, সাধাৰণ সম্পাদক অপূৰ্ব কুমাৰ ভট্টাচাৰ্য, বিধায়িনী দলৰ দলপতি তথা নাজিৰা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়া, প্ৰদেশ কংগ্ৰেছৰ জিলা সভাপতি মঞ্জিৰ গগৈকে আদি কৰি আমগুৰি আৰু গৌৰীসাগৰ ব্লক কংগ্ৰেছৰ সকলো বিষয়ববীয়াক ধন্যবাদ জ্ঞাপন কৰে।

# বানপীড়িতৰ কাষত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ শিক্ষক সমাজ



বিশেষ সংবাদদাতা

**নগাঁও, ১ জুলাই ঃ** বছৰটোৰ বাৰিষাৰ আৰম্ভণিতে বৃহত্তৰ নগাঁও জিলাৰ বিভিন্ন অঞ্চলত দুটাকৈ বানে সংসাৰীৰূপ লৈ জনজীৱনত ব্যাপক ক্ষতি কৰাৰ লগতে দুৰ্গত ৰাইজে প্ৰাণৰ সংশয়তো ভুগিবলগীয়া হৈছে। সামান্য আশ্ৰয়ৰ বাবে হাহাকাৰ কৰিবলগীয়া হোৱা ৰাইজে ভুগিবলগীয়া হৈছে গভীৰ খাদ্য সংকট আৰু নিত্য ব্যৱহাৰ্য জৰুৰী সামগ্ৰীৰ অভাৱত। এনে সময়ত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ শিক্ষক সমাজে জৰুৰী সভা আহ্বান কৰি যোৱা কেইদিনমানত দুৰ্গতসকলৰ কাষত থিয় হোৱা কাৰ্যই বানপীড়িত ৰাইজক যথেষ্ট সাহস দিয়ে। যোগাযোগ ব্যৱস্থা সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰা অৱস্থাত বিপদ সংকুল নৌকা যাত্ৰাৰে জিলাখনৰ বৰক'লা অঞ্চলৰ চাৰিটাকৈ শিবিৰত খাদ্যসামগ্ৰী বিতৰণ কৰাৰ উপৰি হাৰিয়া নদীৰ মথাউৰিত আশ্ৰয় লোৱাসকলৰ কাষতো উপস্থিত হৈ সামগ্ৰী বিতৰণ কৰে। মহাবিদ্যালয়খনৰ শিক্ষকসকলৰ অৰিহণাৰে গঠন কৰা সাহায্য পুঁজিৰে ৰাইজৰ বিপদ কালত খাদ্য সামগ্ৰী আৰু মম, পানী আদি সামগ্ৰী বিতৰণ কৰাৰ সমান্তৰালভাৱে সাহস দিয়া কাৰ্যক ৰাইজে শলাগ লৈছে। শিক্ষক সমাজে এনে কাৰ্যসূচী পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি জনাইছে।

# বান-খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণাৰ দাবীত অৱস্থান ধৰ্মঘট জাতীয়তাবাদী যুৱ-ছাত্ৰৰ

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১ জুলাই ঃ** অসমৰ জ্বলন্ত সমস্যা তথা শেহতীয়া বানত ক্ষতিগ্ৰস্ত বানপীড়িত ৰাইজৰ প্ৰতি চৰকাৰৰ চৰম অৱহেলাৰ প্ৰতিবাদত আৰু ক্ষতিগ্ৰস্ত ৰাইজৰ পুনৰ সংস্থাপন, ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা, অসমৰ বানপানী আৰু গৰাখহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ লগতে বৃহৎ নদীবান্ধ বন্ধ কৰাৰ দাবীত আজি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ লখিমপুৰ সমিতিয়ে কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে তিনি ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। খেলমাটিত হনুমান মন্দিৰত সমীপত ৰূপায়ণ কৰা এই কাৰ্যসূচীত বন্যাৰ্তক পুনৰ সংস্থাপন আৰু ক্ষতিপূৰণৰ দাবী সজোৰে উত্থাপন কৰে। জাতীয়তাবাদী যুৱ পৰিষদৰ প্ৰতিবাদীসকল প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি 'অসমৰ বানপানী আৰু খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰক, অসম চৰকাৰ হায় হায়, বৃহৎ নদীবান্ধ বন্ধ কৰক' আদি বেনাৰ লৈ অৱস্থান ধৰ্মঘট ৰূপায়ণ কৰে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে লখিমপুৰ জিলা সমিতিৰ সভাপতি হিৰণ্য দত্ত, সাধাৰণ সম্পাদক দেৱজিৎ ডেকা, যুটীয়া সম্পাদক দিগন্ত ভূঞা, কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক সৌৰভ আৰু জিলা উপদেষ্টা জগত শইকীয়া প্ৰমুখ্যে ছাত্ৰ পৰিষদৰ নেতৃবৃন্দই।

### 'কমিউনিটি' নাৰ্ছাৰী শীৰ্ষক অভিলাষী আঁচনি

# বানত ক্ষতিগ্ৰস্ত কৃষকৰ বাবে ধুবুৰী কৃষি বিভাগৰ পদক্ষেপ

**তামাৰহাট, ১ জুলাই ঃ** ৰাজ্যখনৰ বানত ক্ষতিগ্ৰস্ত লাখ লাখ কৃষকক সকাহ দিয়াৰ উদ্দেশ্যে অসম চৰকাৰৰ কৃষি বিভাগে গ্ৰহণ কৰিছে 'কমিউনিটি' নাৰ্ছাৰী, শীৰ্ষক এক অভিলাষী আঁচনি। আঁচনিখনৰ জৰিয়তে বানত ক্ষতিগ্ৰস্ত কৃষককৈ উন্নত প্ৰজাতিৰ বিনামূলীয়া কঠীয়া আগবঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে। ধুবুৰী জিলা কৃষি বিভাগেও বানত ক্ষতিগ্ৰস্ত কৃষকক সকাহ দিয়াৰ উদ্দেশ্যে বিনামূলীয়া কঠীয়া যোগানৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ইতিমধ্যে জিলাখনৰ বিলাসীপাৰা আৰু ধুবুৰী মহকুমাত বানত ক্ষতিগ্ৰস্ত কৃষকৰ বাবে নিৰ্বাচিত ৯০ হেক্টৰ ভূমিত ৪৫০ কুইন্টল (বাহাদুৰ চাব-১ আৰু বিনাধান-১০) উন্নত প্ৰজাতিৰ বিনামূলীয়াকৈ দিবৰ বাবে কঠীয়া ৰোপণৰ ব্যৱস্থা কৰা হৈছে। প্ৰায় ৬৭৫০ বিঘা ভূমিত সেই কঠীয়া ৰোপণ কৰি জিলাখনৰ প্ৰায় ২৩০০গৰাকীৰো অধিক বানত আক্ৰান্ত কৃষক লাভান্বিত হ'ব। ইতিমধ্যে ২৪ জুনৰ পৰা নিৰ্বাচিত কৃষি চক্ৰত বীজ ৰোপণৰ প্ৰক্ৰিয়া জিলা কৃষি বিভাগে আৰম্ভ কৰিছে। আঁচনিখনৰ জৰিয়তে বানত ক্ষতিগ্ৰস্ত কৃষকক কঠীয়া লাভ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰে যোগাযোগ কৰিবলৈ ধুবুৰী জিলা কৃষি বিষয়া মৃগেন স্বৰ্গীয়াৰীয়ে আহ্বান জনাইছে।

# চতমা নৱ যুৱক সংঘৰ বানত বিস্তৰ ক্ষতিসাধন



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১ জুলাই ঃ** নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত চতমা অঞ্চলত প্ৰলয়ংকৰী বানত গাঁৱৰ পাঁচ শতাধিক পৰিয়ালৰ বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। বানপীড়িত লোকসকলে বানৰ পাছত নিজৰ ঘৰ-বাৰী, পুখুৰী-কঠীয়াতলি চাই হুকহুকাই কান্দি উঠিছে। বহু পৰিয়ালৰ ঘৰৰ ভিতৰৰ আলমিৰা, ধানৰ ভড়াল, বিছনা, কাপোৰ-কানি বানে বিনষ্ট কৰাৰ লগতে বহু পৰিয়ালৰ বানৰ সোঁতে ঘৰৰ ভিতৰত গাঁতৰ সৃষ্টি কৰা, একাংশৰ ঘৰ-দুৱাৰ বাগৰি পৰাৰ দৃশ্য দেখি দুখত ভাগি পৰে বন্যাৰ্তসকল। কৃষিপ্ৰধান গাঁৱৰ ৰাইজৰ বানে তল কৰা ভড়ালৰ ধান, আলমিৰা, ট্ৰাংকৰ সাঁচতীয়া নতুন কাপোৰ--কানি পথৰ ওপৰতে শুকাব দিয়া হৃদয় বিদাৰক দৃশ্য এতিয়া সৰ্বত্ৰে বিৰাজমান। ইফালে, চতমা নৱ যুৱক সংঘৰ পকী ঘৰটো বানৰ প্ৰবল সোঁতে ভেটি, বেৰ প্ৰকাণ্ড গাঁত কৰি পেলোৱাৰ লগতে ভেটিটোৰ পকী মজিয়াৰ ওপৰত একাঁঠুৰ ওপৰলৈ এসপ্তাহ পৰ্যন্ত পানীত বুৰ গৈ থকাত সংঘটোৰ ভিতৰত থকা প্ৰয়োজনীয় সামগ্ৰী, কাগজ-পাতি, বিহুৰ আৰু নাটকৰ সা-সামগ্ৰী নষ্ট কৰাৰ লগতে সংঘটোৰ গৃহৰ বিস্তৰ ক্ষতিসাধন কৰে। চতমা নৱ যুৱক সংঘৰ সভাপতি সতেন কুমাৰ শৰ্মা সম্পাদক মৃগেন শৰ্মা, সহকাৰী সম্পাদক চন্দন শৰ্মা, সাংস্কৃতিক সম্পাদক ৰাজীৱ শৰ্মা আৰু ক্ৰীড়া সম্পাদক মুকুট শৰ্মাই জানিব দিয়া মতে, এইবেলি সোণালী জয়ন্তী বৰ্ষৰ ব্যাপক প্ৰস্তুতি কৰা এই সংঘটোৰ প্ৰলয়ংকৰী বানে প্ৰায় পাঁচ লাখ টকাৰ ক্ষতিগ্ৰস্ত কৰে বুলি সদৰী কৰে। ১৯৭৩তে স্থাপিত আৰু পঞ্জীয়ন নম্বৰ ১৯৮ ৰ চতমা অঞ্চলৰ এটা সংঘটোৰ ক্ষতি পূৰণ দিবলৈ স্থানীয় প্ৰশাসন আৰু নলবাৰীৰ জনপ্ৰতিনিধি তথা মন্ত্ৰী জয়ন্তমল্ল বৰুৱাক আহ্বান জনাইছে। লগতে বানে বিস্তৰ ক্ষতিসাধন কৰা গাঁৱৰ সৰ্বস্তৰৰ ৰাইজকো বিশেষভাৱে সাহায্য আৰু চৰকাৰী আঁচনি প্ৰদান কৰিবলৈ সচেতন ৰাইজ আৰু চতমা নৱ যুৱক সংঘই চৰকাৰক দাবী জনাইছে।

# শুৱালকুছিত কেৰাচিন তেল বিচাৰি শিপিনীৰ হাহাকাৰ

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১ জুলাই ঃ** অসম খাৰুৱা তেলৰ বাবে বিখ্যাত। তাহানিৰ বিদেশী বিতাৰণ আন্দোলনৰ প্ৰতিবাদীসকলে শ্ল'গান দিয়া সেই 'তেজ দিম-তেল নিদিম' বাক্যশাৰীৰ যেন ওলোটা ৰূপহে প্ৰতিফলিত হ'বলৈ ধৰিছে। আন ঠাইৰ কথা বাদে দিলো। সম্প্ৰতি ৰাজ্যৰ সৰ্বাধিনায়ক তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিনিধিত্ব কৰা জালুকবাৰী সমষ্টিৰ শুৱালকুছিতে এটুপি নীলা কেৰাচিন তেল বিচাৰি শিপিনীয়ে হাহাকাৰ কৰিব লগা পৰিস্থিতি বিৰাজ কৰিছে। ভাৰতবৰ্ষৰ অতি জনবহুল গাঁও শুৱালকুছি। বিশ্ব বন্দিত মুগা- পাট কাপোৰেৰে খ্যাতি লাভ কৰা গাঁওখনত অসমৰে বিভিন্ন ঠাইৰ যুৱক -যুৱতীয়ে নহয় বহু পৰিয়ালে তাঁতশালৰ শিপিনী হিচাপে কাম কৰি জীৱন নিৰ্বাহ কৰি আহিছে। শিপিনীসকলে পেটৰ ভাতমুঠি ৰান্ধিবৰ বাবে কেৰাচিনৰ ষ্টোভ ব্যৱহাৰ কৰে। কিন্তু সম্প্ৰতি বৃহত্তৰ শুৱালকুছিত নীলা কেৰাচিন তেলৰ অভাৱে শিপিনীয়ে নহয় স্থানীয় লোকসকলকো ত্ৰাহিমধুসূদন দেখুৱাইছে। ব্যক্তিগত বিপণী দূৰৰ কথা অসম চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ স্বীকৃতিপ্ৰাপ্ত ৰেছন সমবায় সমূহতো এটুপি কেৰাচিন তেল পাবলৈ নাই। এনেকি সুল্যভ মূল্যৰ নীলা কেৰাচিন তেল প্ৰতি লিটাৰত ১০০ টকাকৈ দিলেও পাবলৈ নাই। হঠাৎ কেৰাচিন তেলৰ অৰ্ন্তধানে বিপাঙত পেলাইছে শিপিনীসকলক। বিশেষতঃ বাৰিষাৰ দিনকেইটা কেৰাচিন তেলৰ বিশেষ প্ৰয়োজন তাঁতশালত। বৰযুণৰ বতৰত তাঁতশালৰ মেচিন মাকো-ৰাহক মসৃণ কৰিবলৈ কেৰাচিনৰ দৰকাৰ। ইফালে, কেৰাচিনৰ নাটনিৰে একাংশ শিপিনীক লঘোনীয়া পেটে ৰাখিছে। দিনতো কাপোৰ বৈ কেৰাচিন বিহীন ভাত ৰান্ধিবলৈ এলাহ কৰি দুই এডাল খৰি লুৰি যেনেতেন এমুঠি জোগাৰ কৰি খাই আছে। কেৰাচিনৰ হঠাৎ মূল্যবৃদ্ধিৰ বাবে সুলভ মূল্যৰ দোকানসমূহেও কেৰাচিন ক্ৰয় নকৰাত বৰ্তমান শুৱালকুছিৰ শিপিনীসকলে সৰ্বত্ৰে আহুকালত পৰিছে। বিষয়টো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব সহকাৰে লৈ কেৰাচিন তেল অতি সুলভ মূল্যত যোগান ধৰিবলৈ শিপিণীসকলে কাতৰ আহ্বান জনায়।

# বটদ্ৰৱাত সত্ৰীয়া নৃত্য কৰ্মশালাৰ আয়োজন

বিশেষ সংবাদদাতা

**নগাঁও, ১ জুলাই ঃ** নতুন প্ৰজন্মৰ মাজত সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ প্ৰসাৰ আৰু অনুশীলন অব্যাহত ৰখাৰ প্ৰয়াস হিচাপে বটদ্ৰৱা প্ৰেছ ক্লাবৰ উদ্যোগত গুৰুজনাৰ জন্মস্থান বটদ্ৰৱাত গ্ৰীষ্ম বন্ধৰ সময়ছোৱাত তথা অহা ১০ৰ পৰা ২৪ জুলাইলৈ সত্ৰীয়া নৃত্যৰ এখন কৰ্মশালাৰ আয়োজন কৰা হৈছে। কৰ্মশালাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক প্ৰশিক্ষাৰ্থীসকলক কৰ্মশালাৰ তত্ত্বাৱধায়কৰ দায়িত্বত থকা জগন্নাথ কলিতা ৯১০১৩৪৪১৭২, তৃতীষা ভৰালী ৯৮৫৪৫৫৭১৪৮ আৰু অৰ্পণা কলিতা, কুঞ্জন কিশোৰ মহন্ত আৰু ৰাকেশ বনিকৰ লগত আগতীয়াকৈ যোগাযোগৰ বাবে সমিতিয়ে অনুৰোধ জনাইছে।

# চিৰাঙৰ ছাপাগুৰিত আৰক্ষীৰ অভিযানত চোৰাং চাউল কঢ়িওৱা ট্ৰাক জব্দ

## আৰক্ষীৰ অভিযান অব্যাহত



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ১ জুলাই ঃ** চিৰাঙত বৃহৎ পৰিমাণৰ চাউলসহ ট্ৰাক জব্দ। গোপন তথ্যৰ ভিত্তিত ঢালিগাঁও থানা আৰক্ষীয়ে চলোৱা অভিযানত প্ৰায় ৩০০ কুইন্টল চোৰাং চাউলসহ ট্ৰাকখন জব্দ কৰিবলৈ সক্ষম হয়। যিসময়ত ৰাজ্যত বানৰ বিভীষিকা চলি আছে তেনে সময়তে অধিক সক্ৰিয় ৰূপত চোৰাং চাউলৰ ছিণ্ডিকেট। চোৰাং চাউল ব্যৱসায়ীয়ে নিতৌ ৰাজ্যৰ বাহিৰলৈ সৰবৰাহ কৰিছে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউল। এয়া প্ৰমাণ হ'ল ঢালিগাঁও আৰক্ষীৰ এই অভিযানত। চিৰাং জিলাৰ ঢালিগাঁও থানাৰ তালাচীত জিলাখনৰ ছাপাগুৰিত ৩১ নম্বৰ চি ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা জব্দ হয় চোৰাং চাউলভৰ্তি এখন ট্ৰাক। ডব্লিউ বি ৫৭ ডি ৫৯৭৭ নম্বৰ এখনৰ ট্ৰাকেৰে বঙাইগাঁও জিলাৰ যোগীঘোপাৰ পৰা পশ্চিমবংগলৈ এই চাউলখিনি সৰবৰাহ কৰি লৈ গৈ থাকোতে জব্দ কৰে ঢালিগাঁও আৰক্ষীয়ে । প্ৰায় ৬০০ বেগ অৰ্থাৎ ৩০০ কুইন্টল চাউল জব্দ কৰে আৰক্ষীয়ে। বৰ্তমান আৰক্ষীয়ে অব্যাহত ৰাখিছে চোৰাং চাউলৰ ব্যৱসায়ীৰ লগত কোন জড়িত আছে। আৰক্ষীৰ তদন্তত ওলাই পৰিব কোনে চলাই গৈ আছে চোৰাং চাউল সৰবৰাহ। এই ঘটনাই পুনৰ প্ৰমাণ ৰাজ্যত যে সক্ৰিয় আছে চোৰাং চাউলৰ ছিণ্ডিকেট। এই জব্দকৃত চাউলখিনি বান সাহায্যৰ চাউলো হ'ব পাৰে বুলি সন্দেহ কৰা হৈছে। কিয়নো দুদিন পূৰ্বে বঙাইগাঁও জিলাত বান সাহায্যৰ চোৰাং চাউল জব্দ হৈছিল আৰু সেই চাউলৰ বেগসমূহৰে মিল আছে এই চাউলৰ বেগৰ। আৰক্ষীৰ তদন্তত সকলো তথ্য ফাদিল হোৱাৰ আশা কৰা হৈছে।

# মৰাণত ব্ৰয়লাৰ কঢ়িয়াই নিয়া বলেৰ' পিক আপ দুৰ্ঘটনা

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১ জুলাই ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ নগৰৰ লাচিত নগৰত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা ব্ৰয়লাৰ কঢ়িয়াই নিয়া এখন বলেৰ' পিকআপ গাড়ীয়ে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ ওপৰতে বাগৰি পৰে। শিৱসাগৰৰ পৰা ডিব্ৰগড় জিলা অভিমুখে গৈ থকা গাড়ীখনৰ যাত্ৰী শিৱসাগৰ জিলাৰ বেৰবাৰীৰ মনোৰঞ্জন ছায়ানা, বিতুপন বৰুৱা আৰু মনোজ গগৈ আহত হয়।

# চিথিলাৰ দুলাল বৰ্মনৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**চিথিলা, ১ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ চিথিলাৰ বাসিন্দা দুলাল বৰ্মন নামৰ এজন যুৱকৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। তথ্য অনুসৰি, বিগত তিনিমাহৰ পৰা যুৱকজন যকৃত ৰোগত আক্ৰান্ত হৈ হঠাৎ কালি মৃত্যু হয়। মৃত্যুৰ সময়ত পত্নীসহ এজন পুত্ৰ আৰু দুগৰাকী কন্যাক ইহসংসাৰত এৰি যায়। বৰ্মনৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে চিথিলা অঞ্চলৰ জাতি, ধৰ্ম, ভাষা, নিৰ্বিশেষে ঘৰত উপস্থিত হোৱাৰ লগতে গোংগেয়া নৈৰ পাৰতো কে'বাশতাধিক গুণমুগ্ধই উপস্থিত হৈ শোক প্ৰকাশ কৰে। উল্লেখ্য যে চিথিলা অঞ্চলৰ ৰাইজে কাঠ আৰু খৰি যোগান ধৰে সৎকাৰ কৰাৰ বাবে।

# কৃষক দেৱদত্ত লহকৰৰ মৃত্যুত বৰপূল্লাত শোক

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১ জুলাই ঃ** কামৰূপ জিলাৰ কঞা ৰাজহ চক্ৰৰ অন্তৰ্গত বৰপুল্লা গাঁৱৰ বিশিষ্ট কৃষক তথা কুটীৰ শিল্পী দেৱদত্ত লহকৰ(৮০)ৰ কালি মৃত্যু হয়। কৃষকজনৰ মৃত্যুত নিখিল ভাৰত কৃষক সভাৰ পশ্চিম বড়িগোগ আঞ্চলিক কমিটী, বৰপুল্লা গাঁও উন্নয়ন সমিতি আৰু পৰিৱেশ সুৰক্ষা সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰে আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। উল্লেখ্য যে লহকৰ আছিল এজন সচেতন সমাজকৰ্মী। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ আৰু এগৰাকী কন্যা সন্তানক ইহসংসাৰত এৰি যায়।

# বান-গৰাখহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণাৰ দাবীত যুৱ-ছাত্ৰৰ অৱস্থান ধৰ্মঘট



বিশেষ সংবাদদাতা

**নগাঁও, ১ জুলাই ঃ** অসমৰ বান আৰু খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ দাবীত আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিয়ে এক অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। নগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত পৰিষদৰ সদস্যসকলে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি পৰিৱেশ উত্তাল কৰি তোলে। বান সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰক, বৃহৎ নদীবান্ধ বন্ধ কৰক আদি বিভিন্ন শ্ল'গান দিয়ে। প্ৰতিবাদকাৰীসকলে বানাক্ৰান্ত লোকক উপযুক্ত সাহায্য প্ৰদান কৰাৰ লগতে ক্ষতিগ্ৰস্ত লোকসকলক ক্ষতিপূৰণ দিবলৈ চৰকাৰক দাবী জনায়। লগতে বৃহৎ নদীবান্ধ বন্ধ কৰাৰো দাবী জনায়। পৰিষদৰ জিলা সভাপতি দীপমনি বৰাই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক কঠোৰ সমালোচনা কৰি কয় যে দুইখন চৰকাৰ অসমৰ বান সমস্যাৰ স্থায়ী সমাধানৰ বাবে আগ্ৰহী নহয়। অসমৰ সম্পদক ৰাষ্ট্ৰীয় সম্পদ হিচাপে গণ্য কৰা কেন্দ্ৰীয় চৰকাৰে অসমৰ সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য নকৰে বুলি পৰিষদে অভিযোগ কৰে। পৰিষদে অভিযোগ কৰি কয় যে কেন্দ্ৰীয় চৰকাৰে অসমক সদায় মাহী আইৰ দৃষ্টিৰে চাই আহিছে । অৱস্থান ধৰ্মঘট কাৰ্যসূচীত পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক প্ৰবীণ দাস, জিলা সমিতিৰ উপদেষ্টা মহেন্দ্ৰ কলিতা, দিগন্ত দাস, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক দেবাশীষ দাস আদিয়ে অংশগ্ৰহণ কৰে। অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ অন্তত পৰিষদে জিলা উপায়ুক্তৰ জৰিয়তে এখন স্মাৰকপত্ৰ প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰে।


# সোণাৰিত গো-মাংস ক্ৰয়-বিক্ৰয়ত নিষেধাজ্ঞা

অগ্ৰদূত বাৰ্তা

**সোণাৰি, ১ জুলাই ঃ** ৰাজহুৱা স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি সোণাৰি পৌৰ অঞ্চলত গো-মাংস ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই সন্দৰ্ভত সোণাৰি পৌৰসভাই জাৰি কৰা এক নিৰ্দেশনা অনুসৰি পৌৰ অঞ্চলৰ ভিতৰত যিসকল ব্যক্তিয়ে গো-মাংস কিনা-বেচা আৰু গো-মাংসৰ পৰা বনোৱা বস্তুৰ ব্যৱসায়ৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত, তেনে ব্যক্তিয়ে অহা ১৫ জুলাইৰ পৰা বন্ধ ৰাখিব লাগিব। ৰাজ্যত কাৰ্যকৰী হোৱাকৈ অসম চৰকাৰৰ 'অসম গো ন- সুৰক্ষা আইন ২০২১'ৰ আঠ নম্বৰ ধাৰা অনুসৰি পৌৰ অঞ্চলত এই কাৰ্য সম্পূৰ্ণ নিষিদ্ধ কৰা হৈছে। অন্যথা উক্ত আইন মতে, পৌৰসভাই বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি সোণাৰি পৌৰসভাৰ কাৰ্যবাহী বিষয়াই এক জাননী জাৰি কৰিছে।

# মিশ্ৰিত আশা বুকুত বান্ধি পুনৰ কৃষিকৰ্মত নামিল কৃষক

## টিহুৰ বানবিধ্বস্ত পামৈপাৰাত শংকা



অগ্ৰদূত বাৰ্তা

**টিহু, ১ জুলাই ঃ** আহাৰমহীয়া শেহতীয়া বানে ঘৰ-বাৰী, জীৱ-জন্তু, কৃষি পথাৰ সকলো তচনচ কৰি পেলোৱাৰ পাছত নিৰাশাৰে ভৰি পৰা জীৱনৰ পুনৰ নতুন আশাৰ সপোন ৰচিবলৈ বানধোৱা পথাৰত নামি পৰিছে পামৈপাৰাৰ কৃষক। টিহু ৰাজহ চক্ৰৰ অন্তৰ্গত ৪৫ নম্বৰ পশ্চিম নামবৰভাগ গাঁও পঞ্চায়তৰ মৰাপাগলাদিয়া নৈৰ পাৰৰ এখন বানাক্ৰান্ত গাঁও পামৈপাৰা। কৃষিপ্ৰধান গাঁওখনত মৰাপাগলাদিয়া নৈৰ মথাউৰি ছিঙি বানে প্ৰায় সৰ্বস্বান্ত কৰি পেলাইছে গঞা ৰাইজক। আজি একবিংশ শতিকাতো গৰুহালকে ভৰসা কৰি কৃষিকৰ্ম চলাই থকা পামৈপাৰা গাঁৱৰ নাই উন্নত বাট-পথ, উন্নত সা-সুবিধা। মাত্ৰ এসপ্তাহৰ পূৰ্বে বানে বিধ্বস্ত কৰা গাঁওখনৰ লোকে হাল বাই, মৈয়াই পুনৰ কঠীয়া সিঁচিবলৈ আৰম্ভ কৰিছে। বুকুত শংকা মিশ্ৰিত নতুন আশাৰে কৃষিকৰ্মত পুনৰ হাত উজান দিছে ৰাইজে। কিন্তু মনৰ পৰা শংকা আঁতৰা নাই জনোচা মৰাপাগলাদিয়াৰ ভগ্ন মথাউৰিৰে পুনৰ পানী সোমাই সকলো শ্ৰম পশু কৰি পেলায়। কাৰণ মন্ত্ৰী নন্দিতা গাৰ্লাচাই পৰিদৰ্শন কৰি গ'ল যদিও নৈখনৰ বাঢ়নী পানীক ভেটা দিবলৈ ভগ্ন মথাউৰিৰ ছিগা অংশবোৰত এতিয়ালৈ কোনো ব্যৱস্থা লোৱা হোৱা নাই। তথাপি দুবেলা দুমুঠি খাই জীয়াই থকাৰ তাগিদাত কৃষকসকলে ঈশ্বৰক ধিয়াই প্ৰখৰ ৰ'দকো আওকাণ কৰি কৃষি পথাৰক হাল গৰু লৈ চহাবলৈ আৰম্ভ কৰিছে।

# ভূৰবন্ধাৰ কালিয়াবৰী কৃষিপাম নিগমত পাঁচ হেক্টৰ কৃষি ভূমিত উন্নত কঠীয়াৰ বীজ ৰোপণ



অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১ জুলাই ঃ** মৰিগাঁও জিলাত সৃষ্টি হোৱা বান পৰিস্থিতিত বানাক্ৰান্ত কৃষকক সকাহ দিয়াৰ উদ্দেশ্যেৰে আজি কৃষি বিভাগৰ দ্বাৰা ভূৰবন্ধাৰ কৃষি খণ্ডৰ অন্তৰ্গত কালিয়াবৰী কৃষিপাম নিগমত পাঁচ হেক্টৰ কৃষি ভূমিত উন্নত জাতৰ কঠীয়া ধানৰ বীজ সিঁচে। কালিয়াবৰী কৃষি পাম নিগমৰ প্ৰবন্ধকৰ দায়িত্বত থকা চক্ৰধৰ কোঁৱৰৰ তত্ত্বাৱধানত পুৱাৰে পৰা স্থানীয় কৃষকসকলক লগত লৈ কঠীয়াতলি প্ৰস্তুত কৰি উন্নত জাতৰ ধানৰ কঠীয়া বাহাদুৰ চাব-১ সিঁচে। এই উপলক্ষে জিলা কৃষি বিভাগৰ মহকুমা বিষয়া লোনা বৰুৱাই সহযোগিতা আগবঢ়ায়। জিলা কৃষি বিভাগৰ মহকুমা কৃষি বিষয়া অশোক শৰ্মাই ইয়াৰ জৰিয়তে বানত ক্ষতিগ্ৰস্ত হোৱা কৃষকসকল উপকৃত হ'ব বুলি উল্লেখ কৰি জিলাখনৰ বিভিন্ন স্থানত জিলা কৃষি বিভাগৰ দ্বাৰা বানাক্ৰান্ত কৃষকসকলক সকাহ দিয়াবলৈ ধানৰ বীজ সিঁচা কাম হাতত লোৱা হৈছে বুলি মন্তব্য কৰে।

# ডুবাপাৰাৰ দুশ বছৰীয়া দিহিঙীয়া নামঘৰৰ মণিকূটৰ আধাৰশিলা স্থাপন



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১ জুলাই ঃ** গোৱালপাৰা জিলাৰ ডুবাপাৰা দিহিঙীয়া নামঘৰৰ মণিকূটৰ আজি আধাৰশিলা স্থাপন কৰা হয়। তথ্য মতে, ১৮২১ত ডুবাপাৰা কৈৱৰ্তপাৰাত স্থাপিত দিহিঙীয়া নামঘৰৰ উন্নয়নৰ বাবে 'অসম দৰ্শন' আঁচনিৰ অধীনত আঢ়ৈ লাখ টকা আৱণ্টন দিছে। উক্ত পুঁজিৰে নামঘৰৰ মণিকূটৰ নিৰ্মাণৰ বাবে আজি মাটিয়া উন্নয়ন খণ্ডৰ বিষয়া ৰবেন চন্দ্ৰ বৰ্মনে আধাৰশিলা স্থাপন কৰে। কাৰ্যসূচীত নামঘৰ উন্নয়ন সমিতিৰ সভাপতি ৰমণীকান্ত দাসৰ লগতে স্থানীয় ধৰ্মপ্ৰাণ নাগৰিক আৰু মাটিয়া উন্নয়ন খণ্ডৰ সহকাৰী কাৰ্যবাহী অভিযন্তা প্ৰদীপ কুমাৰ নাথ উপস্থিত থাকে বুলি নামঘৰ উন্নয়ন সমিতিৰ সম্পাদক তথা নিৰ্মাণ কমিটীৰ সম্পাদক অৰ্জুন দাসে সদৰী কৰিছে।

# গোৱালপাৰা জিলা প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰংজুলিত চাফাই অভিযান




অগ্ৰদূত বাৰ্তা

**দুধনৈ, ১ জুলাই ঃ** গোৱালপাৰা জিলাৰ ৪০ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি গোৱালপাৰা জিলাৰ প্ৰতিটো উন্নয়ন খণ্ডত জিলা প্ৰশাসনৰ আহ্বান অনুসৰি চাফাই অভিযান কাৰ্যসূচী গ্ৰহণ কৰা হয়। সেই অনুসৰি ৰংজুলি উন্নয়ন খণ্ডৰ অন্তৰ্গত ৰংজুলি চহৰতো গোৱালপাৰা জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগ, ৰংজুলি কেন্দ্ৰ উন্নয়ন কমিটী আৰু উত্তৰণ ফাউণ্ডেছনৰ উদ্যোগত চাফাই অভিযান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তিনিওটা বিভাগ তথা সংগঠনৰ বিষয়ববীয়া তথা কৰ্মকৰ্তাসকলে হাতত ঝাড়ু লৈ পুৱা সাত বজা পৰা ৰংজুলিৰ ১৭ নম্বৰ ঘাইপথ, ৰংজুলি-শিমলীতোলা পথ, ৰংজুলি খণ্ড প্ৰাথমিক চিকিৎসালয়, ৰংজুলি সাপ্তাহিক বজাৰ চৌহদ, থানা চৌহদ আদিত চাফাই অভিযান চলোৱা হয়। তদুপৰি আজিৰ পৰা প্লাষ্টিক মুক্ত জিলা হিচাপে প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে এই অভিযান চলোৱা হৈছে। এই অভিযান অনাগত দিনসমূহতো অবিৰতভাৱে চলি থাকিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

# অৱসৰপ্ৰাপ্ত স্বাস্থ্যকৰ্মী প্ৰাণবন্ধু ডেকাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বাঘমাৰা গাঁও নিৱাসী তথা স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী প্ৰাণবন্ধু ডেকা (৬১)ৰ যোৱা নিশা চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। বিগত কিছুদিন ধৰি মধুমেহকে ধৰি কে'বাটাও জটিল ৰোগত আক্ৰান্ত হৈ ডেকাই গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল যদিও কালি ডেকাৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটি চিকিৎসালয়খনতে মৃত্যু হয়। ডেকাৰ মৃত্যুৰ বাতৰি আজি বিয়পি পৰাত অঞ্চলটোৰ বিভিন্ন দল-সংগঠন ব্যৱসায়ী তথা গুণমুগ্ধই তেওঁৰ গৃহত উপস্থিত হৈ শেষ বিদায় জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালক গভীৰ সমবেদনা জ্ঞাপন কৰে। উল্লেখ্য যে ডেকাই চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত ঘগ্ৰাপাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। তেওঁ মৃত্যুৰ সময়ত পত্নীসহ তিনি পুত্ৰ উপৰি বহু গুণমুগ্ধক ইহসংসাৰত এৰি যায়।



# পৰাক্ৰমী শতকেৰে দলক উদ্ধাৰ ঋষভৰ

## ইংৰাজ বলাৰৰ আধিপত্য ৰোধ কৰি ভাৰতৰ প্ৰত্যাক্ৰমণ ঃ পুনৰ ব্যৰ্থ হ'ল কোহলি



*পুনৰ বেট-পেডৰ মাজত ফাক ৰাখি ব'ল্ড হ'ল বিৰাট কোহলি।*



**নিউজ ব্যুৰ'**
**বাৰ্মিংহাম, ১ জুলাই ঃ** ঋষভ পন্টৰ পৰাক্ৰমী শতকৰ সহায়ত একমাত্ৰ টেষ্টত ইংৰাজ বলাৰক উভতি ধৰিলে ভাৰতে। প্ৰাথমিক বিপৰ্যয় ৰোধ কৰি বাতৰি লিখাৰ পৰলৈকে ভাৰতে পাঁচ উইকেটৰ বিনিময়ত ৩১১ ৰাণ সংগ্ৰহ কৰিছে। এই সময়ত ঋষভে মাত্ৰ ১০৮টা বলত ১৩৯ ৰাণ কৰি খেলি আছে। তেওঁলৈ যোগ্য সহযোগ আগবঢ়াই ৰবীন্দ্ৰ জাদেজাই ৬৭ ৰাণ কৰি খেলি আছে।

আজি অসুস্থ ৰোহিত শৰ্মাৰ পৰিৱৰ্তে যশপ্ৰীত বুমৰাহে ভাৰতক নেতৃত্ব দিয়ে যদিও টছত জয়লাভ কৰিব নোৱাৰিলে। পোনতে বেটিং কৰিবলৈ বাধ্য হোৱা ভাৰতে এটা সময়ত মাত্ৰ ৯৮ ৰাণতে পাঁচ উইকেট হেৰুৱাই গভীৰ বিপদত পৰে। জেমছ এণ্ডাৰছনে তিনিটা আৰু মেটী পট্‌ছে দুটা উইকেট দখল কৰি ভাৰতক শংকিত কৰি তুলিছিল। অৱশ্যে ঋষভে জাদেজাক সংগী কৰি ইংৰাজ বলাৰৰ ওপৰত প্ৰত্যাক্ৰমণ চলায়। এই মুহূৰ্তলৈ ঋষভে ২০টা বাউণ্ডেৰী আৰু তিনিটা ছিক্সাৰ মাৰিছে। উল্লেখ্য যে বিৰাট কোহলি (১১) আজিও ব্যৰ্থ হয়। ইয়াৰ উপৰি শুভমন গিল (১৭), চেটেশ্বৰ পূজাৰা (১৩), হনুমা বিহাৰী (২০) আৰু শ্ৰেয়াছ আয়াৰো (১৫) ব্যৰ্থ হয়।

## নিজৰ ৰাষ্ট্ৰীয় অভিলেখ ভাঙিলে অলিম্পিক স্বৰ্ণজয়ীয়ে

# ডায়মণ্ড লীগত ৰূপ জয় নীৰজৰ



**নিউজ ব্যুৰ'**
**ষ্টকহ'ম, ১ জুলাই ঃ** পুনৰ অভিলেখ স্থাপন কৰিলে টকিঅ' অলিম্পিকৰ স্বৰ্ণজয়ী জেভেলিন থ্ৰ'ৱাৰ নীৰজ চোপ্ৰাই। ষ্টকহ'মত চলি থকা ডায়মণ্ড লীগ মীটতে নীৰজে নিজৰ পুৰণি ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰে। কালি তেওঁ ৮৯.৯৪ মিটাৰ দূৰত্বলৈ জেভেলিন নিক্ষেপ কৰে। ইয়াৰপূৰ্বে তেওঁ ৮৯.৩০ মিটাৰ দলিয়াই ৰাষ্ট্ৰীয় অভিলেখ গঢ়িছিল। যদিও ৯০ মিটাৰ দূৰত্ব লংঘনৰ লক্ষ্য বান্ধি লৈছিল যদিও সেই ক্ষেত্ৰত নীৰজ ব্যৰ্থ হয়।

ইফালে, নিজৰ ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰিলেও অলিম্পিকৰ স্বৰ্ণজয়ীয়ে কালি ৰূপৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়। কালি সোণৰ পদক জয় কৰে ৯০.৩১ মিটাৰ দূৰত্ব লংঘন কৰা গ্ৰেণাডাৰ এণ্ডাৰছন পিটাৰ্ছে। উল্লেখ্য যে ডায়মণ্ড লীগত নীৰজে প্ৰথমবাৰলৈ পদক লাভ কৰিছে। ইয়াৰ পূৰ্বে সাতবাৰৰ প্ৰচেষ্টাত তেওঁ পদক পোৱা নাছিল।

# মহিলা ক্ৰিকেটত শ্ৰীলংকাৰ বিপক্ষে সহজ জয় ভাৰতৰ

**নিউজ ব্যুৰ'**
**পালেকেলে, ১ জুলাই ঃ** শ্ৰীলংকাৰ বিপক্ষে তিনিখনীয়া এদিনীয়া আন্তৰ্জাতিক মেচৰ শৃংখলাত ১-০ৰ অগ্ৰগতি অৰ্জন কৰিলে ভাৰতৰ মহিলা ক্ৰিকেট দলে। অভিজ্ঞ দীপ্তি শৰ্মাৰ দৰ্শনীয় অলৰাউণ্ড প্ৰদৰ্শনৰ সহায়েৰে ভাৰতে আজি ঘৰুৱা দলটোক চাৰি উইকেটত সহজে পৰাজিত কৰে। দীপ্তিয়ে তিনিটা উইকেট দখল কৰাৰ লগতে ২২ ৰাণত অপৰাজিত হৈ ৰয়।

প্ৰথমে বেটিং কৰি শ্ৰীলংকাই ১৭১ ৰাণতে ইনিংছ সামৰে। প্ৰত্যুত্তৰত ভাৰতে ছয় উইকেট হেৰুৱাই ৩৮ অভাৰতে জয়ৰ লক্ষ্যত উপনীত হয়। এটা সময়ত ভাৰতে ১৩৮ ৰাণত ছয় উইকেট হেৰুৱাই বিপদত পৰিছিল। অৱশ্যে দীপ্তিয়ে পূজা বস্ত্ৰকাৰ (২১ অপঃ)ক সংগীৰূপে লৈ দললৈ জয় কঢ়িয়াই আনে। ভাৰতীয় দলৰ অধিনায়ক হৰমনপ্ৰীত কৌৰে সৰ্বাধিক ৪৪ আৰু শেফালী বাৰ্মাই ৩৫ আৰু হৰলীন দেউলে ৩৪ ৰাণৰ বৰঙণি যোগায়। ইয়াৰ পূৰ্বে শ্ৰীলংকাৰ হৈ নিলাক্ষী ডি ছিলভাই ৪৩ আৰু হাছিনী পেৰেৰাই ৩৭ ৰাণ কৰে। ভাৰতৰ হৈ দীপ্তিৰ উপৰি ৰেণুকা সিঙেও তিনিটা উইকেট দখল কৰে।

# গুৱাহাটীত অইল আইটা ৰাষ্ট্ৰীয় টেনিছ

## আজিৰে পৰা কোৱালিফায়িং ৰাউণ্ড ঃ দেশৰ ১২০ খেলুৱৈৰ অংশগ্ৰহণ

**গুৱাহাটী, ১ জুলাই ঃ** সদৌ অসম টেনিছ সন্থাৰ উদ্যোগত অহা চাৰি জুলাইৰ পৰা গুৱাহাটীত অনুষ্ঠিত হ'ব অইল আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতা। অইল ইণ্ডিয়া লিমিটেডে স্পনছ'ৰ কৰা ৰাষ্ট্ৰীয় ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতাখনত অসমৰ লগতে দেশৰ অন্য ৰাজ্যৰ খেলুৱৈয়েও অংশ ল'ব। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি, প্ৰতিযোগিতাখনৰ মূল ৰাউণ্ডৰ মেচ অহা চাৰি জুলাইৰ পৰা আৰম্ভ হ'ব যদিও কোৱালিফায়িং ৰাউণ্ডৰ মেচসমূহ কাইলৈ (দুই-তিনি জুলাই)ৰ পৰাই আৰম্ভ হ'ব। অসম টেনিছ সন্থাৰ চচলত থকা টেনিছ প্ৰকল্পত কাইলৈৰ পৰা আৰম্ভ হ'ব দুদিনীয়া কোৱালিফায়িং ৰাউণ্ডৰ মেচ। সম্পাদক দত্তই লগতে জনাই যে ল'ৰা আৰু ছোৱালীৰ উভয় শাখাৰ ৰাষ্ট্ৰীয় ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতাখনত ১৬ আৰু ১৮ বছৰ অনূৰ্ধ্বৰ একক তথা ডাবলছ শাখাৰ মেচ অনুষ্ঠিত হ'ব। একক শাখাৰ মেচ কাইলৈৰ পৰাই আৰম্ভ হোৱাৰ বিপৰীতে ডাবল্‌ছ শাখাৰ খেল অহা পাঁচ জুলাইৰ পৰা আৰম্ভ হ'ব।

উল্লেখ্য যে অইল ইণ্ডিয়া লিমিটেডে বিগত ২০০৮ৰ পৰাই সদৌ অসম টেনিছ সন্থাই আয়োজন কৰি অহা ৰাষ্ট্ৰীয় ৰেংকিঙৰ আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতাসমূহ স্পনছ'ৰ কৰি আহিছে। অৱশ্যে যোৱা ১৪ বছৰৰ মাজত ক'ভিডৰ বাবে ২০১৯ আৰু ২০২০ত অইল আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতা আয়োজন কৰা নাছিল সদৌ অসম টেনিছ সন্থাই। এইবাৰৰ প্ৰতিযোগিতাত ইতিমধ্যে দেশৰ প্ৰায় ১২০ গৰাকী ১৬ আৰু ১৮ বছৰ অনূৰ্ধ্বৰ ল'ৰা আৰু ছোৱালীয়ে যোগদান নিশ্চিত কৰিছে বুলি অৱগত কৰে অসম টেনিছ সন্থাৰ সম্পাদক দত্তই। প্ৰতিযোগিতাৰ ফাইনেল অনুষ্ঠিত হ'ব অহা আঠ জুলাইত। পূৰ্বৰ দৰেই এইবাৰৰ অইল আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাতো অসমৰ ল'ৰা-ছোৱালীয়ে ভাল প্ৰদৰ্শন কৰিব বুলি আশাবাদী সদৌ অসম টেনিছ সন্থা।


## নাভ্ৰাটিল'ভাক অতিক্ৰম নাডালৰ ঃ ছিছিপাছৰো মসৃণ অগ্ৰগতি

# উইম্বলডনতো বিক্ৰম এক নম্বৰ খেলুৱৈ ইগাৰ




**নিউজ ব্যুৰ'**
**লণ্ডন, ১ জুলাই ঃ** ফ্ৰান্স অপেনৰ পাছত উইম্বলডনতো আধিপত্য অক্ষুণ্ণ ৰাখিছে মহিলা টেনিছৰ এক নম্বৰ খেলুৱৈ ইগা ছিয়টেকে। শীৰ্ষ বাছনিৰ খেলুৱৈগৰাকীয়ে মহিলা ছিংগল্‌ছৰ তৃতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। পোলেণ্ডৰ তাৰকাগৰাকীয়ে কালিৰ দ্বিতীয় ৰাউণ্ডৰ খেলত নেদাৰলেণ্ডৰ লেজলী পেট্ৰিনামা কেৰখ'ভাক ৬-৪, ৪-৬, ৬-৩ ছেটত পৰাজিত কৰে। ফ্ৰেন্স অপেনৰ চেম্পিয়ন ইগাই একেৰাহে ৩৭খন মেচত জয়লাভ কৰিছে। কালিৰ মহিলা ছিংগল্‌ছৰ আন কেইখনমান খেলত পূৰ্বৰ দুবাৰৰ চেম্পিয়ন পেট্ৰা কিট'ভাই ৰোমানিয়াৰ আনা ব'গদানক ৬-১, ৭-৬ (৭/৫) ছেটত পৰাজিত কৰে। সেইদৰে আন এগৰাকী প্ৰাক্তন চেম্পিয়ন ৰোমানিয়াৰ ছিম'না হালেপে বেলজিয়ামৰ কাৰ্ষ্টেন ফ্লিপকেন্সক ৭-৫, ৬-৪ ছেটত পৰাজিত কৰি তৃতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হয়। অৱশ্যে বিশ্বৰ ১১৮ নম্বৰ ৰেংকিঙৰ খেলুৱৈ ব্ৰিটেইনৰ কেটী বাউল্টাৰে যোৱাবাৰৰ ৰাণাৰআপ কেৰ'লিনা প্লিছক'ভাক ৩-৬, ৭-৬ (৭/৪), ৬-৪ ছেটত পৰাজিত কৰি অঘটন ঘটায়।

ইপিনে, গ্ৰেণ্ডশ্লামত সৰ্বাধিক মেচত জয়ী হোৱা তালিকাত কিংবদন্তি মহিলা খেলুৱৈ মাৰ্টিনা নাভ্ৰাটিলোভাক অতিক্ৰম কৰিলে দ্বিতীয় বাছনিৰ ৰাফেল নাডালে। ফ্ৰেন্স অপেন চেম্পিয়নজনে কালি গ্ৰেণ্ড শ্লামৰ ৩০৭সংখ্যক মেচত বিজয়ী হয়। সেই সূত্ৰে তেওঁ সৰ্বাধিক গ্ৰেণ্ড শ্লাম মেচ বিজয়ীৰ তালিকাত চতুৰ্থ স্থানলৈ অগ্ৰসৰ হ'ল। কালিৰ খেলত নাডালে ৰিকাৰ্ডাছ বেৰাংকিছক ৬-৪, ৬-৪, ৪-৬, ৬-৩ ছেটত পৰাজিত কৰি তৃতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হয়। আনহাতে, চতুৰ্থ বাছনিপ্ৰাপ্ত ষ্টেফান'ছ ছিছিপাছে অষ্ট্ৰেলিয়াৰ জ'ৰ্ডান থম্পছনক ৬-২, ৬-৩, ৭-৫ ছেটত পৰাজিত কৰি পুৰুষ ছিংগল্‌ছৰ তৃতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হয়। আন এজন শীৰ্ষস্থানীয় খেলুৱৈ নিক কিৰ্গিয়জেও ছাৰ্বিয়াৰ ফিলিপ ক্ৰেন'ভিচক ৬-২, ৬-৩, ৬-১ ছেটত পৰাজিত কৰি অগ্ৰগতি অৰ্জন কৰে।



উইম্বলডনৰ দ্বিতীয় ৰাউণ্ডত জয়ী হৈ পেট্ৰা কিট'ভাৰ প্ৰতিক্ৰিয়া।


# উইম্বলডনৰ মহিলা ডাবল্‌ছত পৰাস্ত ছানিয়া



**নিউজ ব্যুৰ'**
**লণ্ডন, ১ জুলাই ঃ** উইম্বলডনৰ মহিলা ডাবল্‌ছত অন্তিম মেচ খেলিলে ছানিয়া মিৰ্জাই। চেক গণৰাজ্যৰ লুচি ৰাডেকাৰ স'তে যুটি বন্ধা ভাৰতীয় তাৰকাগৰাকীয়ে কালি মহিলা ডাবল্‌ছৰ প্ৰথম ৰাউণ্ডৰ পৰাই বিদায় ল'বলগীয়া হয়। পোলেণ্ডৰ মেগডেলিনা ফ্ৰেচ আৰু ব্ৰাজিলৰ বিয়'ট্ৰেছ মাইয়াই কালিৰ খেলখনত লুচি-ছানিয়াৰ যুটিক ৪-৬, ৬-৪, ৬-২ গেমত পৰাজিত কৰে। অৱশ্যে উইম্বলডনৰ পৰা ছানিয়াই এতিয়াই বিদায় লোৱা নাই। আজি তেওঁ ক্ৰ'ৱেছিয়াৰ মেট পেভিচৰ স'তে যুটি বান্ধি মিক্সড্‌ ডাবল্‌ছত খেলাৰ কথা। উল্লেখ্য যে এই বছৰতে ছানিয়াই টেনিছৰ পৰা অৱসৰ গ্ৰহণ কৰিব।

# ৰাষ্ট্ৰীয় প্ৰতিযোগিতালৈ নিৰ্বাচিত তেজপুৰৰ দুই শিশু দবা খেলুৱৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১ জুলাই ঃ** ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অসম দলক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিলে তেজপুৰৰ দুই শিশু দবা খেলুৱৈয়ে। এই প্ৰতিভাৱান খেলুৱৈদ্বয় হৈছে তানিস্কা বৰঠাকুৰ আৰু আয়ুস শৰ্মা। যোৱা ২৯ জুনত অনুষ্ঠিত হোৱা সদৌ অসম জিলাভিত্তিক দবা প্ৰতিযোগিতাত তানিস্কাই অসমৰ ভিতৰতে দ্বিতীয় স্থান অৰ্জন কৰে। সেই সূত্ৰে তেওঁ ১৯ বছৰ অনূৰ্ধ্বৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে নিৰ্বাচিত হয়। একেখন প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত হোৱা আয়ুসে



২৯ জুনৰ প্ৰতিযোগিতাৰ সাত বছৰ অনূৰ্ধ্বৰ শাখাত শীৰ্ষস্থান অধিকাৰ কৰে। শিশু খেলুৱৈদ্বয়ৰ কৃতিত্বই তেজপুৰবাসীক আনন্দিত কৰিছে।

# আজিৰে পৰা 'চি' ডিভিজন ফুটবল লীগ

**গুৱাহাটী, ১ জুলাই ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ ২০২২-২৩ বৰ্ষৰ 'বি' আৰু 'চি' ডিভিজন ফুটবল লীগ কাইলৈৰ পৰা নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। কাইলৈ 'চি' ডিভিজনৰ গ্ৰুপ 'এ'ৰ প্ৰথম দুখন খেলত ৰয়েল্‌ছ ক্লাবে আৰামবাগ এফচিৰ বিৰুদ্ধে বিয়লি ২-৪৫ বজাত আৰু নিউ ষ্টাৰ ক্লাবে বৰলুইত ইউনাইটেড এফচিৰ বিৰুদ্ধে বিয়লি ৪-১৫ বজাত অৱতীৰ্ণ হ'ব।

# নুৰুল আমিন প্ৰাইজমানি নগাঁও প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল আৰম্ভ

## ৰিছমণ্ডৰ হেট্ৰিকেৰে প্ৰথম মেচত সঞ্জীৱন সমাজৰ জয়



**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ১ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত আজিৰে পৰা চলিত বৰ্ষৰ নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগ আৰম্ভ হৈছে। এই লীগ প্ৰাক্তন ফুটবলাৰ পদ্ম বৰাই উদ্বোধন কৰে। ক্ৰীড়া সংগঠক প্লাৱন বৰুৱাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত প্ৰাক্তন খেলুৱৈ তথা ক্ৰীড়া সংগঠক দীপক দাস, ডাঃ কৃষ্ণ কুমাৰ বৰা আৰু ডাঃ জয়ন্ত বৰুৱাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়।

নগাঁও ক্ৰীড়া সংস্থাৰ স্বীকৃত প্ৰথম ডিভিজনৰ মুঠ আঠটা ক্লাবৰ মাজত ৰাউণ্ড ৰবীন লীগ পদ্ধতিত আয়োজিত এই লীগৰ আজিৰ উদ্বোধনী খেলত সঞ্জীৱন সমাজে ত্ৰিনয়ন গোষ্ঠীক ৫-১ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। খেলখনত সঞ্জীৱন সমাজৰ হৈ বিদেশী (ঘানা) খেলুৱৈ ৰিছমণ্ড এৱাইটে (৪৪, ৬০,৬১ মিনিট) তিনিটাকৈ গ'ল স্ক'ৰৰে হেট্ৰিক কৰাৰ লগতে পৰশমণি বৰদলৈ (২০ মিঃ) আৰু লক্ষ্যজ্যোতি দাসে (৩৮ মিঃ)ত আন দুটা গ'ল দিয়ে। ইয়াৰ বিপৰীতে ত্ৰিনয়ন গোষ্ঠীৰ হৈ ধীৰসিং বৰদলৈ (২৮ মিঃ)য়ে একমাত্ৰ গ'লটো স্ক'ৰ কৰে। খেলখন পৰিচালনা কৰাত ৰেফাৰী ঘনশ্যাম দাসক সহায় কৰে কল্যাণ বৰুৱা, পৱিত্ৰ বৰা (পৱিতৰা) আৰু চতুৰ্থ ৰেফাৰী অ'হিদুজ জামানে।

# বগা বলৰ দলৰ নেতৃত্বত ৰোহিত

**নিউজ ব্যুৰ'**
**কলকাতা, ১ জুলাই ঃ** ইংলণ্ডৰ বিপক্ষে খেলিবলগীয়া আগন্তুক সীমিত অভাৰৰ শৃংখলাৰ বাবে ভাৰতৰ তিনিটা দল ঘোষণা কৰা হৈছে। ক'ভিডত আক্ৰান্ত হোৱাৰ বাবে ৰোহিত শৰ্মাই চলিত টেষ্টত খেলিব নোৱাৰিলেও সীমিত অভাৰৰ শৃংখলাত দলক নেতৃত্ব দিব। চলিত টেষ্টৰ পাছতে ভাৰতে তিনিখনকৈ টি-২০ আৰু এদিনীয়া মেচ খেলিব ইংলণ্ডৰ বিপক্ষে।


এদিনীয়া দলত প্ৰথমবাৰলৈ স্থান পালে পেচবলাৰ অৰ্শদীপ সিঙে। সেইদৰে প্ৰত্যাৱৰ্তন ঘটিল প্ৰবীণ অপেনাৰ শিখৰ ধৱনৰ। জ্যেষ্ঠ খেলুৱৈসকলক ৰাখিয়ে এদিনীয়াৰ দল গঠন কৰা হৈছে। ইয়াৰ বিপৰীতে প্ৰথম টি-২০ মেচত নাথাকে কে'বাজনো জ্যেষ্ঠ খেলুৱৈ। আয়াৰলেণ্ডত সম্প্ৰতি খেলা টি-২০ দলটোকে প্ৰথম টি-২০ৰ বাবে ৰখা হৈছে যদিও যুক্ত হৈছে অধিনায়ক ৰোহিত। ইয়াৰ বিপৰীতে পৰৱৰ্তী দুখন টি-২০ মেচৰ বাবে দলত স্থান পাইছে বিৰাট কোহলি, যশপ্ৰীত বুমৰাহ আদিয়ে। যদিও টি-২০ দলত স্থান নাপালে মহম্মদ ছামিয়ে। সেইদৰে প্ৰথম টি-২০ৰ একাধিক খেলুৱৈ পৰৱৰ্তী দুখন মেচৰ পৰা বাদ পৰিব। অহা সাত জুলাইৰ পৰা সীমিত অভাৰৰ শৃংখলা আৰম্ভ হ'ব।

ঘোষিত দল— (প্ৰথম টি-২০) ৰোহিত শৰ্মা (অধিনায়ক), ঈশান কিষাণ, ৰুতুৰাজ গায়কোৱাড়, সঞ্জু ছেমছন, সূৰ্যকুমাৰ যাদৱ, দীপক হুডা, ৰাহুল ত্ৰিপাঠী, দীনেশ কাৰ্তিক, হাৰ্দিক পাণ্ডিয়া, ভেংকটেশ আয়াৰ, যুজৱেন্দ্ৰ সিং, অক্ষৰ পেটেল, ৰবি বিষ্ণ'ই, ভুৱনেশ্বৰ কুমাৰ, হৰ্ষল পেটেল, আৱেশ খান, অৰ্শদীপ সিং আৰু উমৰান মালিক।

(দ্বিতীয় আৰু তৃতীয় টি-২০) ৰোহিত শৰ্মা (অধিনায়ক), ঈশান কিষাণ, বিৰাট কোহলি, সূৰ্যকুমাৰ যাদৱ, দীপক হুডা, শ্ৰেয়াছ আয়াৰ, দীনেশ কাৰ্তিক, ঋষভ পন্ট, হাৰ্দিক পাণ্ডিয়া, ৰবীন্দ্ৰ জাদেজা, যুজৱেন্দ্ৰ চাহাল, অক্ষৰ পেটেল, ৰবি বিষ্ণ'ই, যশপ্ৰীত বুমৰাহ, ভুৱনেশ্বৰ কুমাৰ, হৰ্ষল পেটেল, আৱেশ খান আৰু উমৰান মালিক।

(এদিনীয়া আন্তৰ্জাতিক) ৰোহিত শৰ্মা (অধিনায়ক), শিখৰ ধৱন, ঈশান কিষাণ, বিৰাট কোহলি, সূৰ্যকুমাৰ যাদৱ, শ্ৰেয়াছ আয়াৰ, ঋষভ পন্ট, হাৰ্দিক পাণ্ডিয়া, ৰবীন্দ্ৰ জাদেজা, শাৰ্দুল ঠাকুৰ, যুজবেন্দ্ৰ চাহাল, অক্ষৰ পেটেল, যশপ্ৰীত বুমৰাহ, প্ৰসিদ্ধ কৃষ্ণ, মহম্মদ ছামি, মহম্মজ ছিৰাজ আৰু অৰ্শদীপ সিং।

# মালয়েছিয়া অপেনত পৰাস্ত ছিন্ধু



**নিউজ ব্যুৰ'**
**কুৱালা লামপুৰ, ১ জুলাই ঃ** মালয়েছিয়া ছুপাৰ অপেন বেডমিণ্টনৰ পৰা বিদায় ল'লে পি ভি সিন্ধুৱে। দুটাকৈ অলিম্পিক পদক জয়ী ভাৰতীয় তাৰকাগৰাকীক আজিৰ মহিলা ছিংগল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলত চাইনিজ টাইপেইৰ তাই ছু ৱায়িঙে পৰাজিত কৰে। সিন্ধুৱে প্ৰথম গেমত জয়ী হৈছিল যদিও মূৰকত চাইনিজ টাইপেইৰ খেলুৱৈগৰাকীয়ে খেলখনত ১৩-২১, ২১-১৫, ২১-১৩ পইণ্টত জয়লাভ কৰে। উল্লেখ্য যে টকিঅ' অলিম্পিকৰ ছেমিফাইনেলত সিন্ধু এই গৰাকী খেলুৱৈৰ বিপক্ষেই পৰাজিত হৈছিল।

# শ্ৰীলংকাৰ বিপক্ষে জয় অষ্ট্ৰেলিয়াৰ



**নিউজ ব্যুৰ'**
**গালে, ১ জুলাই ঃ** অষ্ট্ৰেলিয়াৰ বিপক্ষে ঘৰুৱা খেলপথাৰতে প্ৰথম টেষ্টত শোচনীয়ভাৱে পৰাজিত হ'ল শ্ৰীলংকা। টেষ্টখনৰ তৃতীয় দিনাই ভ্ৰমণকাৰী দলটোৱে ১০ উইকেটৰ বিজয় সাব্যস্ত কৰে। আজি মাত্ৰ ২৫.২ অভাৰৰ খেল হয় আৰু এইখিনি সময়তে ১২টা উইকেটৰ পতন ঘটে।

শ্ৰীলংকাই ২১২ ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত অষ্ট্ৰেলিয়াই ওছমান খাৱাজা (৭১) আৰু কেমেৰ'ন গ্ৰীণ (৭৭)ৰ অৰ্ধশতকৰ সহায়ত ৩২১ ৰাণ সংগ্ৰহ কৰে। কালিৰ খেল সমাপ্তিলৈ দলটোৱে ন উইকেটত ৩১৩ ৰাণ সংগ্ৰহ কৰিছিল। আজি ন ৰাণ যোগ দিয়েই অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছ সামৰে। ইয়াৰ পাছতে অষ্ট্ৰেলিয়াৰ স্পীনাৰ নাথন লিয়ন (৪/৩১) আৰু পাৰ্ট টাইম বলাৰ ট্ৰেভিছ হেড (৪/১০)ৰ বিধ্বংসী বলিঙত তিষ্ঠিব নোৱাৰি ঘৰুৱা দলটোৱে ১১৩ ৰাণতে দ্বিতী. ইনিংছ সামৰিবলৈ বাধ্য হয়। ফলত জয়ৰ বাবে প্ৰয়োজন হোৱা পাঁচ ৰাণ অষ্ট্ৰেলিয়াই চাৰি অভাৰতে সংগ্ৰহ কৰে। এই জয়েৰে অষ্ট্ৰেলিয়াই দুখনীয়া টেষ্টৰ শৃংখলাত ১-০ৰ অগ্ৰগতি অৰ্জন কৰিলে।

# বিটিচি শিক্ষা সঞ্চালকৰ কাৰ্যালয় ঘেৰাও কৰি উত্তাল প্ৰতিবাদ



## কোকৰাঝাৰত বিটিআৰ মধ্যাহ্ন ভোজন কৰ্মচাৰী সন্থাৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ১ জুলাই ঃ** বিটিআৰৰ চাৰিখন জিলাৰ মধ্যাহ্ন ভোজন কৰ্মচাৰীসকলৰ বকেয়া মাহেকীয়া ভাট্টা আদায় দিয়া, বিটিআৰত ২০০ টকাৰ অতিৰিক্ত মাননি ৫০০ টকালৈ বৃদ্ধি কৰা, ৰন্ধন কৰ্মচাৰী সকলক ১০ মাহৰ পৰিৱৰ্তে ১২ মাহৰ মাননি প্ৰদান কৰা চিপিএফৰ সুবিধা প্ৰদান আৰু অৱসৰ লোৱা ৰন্ধন কৰ্মচাৰীক এককালীন তিনি লাখ টকা আৰু মাহেলি পেন্সন তিনি হেজাৰ টকাকৈ প্ৰদান কৰা ইত্যাদি বিভিন্ন সাত দফীয়া দাবীকলৈ আজি কোকৰাঝাৰত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে বিটিআৰ ক্ষেত্ৰীয় মধ্যাহ্ন ভোজন কৰ্মচাৰী সন্থাই। উল্লেখ্য যে বিটিআৰৰ চাৰিখন জিলাৰ প্ৰায় ১২,৭০০ ৰন্ধন কৰ্মচাৰীয়ে নিজৰ প্ৰাপ্য মাননি বৃদ্ধি কৰা আৰু অতিৰিক্ত মাহেকীয়া ভাট্টা বৃদ্ধিৰ প্ৰবল দাবীত আজি হাতে হাতে কাঁহী-বাতি আৰু প্লে-কাৰ্ডলৈ কোকৰাঝাৰস্থিত বিটিচিৰ শিক্ষা সঞ্চালকৰ কাৰ্যালয় ঘেৰাও কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে । আনকি ৰন্ধন কৰ্মচাৰীসকলৰ তীব্ৰ প্ৰতিবাদত আজি বিটিচিৰ শিক্ষা সঞ্চালক কাৰ্যালয়ৰ মুখ্য প্ৰৱেশদ্বাৰ দুঘন্টা ধৰি স্তব্ধ কৰি তোলা পৰিলক্ষিত হয়। ইপিনে, সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী সন্থাৰ বিটিআৰ ক্ষেত্ৰীয় সমিতিৰ সভানেত্ৰী আৰু সম্পাদক ক্ৰমে চন্দ্ৰাৱতী বসুমতাৰী আৰু ভনিতা পাঠকে বিটিআৰত বিগত দুটাকৈ বছৰ ধৰি ৰন্ধন কৰ্মচাৰীসকলে মাহেকীয়া ন্যূনতম অতিৰিক্ত ভাট্টা বৃদ্ধি কৰা আৰু বিভিন্ন সমস্যাৰ হকে মাতমাতি আহিছে যদিও প্ৰমোদ বড়ো নেতৃত্বাধীন চৰকাৰখনে গুৰুত্ব নিদিয়াৰ গুৰুতৰ অভিযোগ তোলে আৰু ইয়াৰ বাবে আজি চাৰিখন জিলাৰ ৰন্ধন কৰ্মচাৰীসকলে বিটিচিৰ শিক্ষা সঞ্চালকৰ কাৰ্যালয় ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰিবলৈ বাধ্য হোৱা বুলি সদৰী কৰে। লগতে বিটিআৰ ক্ষেত্ৰীয় মধ্যাহ্ন ভোজন কৰ্মচাৰীসকলে তেওঁলোকৰ সাত দফীয়া দাবী অচিৰে পূৰণ কৰিবলৈ বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োক দাবী সম্বলিত এখন স্মাৰকপত্ৰ শিক্ষা সঞ্চালক কাৰ্যালয়ৰ যোগেদি প্ৰেৰণ কৰে।

## পাঁচ বছৰত ৩৫ কোটিতকৈ অধিক পুঁজি আবণ্টন নহ'ল

### প্ৰস্তাৱিত আঁচনি ফাইলতে আবদ্ধ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ জুলাই ঃ** আন্তঃৰাজ্যিক সীমান্তক লৈ চুবুৰীয়া কে'বাখনো ৰাজ্যৰ লগত অসমৰ দীৰ্ঘদিনীয়া সীমা সমস্যা চলি আহিছে। এনে সমস্যাৰ মাজতে বিবাদ চলি থকা প্ৰতিখন ৰাজ্যই নিজৰ বুলি দাবী কৰা সীমান্তলৈ বিভিন্ন উন্নয়নমূলক আঁচনি ৰূপায়ণ, আন্তঃগাঁথনি নিৰ্মাণ ধাৰাবাহিকভাৱে অব্যাহত ৰাখিছে। ফলত মেঘালয়, অৰুণাচল আদিকে ধৰি বিবাদ চলি থকা প্ৰতিখন ৰাজ্যই নিজে দাবী কৰা সীমান্তত ব্যাপক উন্নয়নমূলক কাৰ্য সম্পন্ন কৰিবলৈ সক্ষম হৈছে। ইয়াৰ বিপৰীতে পৃথক ৰাজ্য হোৱাৰে পৰা অসমৰ সীমান্ত অঞ্চলত যি দুৰ্দশা চলি আহিছে তাৰ লেখত ল'বলগীয়া উন্নয়ন হোৱা নাই। সেই কাৰণে অসমৰ সীমান্ত অঞ্চল ৰাইজে তেওঁলোকৰ অঞ্চলবোৰৰ উন্নয়ন সাধিবলৈ প্ৰতিখন চৰকাৰৰ ওচৰত দাবী জনাই আহিছে। কিন্তু এনে দাবী চৰকাৰবোৰৰ ওচৰত অৰণ্য ৰোদনতহে পৰিণত হৈছে। অসমে আন্তঃৰাজ্যিক সীমান্তত বিভিন্ন উন্নয়নমূলক কাৰ্য সম্পন্ন কৰাৰ বাবে প্ৰতিখন বাজেটতে পুঁজি ধাৰ্য কৰি আহিছে। কিন্তু তাৰ বিপৰীতে অনুমোদন দিয়া হয় বহু কম পৰিমাণৰ ধন। তদুপৰি অনুমোদিত ধনৰ সম্পূৰ্ণ অংশও বহু সময়ত মোকলাই দিয়া নহয়। উদাহৰণস্বৰূপে যোৱা পাঁচটা বিত্তীয় বৰ্ষত বাজেটত ধাৰ্য কৰা পৰিমাণতকৈ ৩৫ কোটি ৬৭ লাখতকৈও অধিক টকা অনুমোদন দিয়া হয়। ইয়াৰ ফলত গ্ৰহণ কৰা আঁচনিবোৰৰ বহু কাম ফাইলতে


> ■ প্ৰতি বছৰে বাজেট নিৰ্ধাৰিত পুঁজি আবণ্টনত হেমাহি চৰকাৰৰ ■ চুবুৰীয়া ৰাজ্যৰ তুলনাত দুৰ্বল অসমৰ সীমান্ত অঞ্চল- সুৰক্ষাৰ ক্ষেত্ৰতো আপোচ

আবদ্ধ হৈ থাকে। আনকি সীমান্তৰ সুৰক্ষাৰ বাবে থকা সীমান্ত চকী (বিঅ'পি)ৰ বাবদো ধাৰ্য কৰা পুঁজি আবণ্টনত কৃপণালি কৰি আহিছে চৰকাৰবোৰে। ৰাজ্য চৰকাৰৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ তথ্য অনুসৰি, যোৱা ২০১৭-১৮ত সীমান্তৰ উন্নয়নমূলক কামৰ বাবে বাজেটত ধাৰ্য কৰা হৈছিল ন কোটি টকা। কিন্তু অনুমোদন দিয়া হয় ৯২ লাখ টকা। উক্ত বৰ্ষত বিঅ'পিৰ বাবে বাজেটত তিনি কোটি ৭০ লাখ টকা ধাৰ্য কৰা হৈছিল। তাৰ বিপৰীতে অনুমোদন দিয়া হয় ৬০ লাখ টকা। ২০১৮-১৯ত উন্নয়নমূলক কামৰ বাবে ১০ কোটি টকা ধাৰ্য কৰা হৈছিল যদিও ৩৮ লাখহে মোকলাই দিয়া হয়। একেদৰে বিঅ'পিৰ বাবদ ন কোটি টকাৰ বিপৰীতে পাঁচ কোটি ৬১ লাখ টকা মোকলাই দিয়া হয়। ২০১৯-২০ত উন্নয়নমূলক কামৰ বাবে ধাৰ্য কৰা হয় সাত কোটি ৫০ লাখ টকা আৰু মোকলাই দিয়া হয় চাৰি কোটি ৭৩ লাখ। বিঅ'পিৰ বাবদ বাজেটত ধাৰ্য কৰা আঠ কোটি ৫০ লাখৰ বিপৰীতে মোকলাই দিয়া হয় পাঁচ কোটি ৩০ লাখ টকা। ২০২০-২১ৰ উন্নয়নমূলক কামৰ বাবদ বাজেটত চাৰি কোটি ৭৫ লাখ টকা ধাৰ্য কৰা হয় আৰু অনুমোদন দিয়া হয় তিনি কোটি ১৮ লাখ টকা। একেদৰে বিঅ'পিৰ বাবে বাজেটত ধাৰ্য কৰা পুঁজিৰ পৰিমাণ হ'ল পাঁচ কোটি ৫৯ লাখ টকা আৰু অনুমোদন দিয়া হয় দুই কোটি ৪৫ লাখ টকা। ২০২১-২২ত উন্নয়নমূলক কাৰ্যৰ বাবে বাজেটত ধাৰ্য কৰা পুঁজিৰ পৰিমাণ হ'ল তিনি কোটি ২০ লাখ টকা আৰু ইয়াৰে তিনি কোটি ০.৫ লাখত অনুমোদন দিয়া হয়। উক্ত বৰ্ষত বিঅ'পিৰ বাবদ বাজেটত ধাৰ্য কৰা পুঁজিৰ পৰিমাণ আছিল দুই কোটি ৯৫ লাখ টকা আৰু অনুমোদন দিয়া হয় দুই কোটি ২৬ লাখ টকা।

বিভাগটোৰ তথ্য অনুসৰি, অনুমোদিত পুঁজিৰ সমুদায় ব্যয় কৰা হৈছে। কিন্তু যিবোৰ প্ৰস্তাৱৰ বিপৰীতে বাজেটত পুঁজি ধাৰ্য কৰা হৈছিল সেইবোৰৰ বেছি ভাগ আবণ্টিত ধনৰ পৰিমাণ কম হোৱাৰ বাবে ৰূপায়ণত জটিলতা আছে। সেই বাবেই চুবুৰীয়া ৰাজ্যৰ তুলনাত অসমৰ আন্তঃৰাজ্যিক সীমান্তত নিৰাপত্তাত যিদৰে দুৰ্বলতা বাহাল আছে, তেনেদৰে উন্নয়নমূলক কামতো ৰাজ্যখন পিছ পৰি ৰৈছে।

## কামপুৰত পথৰ দাঁতিতে আয়োজন মৃতকৰ আদ্যশ্ৰাদ্ধ

### পলসে পুতি পেলাইছে বহু লোকৰ বাসগৃহ



**বিশেষ সংবাদদাতা**

**নগাঁও, ১ জুলাই ঃ** কপিলী নদীৰ জলস্তৰ কিছু কমিছে যদিও কামপুৰৰ বহু গাঁৱৰ বানাক্ৰান্ত আজিও যাব পৰা নাই নিজৰ আপোন ঘৰখনলৈ। কিয়নো পলসে পুতি পেলাইছে বাসগৃহসমূহ। ফলত গৃহস্থি কাৰ্যসূচীবোৰ আশ্ৰয় শিবিৰত বা পদপথতে বানাক্ৰান্ত ৰাইজে পালন কৰিবলগীয়া হৈছে। আজি তেনে এক হৃদয় বিদাৰক ঘটনা সংঘটিত হয়। এজন মৃতকৰ আদ্যশ্ৰাদ্ধ পথৰ ওপৰতে আয়োজন কৰা দেখা গ'ল কামপুৰ গুইমাৰীত। প্ৰাপ্ত তথ্য মতে, গুইমাৰীৰ সত্যজিৎ দাস নামৰ লোকজনৰ দ্বিতীয়টো বানৰ সময়তে অসুস্থ হৈ মৃত্যু হয়। মৃতকৰ আজি আদ্যশ্ৰাদ্ধ পৰিয়ালবৰ্গয়ে পথৰ দাঁতিতে হিন্দু ধৰ্মৰ নীতি-নিয়মেৰে পালন কৰে। স্বামীৰ আদ্যশ্ৰাদ্ধ নিজ বাসগৃহত পালন কৰিব নোৱাৰাত পত্নী-সন্তানে কান্দোনত ভাগি পৰে। উল্লেখ্য যে গুইমাৰী অঞ্চলটোত আজিও কপিলী নদীৰ বাঢ়নী পানীত বুৰ গৈ আছে ঘৰ-বাৰী।

## বিল্যানন্দন চ'ৰা



### কষ্টমুক্ত ভাৰত

**ধৰি** লওক—কাজিয়াখন লগাৰে পৰা আপোনাৰ পৰিবাৰক শান্ত কৰি আনিব পৰা নাই। বহু চেষ্টা কৰিও আপুনি বিফল হৈছে। তেতিয়া আপুনি আপোনাৰ পৰিবাৰক লাইনত আনিবলৈ কি কৰিব? খুলশালিজনীক পটাব পাৰে, পটাই মেলি নিজৰ ফলীয়া কৰিব পাৰে। খুলশালিজনী আপোনাৰ ফলীয়া হোৱাৰ লগে লগে দুটা কাম হ'ব পাৰে—এক, আপোনাৰ পৰিবাৰে দৌৰি আহি আপোনাৰ কাষ পাব পাৰে। দুই, আপোনাৰ সংসাৰৰ পতন ঘটাই চিৰকাললৈ আঁতৰি যাব পাৰে। দুয়োটা অপছনৰ কথা চিন্তা কৰিয়ে দিল্লীৰ বাদশ্বাহে আৰু কৰিশ্মা দেখুৱাই ভাল পোৱা কৰিশ্মা শ্বাহে গেম খেলে। এতিয়ালৈকে ক'ত খেলা নাই এই গেম? য'ত য'ত খেলিছে, তাতেই সুফল পাইছে। কৰ্ণাটকত খেলিলে, সুফল পালে। মধ্য প্ৰদেশত খেলিলে, সুফল পালে। এইবাৰ মহাৰাষ্ট্ৰত খেলিলে, সুফল পালে। আমাৰ আখামত অৱশ্যে দিল্লীয়ে একো গেম খেলিব লগা নহ'ল। দিছপুৰতে গেম চলিল। কৰ্ণাটক, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ এইবোৰত বেলেগ এটা পাৰ্টিক আঁতৰাই নিজে গাদীখনত গৈ বহিব লগা হৈছিল। আমাৰ বেলিকা আকৌ এজনক আঁতৰাই আন এজনে গাদী দখল কৰি ল'লে। বেলেগ ৰাজ্যত বেলেগ পাৰ্টিৰ বিৰুদ্ধে গেম খেলিব লগা হৈছিল। আমাৰ ইয়াত আকৌ নিজৰ মাজতে খেলি নিজৰ মানুহৰে গেম বজাই দি গাদী দখল কৰিব লগা হ'ল। এনেকৈ যেতিয়াই-তেতিয়াই যাৰে-তাৰে বিৰুদ্ধে গেম খেলি থকাটোক কি বোলে জানেনে? এই গেম বজাই থকাটোৱে হ'ল গণতন্ত্ৰ। এই গণতন্ত্ৰক আজি-কালি গেমতন্ত্ৰ বুলিও কোৱা হয়। যিমানেই আপুনি গেম খেলিব পাৰিব, সিমানেই গণতন্ত্ৰ আপোনাৰ হাতৰ মুঠিলৈ আহিব আৰু আপুনি এজন গণতান্ত্ৰিক ব্যক্তি বুলি পৰিচিত হ'ব। বহুতে আপোনাক বিভিন্ন নাম দি মাতিব পাৰে—খিলাড়ী, যিয়ে যেতিয়াই-তেতিয়াই যিকোনো খেল খেলি বেলেগক আঁতৰাই নিজে গাদীত বহি যাব পাৰে বা ভিক্ষাৰী, যিয়ে যাৰে-তাৰে পৰা ছাপ'ৰ্ট ভিক্ষা কৰি গাদীত উঠি যাব পাৰে। আজিৰ এইবিধ নতুন গণতন্ত্ৰক কিছুমানে যিদৰে গেমতন্ত্ৰ নাম দিছে, আন কিছুমানে গাদীতন্ত্ৰ বুলিও কয়, যিহেতু ইয়াৰ প্ৰথম আৰু একমাত্ৰ লক্ষ্য হ'ল গাদী। গণতন্ত্ৰ গাদীতন্ত্ৰ বা গেমতন্ত্ৰলৈ সলনি হোৱাৰ ফলত জনগণৰ কিবা লাভ হৈছেনে? আলবৎ হৈছে। আজি



গণতন্ত্ৰ গাদীতন্ত্ৰ বা গেমতন্ত্ৰ হোৱাৰ ফলত জনগণৰ মূলতঃ এটাই লাভ হৈছে। সেয়া হ'ল—জনগণে কংগ্ৰেছমুক্ত পৰিৱেশত থাকিব পাৰিছে। দিল্লীৰ বাদশ্বাহেও ৰাজসভাত বহি সভাসদসকলক অহংকাৰ কৰি কৈছে— 'দেখিছা!'

ঃ কি জাহাপনা?
ঃ মই এক কোটিক চাকৰি দিব নোৱাৰিব পাৰো..
ঃ হয় জাহাপনা!
ঃ একাউন্টে একাউন্টে পোন্ধৰ লাখকৈ দিব নোৱাৰিব পাৰো...
ঃ হয় জাহাপনা।
ঃ কিন্তু কংগ্ৰেছমুক্ত কৰি পেলাম বুলি কৈছিলো, কৰি পেলাইছো।
ঃ হয় জাহাপনা।
ঃ আজি দেছবাচী কংগ্ৰেছমুক্ত পৰিৱেশত থাকিব পাৰিছে।
ঃ কংগ্ৰেছমুক্ত হ'লে তেলৰ দাম কমি যাব নেকি জাহাপনা?
ঃ নকমে।
ঃ বেকাৰ কমি যাব নেকি?
ঃ নকমে।
ঃ বস্তুৰ দাম কমিব নেকি?
ঃ নকমে।
ঃ বিদেশৰ ক'লা টকা আহি যাব নেকি?
ঃ নাহে।
ঃ ৰাস্তা-ঘাটবোৰ ভাল হৈ যাব নেকি?
ঃ নহয়।
ঃ টকাটোৰ দাম বাঢ়িব নেকি?
ঃ নাবাঢ়ে।
ঃ খেতি-বাতি ভাল হৈ যাব নেকি?
ঃ নহয়।
ঃ জনমূৰি উপাৰ্জন বাঢ়িব নেকি?
ঃ সেইবোৰ একো নহয়। আমাৰ দখলত থকা ৰাজ্য বাঢ়িব। বেলেগ একো নহয়।

বাদশ্বাহে পুনৰ ক'লে— 'তোমালোকৰ কনচেপ্টবোৰ ভুল বুজিছা। মই কি কৈছো? মই কৈছো যে জনগণ কংগ্ৰেছমুক্ত হ'ব। জনগণক কষ্টমুক্ত কৰাৰ ঠিকা মই লৈ থোৱা নাই নহয়।'

## কৃষ্ণাইত শ্ৰীশ্ৰীজগন্নাথ দেৱৰ ৰথযাত্ৰা আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ১ জুলাই ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই জ্যোতিনগৰত আয়োজন কৰা হৈছে শ্ৰীশ্ৰীজগন্নাথ দেৱৰ ৰথযাত্ৰা। ন দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ৰথযাত্ৰাৰ আজি প্ৰথম দিনা শ্ৰীশ্ৰীজগন্নাথ প্ৰভু সুভদ্ৰা গৃহলৈ যাত্ৰা কৰে। এই নদিনীয়া ৰথযাত্ৰাৰ সামৰণিৰ দিনা প্ৰভু জগন্নাথ প্ৰভু উভতি আহিব গোপীনাথ আশ্ৰম অভিমুখে। এই উপলক্ষে আজি সমগ্ৰ জ্যোতিনগৰ উদুলি-মুদুলি হৈ পৰে। জ্যোতিনগৰত ৰথযাত্ৰাৰ অন্যতম



উদ্যোক্তা মৃন্ময় ওজাই জনোৱা অনুসৰি, প্ৰথমবাৰৰ বাবে আয়োজিত ৰথযাত্ৰাত ৰাইজৰ সঁহাৰিয়ে তেওঁলোকক উৎসাহী কৰি তুলিছে। অনুষ্ঠানত প্ৰশাসনে পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ বাবে প্ৰশাসনক ধন্যবাদ জ্ঞাপন কৰে ৰথযাত্ৰা উদ্‌যাপন সমিতিয়ে।

## শিক্ষক ধৰণীধৰ তামুলীক অৱসৰী সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১ জুলাই ঃ** নলবাৰী জিলাৰ তিলানা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ প্ৰধান শিক্ষক ধৰণীধৰ তামুলী কালি কৰ্মজীৱনৰ সামৰণি পৰে। আজি বিদ্যালয় পৰিয়ালৰ লগতে বিদ্যালয় পৰিচালনা সমিতি মিলিত হৈ কৃতী শিক্ষকজনক বিদায় সম্বৰ্ধনা জনায়। শিক্ষক নিৰ্মল শৰ্মাই আঁতধৰা সভাত নলবাৰী জিলা প্ৰাথমিক শিক্ষা বিষয়া সীমান্ত কুমাৰ ডেকা, পূব বাঁহজানী মণ্ডল কেন্দ্ৰ- এক নম্বৰ আৰু দুই নম্বৰ সমন্বয়ক, নলবাৰী জিলা মধ্য ইংৰাজী শিক্ষক সন্থাৰ সভাপতি, সম্পাদক, পৰীক্ষা সচিব, বিদ্যালয়ৰ শিক্ষক ভূপেন তামুলী,ভুদেৱ দাস, নৰেশ্বৰ দাস, দিলীপ দাস,ইছলাম ইক্ৰামুল হক, অৱসৰপ্ৰাপ্ত শিক্ষকদ্বয় কুমুদ বেজবৰুৱা, জিতেন কলিতা, অভিভাৱক-অভিভাৱিকা, তথা শুভাকাংক্ষী উপস্থিত থাকে।

## ৭২ তম বন মহোৎসৱৰ আৰম্ভণি

### নৰেন্দ্ৰ মোদীৰ নামত বৃক্ষৰোপণ হোজাইত

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১ জুলাই ঃ** আজি ৭২ তম বন মহোৎসৱৰ লগত সংগতি ৰাখি হোজাই জিলা সদৰ শংকৰদেৱ নগৰত এক আৰম্ভণি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইতিমধ্যে বিগত তিনি দশক ধৰি প্ৰায় এক লাখ ২৬ হেজাৰ গছপুলি ৰোপণ কৰি সৰ্বত্ৰে প্ৰশংসিত হোৱা মৰ্কজুল মা আৰিফ নামৰ সংগঠনটোৰ উদ্যোগত আজি হোজাই জিলা সদৰ শংকৰদেৱ নগৰত এক ব্যাপক বৃক্ষৰোপণ, গছপুলি বিতৰণ আৰু সজাগতা সভা অনুষ্ঠিত হয়। হোজাই জিলা সদৰ শংকৰদেৱ নগৰ হাইস্কুলত বন মহোৎসৱ সপ্তাহৰ লগত সংগতি ৰাখি আয়োজন কৰা কাৰ্যসূচীত জিলা উপায়ুক্ত অনুপম চৌধুৰী আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেচৰ অমলেন্দু চক্ৰৱৰ্তীৰ লগতে মৰ্কজুল মা আৰিফে বিষয়ববীয়াই অংশগ্ৰহণ কৰে । এই কাৰ্যসূচীতেই মৰ্কজুল মা আৰিফৰ হৈ জিলা উপায়ুক্ত অনুপম চৌধুৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নামত এটি গছ ৰোপণ কৰে। এই বন মহোৎসৱ উপলক্ষে আয়োজিত সজাগতা সভাত জিলা উপায়ুক্ত অনুপম চৌধুৰী আৰু উপাচাৰ্য ড° অমলেন্দু চক্ৰৱৰ্তীয়ে বৃক্ষৰোপণ কাৰ্যক মৰ্কজুল মা আৰিফক প্ৰশংসা কৰাৰ লগতে হোজাইত বৃক্ষৰোণক আন্দোলনৰ ৰূপ দিয়া ড° চামচুল হক চৌধুৰীক বৃক্ষ মানৱ আখ্যা দিয়ে।

## শুৱালকুছিত ১০৭ বছৰীয়া বৃদ্ধৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ১ জুলাই ঃ** শুৱালকুছি বাথান গাঁৱৰ কালিচৰণ দাস নামৰ ১০৭ বছৰীয়া বৃদ্ধ এজনৰ উত্তৰ গুৱাহাটীৰ জিএনআৰচি হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। আজি পুৱা ৪.৩০ বজাত তেওঁ শোৱাপাটীৰ পৰা উঠি পিছ ফালৰ দমকলৰ পাৰলৈ যায়। তাতেই তেওঁ পিছলি পৰি যায়। সেই সময়ত বৰষুণ আহি থকা বাবে টোপনিত থকা পৰিয়ালে তেওঁৰ চিঞৰ-বাখৰ শুনি নাপালে। এনেদৰে অৰ্ধমৃত অৱস্থাত তেওঁ প্ৰায় এঘন্টা পৰি থকাৰ পাছত ভতিজাজন পিছফালে গৈ পৰি থকা দেখি চিঞৰ-বাখৰ লগায়। পৰিয়ালৰ লোকে বৃদ্ধজনক ততাতয়াকৈ শুৱালকুছি চিকিৎসালয়ত ভৰ্তি কৰায় যদিও স্বাস্থ্যৰ অধিক অৱনতি ঘটাত চিকিৎসকে গুৱাহাটীলৈ নিয়াৰ পৰামৰ্শ দিয়ে। পাছত তেওঁক উত্তৰ গুৱাহাটীৰ জিএনআৰচিত ভৰ্তি কৰাই যদিও বৃদ্ধজনৰ ১০ বজাত মৃত্যু হয়। জীৱিত অৱস্থাত তেওঁ গাঁওখনৰ বিভিন্ন উন্নয়নমূলক কামৰ লগত জড়িত থাকি ৰাইজৰ উত্তৰণৰ হকে কাম কৰিছিল। তেওঁ আমৃত্যু পৰ্যন্ত বাথান গাঁও উন্নয়ন সমিতিৰ উপদেষ্টা হিচাপে কৰ্মৰত আছিল। কৃষি কৰ্মৰে জীৱন অতিবাহিত কৰা প্ৰয়াত দাস গাঁওখনৰ এক আদৰ্শৰ প্ৰতীক আছিল। তেওঁৰ মৃত্যুত বাথানৰ একাধিক দল-সংগঠনে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ এজন পুত্ৰ, ছয়গৰাকী জীয়ৰী নাতি-পৰিনাতিকে ধৰি পৰিয়ালবৰ্গক ইসসংসাৰত এৰি যায়।

## চিৰাং জিলাত এনচিচিৰ উত্তৰ পূৰ্বাঞ্চলীয় মণ্ডলৰ অতিৰিক্ত সঞ্চালক

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ১ জুলাই ঃ** চিৰাং জিলাত আজি এনচিচিৰ উত্তৰ-পূৰ্বাঞ্চলীয় মণ্ডলৰ এনচিচিৰ অতিৰিক্ত সঞ্চালক প্ৰধান ভাস্কৰ কলিতা উপস্থিত হৈ চিৰাং জিলাৰ উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ আৰু আৰক্ষী অধীক্ষক প্ৰাণজিত বৰাৰ স'তে মত বিনিময় কৰে। মত বিনিময়ৰ সময়ছোৱাত ভাৰতীয় শীৰ্ষ সেনা বিষয়া ভাস্কৰ কলিতাই চিৰাং জিলাৰ সাম্প্ৰতিক দিশসমূহৰ ওপৰত আলোকপাত কৰে। সেনা বিষয়াজনৰ ভ্ৰমণ কালত চিৰাং জিলাৰ উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ আৰু আৰক্ষী অধীক্ষক প্ৰাণজিত বৰাই আৰণাই আৰু ফুলৰ থোপাৰে সম্ভাষণ জ্ঞাপন কৰে। বিপৰীতে শীৰ্ষ সেনা বিষয়া ভাস্কৰ কলিতাই উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকলৈ সেনা বাহিনীৰ স্মাৰক প্ৰদান কৰে। চিৰাঙৰ উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ আৰু আৰক্ষী অধীক্ষক প্ৰাণজিত বৰাৰ স'তে হোৱা মত বিনিময়ৰ পাছত সংবাদ মাধ্যমৰ আগত সেনা বাহিনীৰ শীৰ্ষ বিষয়া ভাস্কৰ কলিতাই এনচিচিৰ সম্প্ৰসাৰণ কৰাৰ চিন্তা কৰিছে বুলি উল্লেখ কৰে। কেন্দ্ৰীয় চৰকাৰে লোৱা অগ্নিপথ আঁচনি এক সুন্দৰ আঁচনি বুলি উল্লেখ কৰি ইয়াত জড়িত জোৱানসকলে ভৱিষ্যতে অসমত আৰক্ষীত মকৰল হ'ব বুলি আশা ব্যক্ত কৰে। তেওঁ চিৰাঙত এনচিচিৰ বাবে ভালে সংখ্যক শাখা গঠনৰ পোষকতা কৰে। ইপিনে, চিৰাং জিলাৰ উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে তেওঁলোকৰ মত বিনিময়ত সেনা বাহিনীয়ে এনচিচিৰ সম্প্ৰসাৰণৰ কামত জিলা প্ৰশাসনে সহায় কৰিব বুলি মত ব্যক্ত কৰি অগ্নিপথ আঁচনিত কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ পৰা কাম কৰিব বুলি উল্লেখ কৰে। মত বিনিময় অনুষ্ঠানত সেনাৰ শীৰ্ষ বিষয়া ভাস্কৰ কলিতাৰ স'তে এনচিচিৰ ধুবুৰীৰ কমাণ্ডেণ্ট এন ত্ৰিবেদী উপস্থিত থাকে।



## জটিল কৰ্কটৰ প্ৰত্যাহ্বানক নেওচি উচ্চতৰ মাধ্যমিক পৰীক্ষাত সফলতা বিবেক গোৱালাৰ

### ছয়টা বিষয়ত লেটাৰ নম্বৰ লাভ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১ জুলাই ঃ** জটিল কৰ্কটৰোগৰ প্ৰত্যাহ্বানক আত্মবিশ্বাস, যোগাত্মক চিন্তা আৰু অধ্যয়নৰে পৰাভূত কৰি শৈক্ষিক ক্ষেত্ৰৰ এক গুৰুত্বপূৰ্ণ পৰিসীমা সুখ্যাতিৰে অতিক্ৰম কৰিবলৈ সক্ষম হৈছে তেজপুৰৰ এজন মেধাৱী ছাত্ৰই। সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল অনুসৰি, দৰং মহাবিদ্যালয়ৰ ছাত্ৰ তথা তেজপুৰৰ উদয়ন পথ নিবাসী বিবেক গোৱালাই কলা শাখাত ছটা বিষয়ত লেটাৰ নম্বৰসহ ডিষ্টিংচন লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে মেধাৱী বিবেক ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অনুপ্ৰেৰণা আৰু সাহসৰ প্ৰতীক হোৱাৰ লগতে তেওঁৰ এই যুঁজাৰু মানসিকতাই জীৱন সংগ্ৰামৰ এক অন্যতম চানেকি ৰূপেই বিবেচিত হৈছে। উল্লেখ্য যে বিবেক যোৱা কে'বা বছৰ ধৰি ৰক্তজনিত কৰ্কট ৰোগত আক্ৰান্ত হৈ আছিল। ২০১৮ত উচ্চতৰ মাধ্যমিক পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া মেধাৱী ছাত্ৰজন এই জটিল ৰোগৰ বাবেই চিকিৎসালয়ত ভৰ্তি হ'বলগীয়া হয় আৰু ইয়াৰ বাবেই তেওঁ দীৰ্ঘসময় শৈক্ষিক ক্ষেত্ৰৰ পৰা আঁতৰি থাকিবলগীয়া হয়। কিন্তু এনে শাৰীৰিক অসুস্থতাৰ বিপৰীতে নিজৰ মনোবল, সাহস, দৃঢ়বিশ্বাসৰ বলত পুনৰ অধ্যয়ন আৰম্ভ কৰা মেধাৱী ছাত্ৰজনে এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ এক উন্নত ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়। তেওঁৰ শৈক্ষিক উত্তৰণত শাৰীৰিক জটিলতাক কোনো কাৰণতেই অজুহাত হিচাপে উল্লেখ কৰিবলৈ অনিচ্ছুক ছাত্ৰজনৰ এনে বিশেষ সাফল্যৰ বাবে দি ছ'চিয়েলিষ্ট অৰ্গেনাইজেশ্বনৰ বিষয়ববীয়া একাংশই আজি তেওঁৰ বাসগৃহত উপস্থিত হৈ সম্বৰ্ধনা তথা অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। সংস্থাটোৰ সাধাৰণ সম্পাদক তৃষাণু ভূঞাই এই সন্দৰ্ভত বিবেকৰ পৰা আমি শিকিব লগা বহুত আছে বুলি মন্তব্য কৰি আৰু কয়, 'বিবেক আৰু তেওঁলোকৰ পৰিয়ালৰ এই হাঁহিকণেই আমাৰ বাবে যথেষ্ট। বিবেকৰ সবল মানসিকতা, সাহস, একাগ্ৰতা আৰু বিশ্বাসে আমাক জীৱন কি অনুভৱ কৰিব শিকালে। বিবেক সদায় সফলতাৰে আগুৱাই যাব সেইটো আমাৰ দৃঢ়বিশ্বাস।' পৰিয়ালটোলৈ অহা ধুমুহাজাকৰ পাছতো বিবেক আজি স্থিৰ হৈ জিলিকি থকাৰ লগতে যোগাত্মক দৃঢ়বিশ্বাসৰ বাবেই এতিয়া বিবেক যথেষ্ট সুস্থ আৰু তেওঁ সম্পূৰ্ণ সুস্থ হৈ উঠিব বুলি সংগঠনটোৰ বিষয়ববীয়াসকলৰ লগতে শুভাকাংক্ষীসকলে আশা ব্যক্ত কৰে।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4, Survey, Beltola

Contact for all kinds of pain, Spine problem, movement prob-lem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড,** গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com